# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1929 - (1851 Sak) | Edition: |
| Size: 23½ cms - 519 pages | Genre: Magazine |
| Volumes: 18 - (11 issues) | Condition of the original: Brittle |
| Remarks: [illegible] . | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৫৪০৪/অা:
·১৫.৬.৯৯




১৮শ বছৰ
"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে"
১৮৫১ শক
৯ম সংখ্যা
পুহ

## উজ্জয়িনী

["মেঘদূত"]

হে মেঘ ! ঘূৰণ, তথাপি উত্তৰে যা হৈ উজ্জয়িনী ;
কাৰেঙশাৰীৰ প্ৰণয়-বিমুখ নহবা নিশ্চয় তুমি।
পুৰ-অঙ্গনাৰ বিজুলী-লতাৰ দৃষ্টি চকামকা, আৰু
ক্ৰীড়া-কটাক্ষৰ বঞ্চিত হলে নো জনম কি কাম বাৰু ?

স্ৰোত-বিলাসিনী, পিন্ধিছে বিহগ শ্ৰেণীৰ কাঞ্চীহাৰ,
আবৰ্ত্ত-নাভিৰে স্খলিত সুগতি দেখিবা নিৰ্ব্বিন্ধ্যাৰ।
কাষ চাপি সি ৰস-সাগৰত পোনেই মজিবাগৈ ;
স্ত্ৰীৰ আদ্য প্ৰণয় বচন বিভ্ৰম প্ৰিয়লৈ।

শুকাই সলিল সিন্ধু-তনু আজি এডালি বেণীৰ দৰে
পাৰৰ জীৰ্ণ গছ-পাত সৰি কি পাণ্ডু বৰ্ণ ধৰে !
সুভগ, তোমাৰ সৌভাগ্য প্ৰকাশি আজি ই অৱস্থা যাৰ,
কৰ্ত্তব্য তোমাৰ যতনে সম্প্ৰতি দিয়া পূৰ্ব্বৰূপ তাৰ।

অৱন্তী পশিয়ে, বুঢ়ালোকে কোৱা শুনি উদয়ন-কথা,
বিশাল শ্ৰীৰে বিশাল সিপুৰী লক্ষিবা উদ্দিষ্ট যথা।
বোধ হব, যেন স্বৰ্গবাসী সবে শেষৰ পুণ্যৰ হৈ
দিব্য কান্তিময় স্বৰ্গৰ এখণ্ড আহিল নমাই লৈ।

তাত সৰালিৰ মধুৰ কুজন মিলিত দীৰ্ঘ তান,
শিপ্ৰাৰ বায়ু সুবাসিত লৈ পদ্ম-পৰিমল ঘ্ৰাণ।
কি সুখ-স্পৰ্শ !—হৰিবলৈ' যেন স্ত্ৰীৰ সুৰত গ্লানি
প্ৰিয়তমে কোৱা ভালৰি লগোৱা একেটি প্ৰাৰ্থনা বাণী।

গবাক্ষেদি অহা কেশ-সংস্কাৰৰ ধূপে' বপু উপচিব,
বন্ধু প্ৰীতি হেতু পোহন মৈৰাই নৃত্য উপহাৰ দিব।
ললিত বনিতা' পদৰাগ অঁকা কুসুম সুৰভি ভৰা
হৰ্ম্ম্য-লক্ষ্মী চাই গৈ যেন পথখেদ পৰিহৰা।

শ্ৰীডিম্বেশ্বৰ নেওগ

# কৃষ্ণলীলা

## দ্বিতীয় অঙ্ক. প্ৰথম দৃশ্য

নন্দ—অক্ৰুৰ, মহাৰাজ কংসই কৃষ্ণ-বলোৰামক মৰম কৰি নিমন্ত্ৰণ দিয়া বাবে নিজকে নিজে ধন্য মানিছোঁ। কিন্তু মই কিম্বা ব্ৰজবাসীয়ে যে এক মুহূৰ্ত্তৰ নিমিত্তেও কৃষ্ণৰ বিৰহ সহিব নোৱাৰিম ! কৃষ্ণ নহলে যে ধেনু-বৎসই ঘাঁহ নাখায়, চৰায়ে নামাতে, গছ শুকাই যায়, যমুনা শ্ৰীহীন হয় ! তদুপৰি মাক যশোদা তো আৰু নিজীয়ে। এই প্ৰস্তাবত মই কেনেকৈ সম্মতি দিম ?

৫৪০৪/অ:

যশোদা—অক্ৰুৰ, মাতৃৰ হিয়াখন সদায় কোমল, সদায় প্ৰেমৰ উৎসেৰে ভৰা। কিন্তু মোৰ কৃষ্ণ যে মোৰ প্ৰাণ ! কৃষ্ণক নেদেখাকৈ যে মই এদিনো থাকিব নোৱাৰো ! ৰাতিপুৱা গোপ-বালকবিলাকে যেতিয়া জগাইহি, তেতিয়া প্ৰভাতী সুৰৰ ৰাগিণী শুনি শুনি মোৰ গোপাল ঢাৰিপাটীৰপৰা উঠে। সুন্দৰ শ্যামল তনুখনি এঙামুৰিয়াই এঙামুৰিয়াই লৈ আহি আধা মেলা চকুৰে মোৰ কোলাত মূৰটি থৈ যেতিয়া কোমল সুৰেৰে আই আই বুলি মাতে মই চুলিত হাত বুলাই—সেই মুহূৰ্ত্তত জগত পাহৰি যাওঁ—আপোন পাহৰি যাওঁ। তাৰ পাছত গা-পা ধুৱাই যেতিয়া মৈৰাৰ পাখি পীত বসন পিন্ধাই দি শ্ৰীঅঙ্গত চন্দন সানি দিওঁ মোৰ মাতৃ হৃদয় প্ৰেমৰ ৰসত ডুবি যায়। দুয়ো চকুৰে আনন্দত লো বয়। তাৰ পাছত ক্ষীৰ মাখন আৰু নানা ৰকমৰ খোৱা বস্তু নিজ হাতে খুৱাই খুৱায়ো তৃপ্তি নাপাওঁ। তাৰ পাছত গৰু আৰু দামুৰি আৰু হাতত বেণু লৈ যেতিয়া বনলৈ গৰু চৰাবলৈ যায় কি দুখেৰে কি অশান্তিৰে যে দিন যায় তাক কব নোৱাৰো। অনবৰত মনত এই চিন্তা, কিজানি বাছাৰ শ্ৰীচৰণত কেনেবাকৈ কাঁইটে ফুটি দুখ পায়। কিজানি কিবা অমঙ্গল হয়। যেতিয়া গধূলি বংশী ধ্বনি শুনো আৰু দূৰত গৰুৰ ভৰিৰে উৰা ধূলা দেখোঁ তেতিয়াহে মোৰ প্ৰাণ উলটি আহে। কি আনন্দ, কি উৎসৱ প্ৰত্যেক গধূলি ব্ৰজৰ মাজত। কৃষ্ণৰ মোহন বংশীৰ মাতত ব্ৰজবাসী আনন্দত বিভোল হৈ থাকে। এই হেন ব্ৰজজীৱন কৃষ্ণক মই এদিনৰ নিমিত্তেও এৰি দিব নোৱাৰো। ( কৃষ্ণ বলোৰামৰ প্ৰবেশ )

কৃষ্ণ—আজি অক্ৰুৰ খুৰাৰ এনে শুভ আগমন কিয় ? কি সৌভাগ্য আমি দুখীয়া ব্ৰজবাসীৰ যে নগৰীয়া ৰাজ-পুৰুষে আমাৰ ইয়াত ভৰিৰ ধূলা পেলাইছেহি ?

বলোৰাম—খুৰাদেউ, আপোনাৰ আগমনত আমি নিজকে ধন্য মানিছোঁ।

অক্ৰুৰ—কৃষ্ণ বলোৰাম, মোৰ প্ৰভু কংসৰাইয়ে মোক তোমালোকক নিবলৈ পঠিয়াইছে। কংসৰাইৰ ৰাজপ্ৰাসাদত কাইলৈ মহা মহোৎসৱ হব। তাত মহা যজ্ঞ হব আৰু নানাৰকম ক্ৰীড়া-কৌতুক হব। তাৰৈকে তোমালোকক তেখেতে সাদৰে নিমন্ত্ৰণ কৰিছে।

কৃষ্ণ—কি আনন্দৰ কথা। আমি নিশ্চয় যাম। আমি দুখীয়া গোৱাল ; ৰাজসভা কোন দিনানো দেখিছোঁ ? এনে নিমন্ত্ৰণ আমি পেলাব নোৱাৰোঁ।

বলোৰাম—মালবিলাকৰ লগত আমাকো যুজিব দিবনে ?

অক্ৰুৰ—নিশ্চয় দিব ; কিন্তু মহাৰাজ নন্দ আৰু যশোদা খুৰীয়ে তোমালোকক যাব নিদিয়ে হেনো ?

কৃষ্ণ—( যশোদাৰ ওচৰ চাপি ) মা, হয়নে আমাক যাব নিদিয়া বোলে ?

যশোদা—( কান্দি কান্দি ) বাছা, তুমি যে মোৰ নয়নৰ তৰা, প্ৰাণৰ পুতলি ! প্ৰেমময়, তুমি যে ব্ৰজৰ জীৱন। তোমাক নেদেখিলে যে ব্ৰজবাসী জীয়াই নাথাকে। বাছা, তই নহলে কোনে তোৰ গৰুৰ খুড়াৰ ধূলি লগা দেহা ধুৱাই-পখলাই দিব ? কোনে কোমল শয্যাত শুৱাই গা পিহি পিহি টোপনি নিয়াব ? জীউ মোৰ, তোৰ সেই বংশীৰব নুশুনিলে যে ব্ৰজবাসী নিশ্চয়ে মৰিব।



কৃষ্ণ—এয়ে কথা। মা, মা, মোৰ কোটি জনমৰ ...গস্বিনী প্ৰেমময়ী আই, এনে নো সংসাৰৰ মায়া নে ? আগেয়েও সন্দীপনি ঋষিৰ ঘৰত পঢ়িবলৈ পঠিয়াই এই ...ৰে কান্দি-কাটি অস্থিৰ হৈছিলা। ক'তা একো নহল দেখোন। সুকলমে উলটি আহিলোঁ। এতিয়াও মুঠে ...দিনলৈহে যাম। তাতনো এনে ব্যাকুল হব লাগে নে ? অক্ৰুৰ খুৰা আৰু দাদা দেখোন লগত আছেই !

নন্দ—বাপ, তথাপি দেখোন আমি মন ডাঠ কৰি ...া বুলিব পাৰা নাই !

অক্ৰুৰ—খুৰীদেউ ! কৃষ্ণ-বলোৰামকনো আপোনা-লোকে সামান্য শিশু বুলিয়েই এতিয়াও ভাবি আছেনে ? এতিয়াওনো এওঁলোকক চিনি পোৱা নাইনে ?

কৃষ্ণ—( যশোদাৰ আঁচলত ধৰি ) মা, আমাক যাবলৈ ...দিয়ক। আমি ৰাজসভা চাই আহোঁগৈ।

যশোদা—কোনটো সতেৰে মই যা বুলি ক'ম। প্ৰভুৱে তইঁতক ৰক্ষা কৰক। ৰাজ-আজ্ঞা মানিবই লাগিব।

নন্দ—অক্ৰুৰ, আজি ৰাতি ইয়াতে থাকা। কাইলৈ প্ৰাতসতে লৰা দুটিক লৈ যাবা।

## দ্বিতীয় দৃশ্য

গোপীসকলৰ কুঞ্জত গোপীয়ে গায়—

মোহন দেহ দৰশন গোপাল প্ৰাণ
ভজোহো তনু চৰণ।—ইত্যাদি

চন্দ্ৰা—( লৰি আহি ) সখি, শুনিছানে শুনিছানে—আমাৰ গোপালক কাইলৈ মথুৰালৈ লৈ যাবলৈ অক্ৰুৰ নামেৰে ৰজাৰ বিষয়া এজন আহিছে। প্ৰভুক যাতে নিব নোৱাৰে তাৰে এটা উপায় কৰিব লাগে।

বৃন্দা—কি কলা—গোপালক নিব। কোনে নিব ? ক'লৈ নিব ? গোপাল গলে আমিও যে লগতে যাম। গোপালবিহীন ব্ৰজপুৰীততো কোনো জীয়াই নাথাকে। সেই নিষ্ঠুৰ অক্ৰুৰেই বা কোন ?

চন্দ্ৰা—অক্ৰুৰ কংস ৰজাৰ দূত। কংস ৰজাৰ ঘৰত হেনো মহা মহোৎসৱ হব। তাৰৈকে গোপালক নিবলৈ আহিছে।

( সকলো গোপী চকুত কাপোৰ দি কান্দে )

ৰাধা—আমি অক্ৰুৰৰ ৰথৰ চকাৰ আগত কাইলৈ পৰি থাকিম, সি আমাক বধ কৰিয়ে আমাৰ প্ৰাণ কাঢ়ি লৈ যাওক।

দময়ন্তী—ব্ৰজৰ প্ৰাণ ভক্তৰ প্ৰাণ প্ৰভুৱে ব্ৰজপুৰ শোক-সাগৰত ডুবাই দি ভক্তৰ মনত কেতিয়াও দুখ নিদিয়ে।

চন্দ্ৰা—বলা, আমি প্ৰভুক বিচাৰি যাওঁহঁক।

## তৃতীয় দৃশ্য

যমুনা পাৰ। লাহে লাহে বাঁহী বজাই কৃষ্ণ বহি আছে। বাঁহীৰ মাত শুনি গোপীসকল একালেদি আৰু গোৱালৰ লৰাবিলাক আনকালেদি সোমাইহি। কৃষ্ণই বাঁহী বজাই বজাই লাহে লাহে নাচে। গোপীসকলে লগে লগে নাচে আৰু গোপসকলে চাপৰি বজায়।

গীত

প্ৰিয়তম আত্মা সুহৃদ সোদৰ প্ৰাণ প্ৰিয়তম পতি,
পিতা জগতৰ পুত্ৰ সমেশৰ জীৱনে মৰণে গতি।
হে প্ৰাণপ্ৰিয় ৰাজীৱ চৰণ ৰাজিম হিয়াৰ তেজে,
হৃদি সিংহাসন পৰিপূৰ্ণ যাতে তোমাৰ চৰণ ৰাজে।
কোটি জনমৰ কোটি সাধনাৰ কোটি তপস্যাৰ সিদ্ধি,
তুমিময় প্ৰাণ নাই আৰু আন গোপিনীৰ প্ৰাণনিধি।

শ্ৰীকৃষ্ণই লাহে লাহে গায়—

মধু যামিনী সুখময়ী নিশা মধুৰ মলয় বায়
মধুৰ গীতৰ মোহন লহৰী যমুনা উজায় যায়।
কামনা বাসনা ৰূপ ৰস আদি সবে লোপ হৈ গল
সহস্ৰ জোনৰ কোমল মাধুৰী প্ৰেমত বিলীন হ'ল।
স্বাৰ্থ-গন্ধহীন অতুল প্ৰেমত ব্ৰজ আজি পূত ধাম
এই প্ৰেম দেখি বিশ্ব তৰধ গোপ-গোপী সিদ্ধকাম।

চন্দ্ৰা—ব্ৰজনাথ, সঁচা নে কাইলৈ হেনো আমাক এৰি মথুৰালৈ যাবাগৈ ?

কৃষ্ণ—সখি, সঁচাকৈয়ে যাম। মুঠে এদিনৰ কাৰণেহে যাম।

ৰাধা—প্ৰভু, আমি কি দৰে জীয়াই থাকিম ?

কৃষ্ণ—সখি আৰু সখাসকল, জানো আজি তোমা-লোক কৃষ্ণময়। আজি তোমালোকৰ শৰীৰ, মন ক'তো

কৃষ্ণ ভিন্ন একো নাই। তেন্তে নো কৃষ্ণৰ বিৰহত কেনেই ব্যথা পোৱা ?

শ্ৰীদাম—প্ৰভু, অন্তৰৰ অন্তস্থলত চিন্ময় শ্যামল মূৰ্ত্তি সদায় বিৰাজমান হৈ আছে হয়, কিন্তু সখা তুমি যে আমাৰ কোটি জন্ম সাধনাৰ ধন। সখা, তুমি বনত ফুৰোতে ফুল-গছৰ গাত গা লাগিলে ফুল ফুলি উঠে। ঘোৰ বদত তুমি থকা ঠাইত মলয় বতাহ বয়, পশু-পক্ষীবিলাকে হিংসা ভাব এৰি প্ৰেমত বিলীন হৈ থাকে। তেনেহেন নিধি তুমি যদি আঁতৰি যোৱা জীৱন যে দগ্ধ হৈ যাব। তোমাৰ নাম লৈ লৈ এই দেহা বিসৰ্জ্জন দিম। পিছত যি হয় হব।

কৃষ্ণ—সখা শ্ৰীদাম, তুমিও যে যাবা। ডাঙৰ ডাঙৰ মোৰ লগৰীয়াবিলাক পাছত যাবাহঁক।

শ্ৰীদাম—মই ধন্য হলোঁ। মই ধন্য হলোঁ।

বৃন্দা—প্ৰভু, এই গোপীসকলৰ দশা কি হব ?

কৃষ্ণ—(দুয়ো হাতে গোপীৰ হাতত ধৰি) সখী-সকল, তোমালোক কৃষ্ণৰ প্ৰাণ-স্বৰূপিণী। আজি সমস্ত ব্ৰহ্মাণ্ডময় যে গোপ-গোপীৰ লীলা-ভূমি। হিয়া খুলি চোৱা হিয়াৰ মাজত গোপী ৰূপ দেখা পাবা। প্ৰত্যেক উশাহৰ লগত অব্যক্ত স্বৰূপে যে জীৱাত্মাৰূপিণী তুমি পৰমাত্মাৰ লগত মিলিত হবলৈ আকুল হৈ আছিলা। সেই মিলন সম্পূৰ্ণ হল। আজি তুমি আৰু মই জীৱাত্মা পৰমাত্মাৰ পূৰ্ণ মিলন। এই নশ্বৰ দেহাৰ লগত তো তোমাৰে মোৰে কোনো সম্পৰ্ক নাই। মই নাথাকিলেও যে তোমাৰ প্ৰত্যেক ৰক্ত বিন্দুত মোৰ অস্তিত্বৰ গম পাবা। কাজেই এদিনৰ বিৰহত এনে কাতৰ হলে কেনেকৈ চলিব। (কৃষ্ণই গায়)

হাবিৰে তলিতে ফুলিলে ফুলে ঐ
থাকে সুৰুযলৈ চায়
নিজৰে মনতে নিজে বাঢ়ে চৰায়
হিয়াভৰি ভালে পায়
পছিমৰ মেঘতে বেলি বুৰি গলে
ফুলকে মাতোতা নাই
সুৰুযৰ ছবিটি হিয়াতে নিৰখি
আপোন পাহৰি যায়।

বৃন্দা—যমুনাৰে বালি
জোনাকত কপালী
তাতে কেতেকীয়ে মাতে
বান্ধ নহলে জীৱ বাজে হব
অগনি জলিব গাতে।
ই কুলে সি কুলে সকলো শুদা ঐ
সৰগ নৰকো শূন্
বান্ধৰে ভৰিতে দেহা-মন সপিলোঁ
তাতে হৈয়ে যাম লীন।

গোপীসকলে এক বাক্যে গায়—
বান্ধ এ নেৰিবা
আমালৈ নেপাহৰিবা
উভটি আহিবা মোহন মুৰতি লৈ এ
বান্ধ এ তুমি বিনে নৰয়ে জীৱন
হয় জলে জাম্প দিম নতুবা গৰল পিম
ছাড় প্ৰাণ দিম বিসৰ্জ্জন।

কৃষ্ণ—সখা আৰু সখীহঁত, ইমান বেজাৰৰ কোনো কাৰণ নাই। দুদিনমান বিদায় লওঁ, বং মনেৰে বিদায় দিয়া। কৃষ্ণৰ প্ৰস্থান

## চতুৰ্থ দৃশ্য

নন্দ, যশোদা অতি শোক নেৰে উপবিষ্ট।

নন্দ—ৰাণী, ইমান অধীৰ নহবা। প্ৰাণৰ কৃষ্ণ-বলোৰামে শুভ মুহূৰ্ত্ততে যাত্ৰা কৰি গৈছে। যাওঁতে প্ৰাণৰ কৃষ্ণই কত কাকুতি কৰি গৈছে শোক নকৰিবলৈ। কিজানিবা বাছাৰ অমঙ্গল হয়। আমি ইমান সন্তপ্ত নহৈ ভগৱানৰ ওচৰত কায়মনোবাক্যে বাছাহঁতৰ মঙ্গলৰ নিমিত্তে প্ৰাৰ্থনাকে কৰোহঁক।

যশোদা—প্ৰভু! কাক কি কয় আপুনি ? কৃষ্ণময় প্ৰাণ যে কৃষ্ণৰ লগতে বাজ হৈ গল। মই ধ্যানত কৃষ্ণৰ বৰৰ গতি চাব লাগিছোঁ। মই অন্তৰত কেৱল সহাস্য বদন নীলোৎপল বৰণীয়া বনমালীৰ ৰূপকেহে দেখিব লাগিছো। মোক সংসাৰলৈ টানি নানিব। ব্ৰজ আজি মৰিশালি। ক'তা আজি দেখোন চৰায়ে সুললিত মাত মতা নাই, আজি দেখোন ব্ৰজৰ বতাহ তপত। আজি ব্ৰজবাসী প্ৰাণহীন। আজি গোপিনীৰ দেহ-মন বিৰহত দগধ। মই আকৌ ধ্যান কৰোঁ। মোক নামাতিব। (ধ্যান কৰি) সোৱা মোৰ নীলমণি, সোৱা চোৱা মোৰ গোপালে আহি ঈষৎ হাঁহি মাৰি মোক কিদৰে ননী মাখন খুজিব লাগিছে। আহা, আহা মোৰ বাছা, আহা। মহাৰাজ আপুনিও মোৰ দৰে ধ্যান কৰক, স্বপনে-সচিতে বাছাৰ বিশ্ব-বিমোহন মূৰ্ত্তিকে দেখা পাব।

নন্দ—ৰাণী, তোমাৰ কথা সঁচা। গোপালক চিনিবলৈ তো কাৰো বাকী নাই। কোটি ব্ৰহ্মাণ্ডৰ নাথক আমি ক্ষুদ্ৰ মানৱে পুত্ৰস্বৰূপে পাই সংসাৰী হিচাপে আজি বিৰহত বাউল। তোমাৰ নিচিনাকৈ গোপালত যেন তন্ময় হব পাৰো হে গোপালজননী, মোকো যেন সেই উপদেশ দিয়া।

জাঁৰ-কাপোৰ পৰে

শ্ৰীনবীনচন্দ্ৰ বৰদলৈ

---

# কাঁহুদী আৰু খাৰলি

**ব্ৰজবুলি**। অতি প্ৰাচীন কালৰেপৰা মিথিলা বিদ্যা আৰু জ্ঞান-গৌৰৱেৰে গৌৰৱান্বিত। মিথিলাৰ ৰজা জনক, আৰু ঋষি যাজ্ঞবল্ক্য উপনিষদৰ যুগতো সুবিখ্যাত। ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰৰ মহিষী জানকী জনক ৰজাৰ দুহিতা। বাচস্পতি, উদায়ন, আৰু পক্ষধৰ মিথিলাৰ পণ্ডিত। এই সকলোবোৰে সংস্কৃতত গ্ৰন্থ ৰচনা কৰিছিল, নিজৰ দেশী ভাষা মৈথিলীত কোনেও পুথি লিখা নাছিল। বিদ্যাপতি মিথিলাৰ বৈষ্ণৱ কবি। বিলাতত শেক্সপিয়েৰৰ আবিৰ্ভাৱৰ অনেক আগেয়ে মিথিলাত বিদ্যাপতিৰ আবিৰ্ভাৱ। বিদ্যাপতি সংস্কৃততো সুপণ্ডিত আছিল; আৰু তেওঁৰ জীৱনৰ আগডোখৰ কালত তেওঁ সংস্কৃতত গ্ৰন্থ ৰচনা কৰিছিল। কিন্তু শেষত তেওঁ নিজ মাতৃ-ভাষা মৈথিলীত তেওঁৰ গীত, পদ সম্বলিত সুমধুৰ গ্ৰন্থ ৰচনা কৰিহে অমৰ হল। ঠিক আমাৰ দেশৰ শ্ৰীশঙ্কৰ শ্ৰীমাধৱ আৰু অনন্ত কন্দলিও এই বিষয়ত সেই মৈথিলী কবিৰে সৈতে বিজনি খায়। শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱ-দেৱো সংস্কৃত ভাষাত অগাঢ পণ্ডিত আছিল; আৰু সেই ভাষাত তেওঁলোকৰ গ্ৰন্থ ৰচনাৰ ক্ষমতাও সুপৰিব্যক্ত। আন নেলাগে শ্ৰীশঙ্কৰদেৱে তেওঁৰ ৰত্নাকৰ নামৰ গ্ৰন্থতে তাৰ পৰিচয় দি গৈছে। অনন্ত কন্দলিয়ে নিজেই কৈ গৈছে—“শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি।” কিন্তু এওঁলোকৰ লেখনী অমৰ হল নিজৰ মাতৃ-ভাষাত গ্ৰন্থ ৰচনা কৰিহে।

বিদ্যাপতিয়ে প্ৰথম ডোখৰ কালত তেওঁৰ ৰচনাত সংস্কৃত ভাষা, আৰু দ্বিতীয় ডোখৰত প্ৰাকৃত আৰু, তৃতীয় ডোখৰত নিজ মাতৃ-ভাষা ব্যৱহাৰ কৰিছিল; আৰু সেই তৃতীয় ডোখৰ কালৰ ৰচনাই হে তেওঁক অমৰসকলৰ শাৰীলৈ তুলিলে। মৈথিলী ৰচনাত তেওঁ প্ৰাকৃত লিপি ব্যৱহাৰ কৰিছিল। তেওঁৰ মৈথিলী, হিন্দীৰ হে ওচৰচুবুৰীয়া, বঙ্গ ভাষাৰ নহয়। বঙ্গলা আৰু অসমীয়া লিপি মৈথিলী লিপিৰ অনুকৰণ।

মিথিলা আজিকালি দ্বাৰভাঙ্গা বা দ্বাৰবঙ্গ বিভাগৰ অন্তৰ্গত। এতিয়াও বিদ্যাপতিৰ নাম মিথিলাত সুপৰিচিত আৰু সন্মানিত। দ্বাৰভাঙ্গাৰ গাওঁ এখনত, এতিয়াও বিদ্যাপতিয়ে নিজ হাতেৰে তাল-পাতত লিখা শ্ৰীমদ্ভাগৱত পুথি এখন আছে। বিদ্যাপতি মৈথিলী হে, বঙ্গালী নহয়; আৰু তেওঁ নিজ মাতৃ-ভাষাত মৈথিলী-লিপিত হে গীত আৰু কবিতাবোৰ লেখিছিল। হোমৰক (Homer) সাতখন নগৰে নিজৰ নিজৰ ঠাইত ওপজা বুলি দাবি কৰা কথাটো আমাৰ ভিতৰত লেখা-পঢ়া শিকা

মানুহে জানে। মিথিলাৰ বিদ্যাপতিকো সেইদৰে বঙ্গদেশেও নিজৰ দেশৰ বঙ্গালী মানুহ বুলি আজি অনেক কালৰপৰা দাবি কৰি আহিছিল। তেওঁলোকৰ ভিতৰৰ কোনো কোনো শিক্ষিত অনুসন্ধিৎসু লোকৰ দ্বাৰাই হে সেইটো মিছা দাবি বুলি আজিকালি প্ৰমাণিত হৈছে। আমাৰ অনন্ত কন্দলিকো বঙ্গ ভাষাৰ বুৰঞ্জী-লেখক বঙ্গালী এজনে তেনেকৈ বঙ্গালী, আৰু তেওঁৰ বিৰচিত ৰামায়ণকো বঙ্গলা "অনন্ত-ৰামায়ণ" বুলি দাবি কৰি তেওঁৰ কিতাপত লেখা কথা আমি জানো। এনে দাবিত, দাবিৰ ভিতৰত পৰা গ্ৰন্থকৰ্ত্তা জনৰ যাথোন গুণ-গৰিমা আৰু যশস্যাৰ সৌৰভ হে বৃদ্ধি হয়, দাবি-কৰোঁতাৰ লাভ, আৰু গ্ৰন্থকৰ্ত্তাজনৰ দেশৰ সাহিত্যৰ লোকচান একো নহয়। সেইদেখি আমি আমাৰ বঙ্গালী সাহিত্যিকসকলৰ মুখৰ বাঘ-জৰীডাল ঢিলাই দি বং চাই থকাত কোনো আপত্তি নেদেখোঁ।

বিদ্যাপতি বঙ্গালী চণ্ডীদাসতো আগৰ, আৰু বিদ্যাপতি আৰু চণ্ডীদাস দুয়ো চৈতন্যদেৱতো আগৰ মানুহ। মিথিলা সেই কালত আৰু তাৰ আগৰ অনেক প্ৰাচীন কালৰেপৰা সংস্কৃত, সাহিত্য, ন্যায়, ব্যাকৰণ, কাব্য ইত্যাদি শিক্ষাৰ কেন্দ্ৰস্বৰূপ আছিল। ভাৰতৰ নানা ঠাইৰপৰা মানুহ কাশীত পঢ়িবলৈ যোৱাদি মিথিলাতে পঢ়িবলৈ গৈছিল।

বাসুদেৱ সাৰ্ব্বভৌম চৈতন্যৰ শিক্ষাগুৰু আছিল। সেই কালত বঙ্গদেশত ন্যায় আদি শিক্ষাৰ কোনো পঢ়াশালি বা টোল নাছিল। বঙ্গদেশৰপৰা ছাত্ৰ মিথিলা আৰু কাশীৰ টোলত পঢ়ি আহিছিল গৈ। মিথিলা বঙ্গদেশৰ কাষত, সেইদেখি তালৈ বঙ্গদেশীয় ব্ৰাহ্মণ ছাত্ৰ সৰহকৈ গৈছিল। বাসুদেৱ সাৰ্ব্বভৌম বৰ মেধাবী ছাত্ৰ আছিল। তেওঁ মিথিলাত পঢ়োঁতে এদিন তেওঁৰ অধ্যাপকৰে সৈতে তৰ্কত অধ্যাপকক হৰুৱাই দিছিল; সেইবাবে অধ্যাপকে বৰ লাজ পালে, আৰু ৺বাসুদেৱে লেখিলোৱা তালপতীয়া পুথিবোৰ কাঢ়ি নি তেওঁক খেদাই দিলে। সেইবোৰ ন্যায়, দৰ্শন, ব্যাকৰণ ইত্যাদি শাস্ত্ৰৰ পুথি আছিল। বাসুদেৱে ঘৰলৈ উভতি আহি, গুৰুৰ টোলত পঢ়া শাস্ত্ৰবোৰ সুঁৱৰি সুঁৱৰি নতুনকৈ পুথি লেখি উলিয়াই নবদ্বীপত টোল খুলি ছাত্ৰ পঢ়াবলৈ ধৰিলে। তেতিয়াৰপৰা নবদ্বীপত সেইবোৰ শাস্ত্ৰবিদ্যাৰ টোল আৰম্ভ হল। চৈতন্যইও এই বাসুদেৱ সাৰ্ব্বভৌমৰ টোলতে পঢ়িছিল।

মিথিলালৈ পঢ়িবলৈ যোৱা বঙ্গালী ছাত্ৰবোৰে মৈথিলী ভাষা খুব আগ্ৰহেৰে শিকিছিল, আৰু বিদ্যাপতিৰ গীত, পদৰ গ্ৰন্থবোৰ পঢ়ি সেইবোৰ মুখস্থ কৰি আৰু লেখি আনিছিল। ওপৰত কৈ আহিছোঁ, যে মৈথিলী ভাষা হিন্দীৰ ওচৰাউচৰি; সেইদেখি হিন্দীৰ ভনীভাষা বঙ্গলাভাষীসকলেও মৈথিলী ভাষাৰ গীত, কাব্যাদিৰ সোৱাদ গ্ৰহণ কৰাত বিশেষ বাধা নজন্মিছিল। তাৰ উপৰি বিদ্যাপতিৰ ললিত শব্দবিন্যাস, আৰু মনোহৰ ভাবৰ ৰাধা-কৃষ্ণৰ লীলাৰ বিষয়ৰ সঙ্গীত আৰু কবিতাবোৰে তেওঁলোকৰ মন মোহি পেলাইছিল; গতিকে তেওঁলোকে সেইবোৰ বঙ্গদেশত বিস্তাৰ কৰি প্ৰচাৰ কৰিলে।

কালক্ৰমত বঙ্গলৈ অনা বিদ্যাপতিৰ কবিতাবোৰ নানা মানুহৰ মুখত পৰি তাত বঙ্গলুৱা ভাঁজ লাগিবলৈ ধৰিলে। সিফালে বঙ্গালীৰ মিথিলালৈ পঢ়িবলৈ যোৱাও বন্ধ হল। সেইদেখি এনে কোনো নাছিল বা নোলাল, যে বিদ্যাপতিৰ কবিতাবোৰৰ সংস্কাৰ কৰি সেইবোৰক আগৰ আকৃতি দিয়ে। ফলত বিদ্যাপতিৰ মৈথিলী ভাষা ব্ৰজবুলি নামৰ এটা নতুন বৈষ্ণৱী ভাষাত পৰিণত হল। বিদ্যাপতিক বঙ্গালী বুলি ধৰা হল; অথচ তেওঁৰ গীত-পদ আচল বঙ্গলা নহয়। সেইদেখি এটা মতৰ (theory) সৃষ্টি হল, যে বিদ্যাপতিৰ ভাষা ব্ৰজবুলি আৰু সেই ব্ৰজবুলি মথুৰা-বৃন্দাবনৰ ভাষা। কিন্তু বাস্তৱিক পক্ষত এই ব্ৰজবুলিৰ আৰু মথুৰা-বৃন্দাবনৰ ভাষাৰ ভিতৰত কোনো মিল নাই; আৰু মথুৰা-বৃন্দাবনৰ এই ভাষাই নহয়। বিদ্যাপতিয়ে লেখা শুদ্ধ মৈথিলী ভাষা; ব্ৰজবুলি মৈথিলী নহয়। ই বঙ্গালী বৈষ্ণৱ কবিসকলৰ ভুল ধাৰণাত জন্ম লোৱা সান-মিহলি হৈ সৃষ্টি হোৱা এটা নতুন ভাষা। এইটো কোনেও এবাৰ ভাবি নাচালে যে বিদ্যাপতিয়ে তেওঁৰ মাতৃভাষা মৈথিলীত তেওঁৰ



ৰচনা নেলেখি বৃন্দাবন-মথুৰাৰ ভাষাত কিয় কবিতা লেখিবলৈ যাব?

আমাৰ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱেও ব্ৰজবুলিৰ নিচিনা এটা ভাষাত তেওঁলোকৰ গীত আৰু নাট লেখিছে। কিন্তু ভালকৈ চালে দেখি যে সেই ভাষা বঙ্গদেশৰ বৈষ্ণৱসকলৰ উদ্ভাবিত ব্ৰজবুলি নহয়, সেই ভাষা মৈথিলী-হিন্দী। বিদ্যাপতিৰ দেশ মিথিলাৰ হিন্দী ভাষাত তেওঁলোকৰ গীত ৰচিত হোৱাটো অস্বাভাবিক নহয়। মিথিলাৰ ভাষা বিদ্যাপতিৰ যহত কৃষ্ণলীলামৃতৰ ৰসেৰে পৰিসিক্ত; আৰু সেই কেন্দ্ৰৰ আকৰ্ষণী শক্তিয়ে চাৰিউফালৰ কৃষ্ণভক্ত বৈষ্ণৱক সেই কালত টানি নিছিল।

• • •

## ভাৰতত লিঙ্গ আৰু যোনি পূজা।

বৃহদাৰণ্যক উপনিষদত প্ৰথমতে সংক্ষিপ্তভাৱে লিঙ্গ শব্দটোৰ উল্লেখ আছে। লিঙ্গম অৰ্থাৎ ভিতৰুৱা সূক্ষ্ম মনুষ্যটোৰ আবাস মনত অৰ্থাৎ বাসনাত। সৰ্ব্বোপনিষৎসাৰত লিঙ্গ শৰীৰৰ (Subtle body) উল্লেখ আছে। সাংখ্যত—"মহদ্-আদি-অবিশেষ-অন্তম লিঙ্গম" পোৱা যায়। অৰ্থাৎ মহদৰপৰা অবিশেষলৈকে লিঙ্গ পৰিব্যাপ্ত। প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা মহৎ বা বুদ্ধি, অহঙ্কাৰ, তন্মাত্ৰবোৰ, মন আৰু ইন্দ্ৰিয়বোৰ লিঙ্গৰ গুণবাচক। প্ৰত্যেক লিঙ্গ ত্ৰিগুণাত্মক অৰ্থাৎ সত্ব, ৰজ, তম এই তিনি গুণেৰে আবৃত। লিঙ্গ [illegible]ভাবাত্মক। প্ৰত্যেক জীৱৰ বিকাশ লিঙ্গৰ দ্বাৰাই প্ৰকৃতি পুৰুষৰ সংযোগৰ ফল। ওপৰত কোৱা ভাব আৰু গুণৰ অলেখ অনন্ত সংযোগ-বিয়োগৰ পৰিব্যক্তিয়েই জীৱন।

পুৰাণত লিঙ্গম সৃষ্টিৰ কৰ্ত্তা আৰু ৰক্ষক। লিঙ্গম আৰু যোনি পূজাৰ উৎপত্তিৰ বিষয়ে পুৰাণত তিনটা মত আছে।—

(১) শিৱৰ কৈলাসত এটা ওখ বেদিৰ ওপৰত এখন চৌকোণীয়া মেজত ৯টা বহুমূলীয়া ৰত্ন আছে। তাৰ সোঁ মাজতে এটি পদ্ম। পদ্মৰ ওপৰত এটি ত্ৰিভুজ। এই ত্ৰিভুজেই সৃষ্টিৰ উৎপত্তি আৰু স্থিতিৰ মূল কাৰণ। ত্ৰিভুজটিৰ কেন্দ্ৰৰ ওপৰত লিঙ্গম। লিঙ্গমৰ জ্যোতিৰ দ্বাৰাই দেৱতা আৰু মনুষ্য চাৰিওফালৰপৰা আকৰ্ষিত হৈ আহি তাক পূজা কৰিবলৈ ধৰিলে।

(২) শিৱৰ আহ্বান মতে এদিন কৈলাসত দেৱতাসকলৰ এখন সভা বহিছিল। দেৱতাসকল সমবেত হল হয়, কিন্তু শিৱ অনুপস্থিত। শিৱই পাৰ্ব্বতীৰে সৈতে বিহাৰ কৰি আছিল দেখি তাত উপস্থিত হব নোৱাৰিছিল। কাৰ্য্যৰ গতি দেখি দেৱতাসকলে সেই সভাত আলচ কৰি শিৱৰ খালি-থকা আসনত এটি লিঙ্গ স্থাপন কৰি কলে, যে আজিৰপৰা এই লিঙ্গই শিৱৰ চিহ্নস্বৰূপে ব্যৱহৃত হব।

(৩) তপস্বীসকল তপস্যাৰ বলত বলী হৈ উঠিলত দেৱতাসকলৰ মহা ভয় সমুপস্থিত হল। তেওঁলোক তপস্বীসকলৰ বল খৰ্ব্ব কৰিবলৈ বিষ্ণু আৰু শিৱৰ শৰণাপন্ন হল। বিষ্ণু আৰু শিৱই তপস্বীসকলৰ আৰু তেওঁলোকৰ পত্নীসকলক হীনবল কৰিবৰ মনেৰে বুধি পাতিলে। শিৱই এজন সুন্দৰ ডেকা তপস্বীৰ আৰু বিষ্ণুৱে এজনী সুন্দৰী কন্যাৰ ৰূপ ধৰি, শিৱ তপস্বীসকলৰ পত্নীসকলৰ ওচৰলৈ আৰু বিষ্ণু তপস্বীসকলৰ ওচৰলৈ গল। তপস্বীসকলে সেই কন্যাৰ ৰূপ দেখি বিমোহিত হৈ কন্যাৰ পিছে পিছে লৰিবলৈ ধৰিলে; আন ফালে তপস্বী-পত্নীসকলেও ডেকা সন্ন্যাসী মহাদেৱৰ ৰূপত মুগ্ধ হৈ তেওঁৰ পিছে পিছে লৰিবলৈ ধৰিলে। ফলত নিজ নিজ পত্নীৰে সৈতে তপস্বীসকলৰ পতন হল। অন্তত তপস্বীসকলে নিজৰ পতনৰ কাৰণ বুজিব পাৰি খং উঠি এটা মহা যজ্ঞ পাতি মন্ত্ৰপূত কৰি অগ্নিত আহুতি দি শিৱক পুৰি মাৰিবলৈ দিহা কৰিলে। শিৱৰ লিঙ্গ মন্ত্ৰপূত বহ্নিত বিচ্ছিন্ন হৈ দগ্ধ হবলৈ ধোৱা দেখি শিৱই মহা খং কৰি জগৎখনকে পুৰি ভস্ম কৰিবলৈ ওলাল। ব্ৰহ্মা বিষ্ণুৱে দেখিলে শিৱৰ ক্ৰোধাগ্নিত এতিয়া জগত নষ্ট হয়। ব্ৰহ্মা তেতিয়াই pedastal অৰ্থাৎ ঠকুৰা বা পাদপীঠ হল, বিষ্ণুৱে যোনিৰ আকৃতি ধৰিলে; ধৰি, তাৰ ওপৰত শিৱলিঙ্গক স্থান দিলে। এইদৰেই তেওঁলোকে শিৱৰ হতুৱাই অঙ্গীকাৰ কৰাই ললে, যে

আৰু যেন তেওঁ জগৎ ধ্বংস নকৰে; আৰু দেৱতা আৰু মানুহে তেওঁৰ চিহ্ন লিঙ্গক সদায় পূজা কৰি থাকিব।

তান্ত্ৰিকসকলে ইয়াকে যন্ত্ৰ বোলে। স্ত্ৰী-ত্ৰিভুজৰ ওপৰত পুৰুষ ত্ৰিভুজৰ বাহু বা ৰেখা পৰস্পৰ ছিন্নভাবে স্থাপিত বস্তুটিয়েই তান্ত্ৰিকৰ যন্ত্ৰ। অকল আধ্যাত্মিক ভাৱে এই লিঙ্গম আৰু যোনিৰ সংযোগেই যে তান্ত্ৰিক পন্থীৰ সাধনা এনে নহয়, শাৰীৰিক সংযোগ সাধনাও তেওঁলোকৰ মতান্তৰ্গত। তন্ত্ৰৰ আৰু তান্ত্ৰিকৰ অস্তিত্ব খৃষ্টীয় ষষ্ঠ শতিকাৰ আগেয়ে নাছিল; কাৰণ অমৰ-সিংহৰ অমৰকোষত তাৰ উল্লেখ নাই। পণ্ডিতসকলে অনুমান কৰে যে অসঙ্গ নামেৰে বৌদ্ধ ভিক্ষু এজনে এই প্ৰথা প্ৰথমতে চলায়। অসঙ্গ পেশোৱাৰৰ অৰ্থাৎ পুষ্কৰৰ মানুহ। "যোগাচাৰ ভূমিশাস্ত্ৰ" নামেৰে এখন পুথি অসঙ্গই ৰচনা কৰি প্ৰথমতে তন্ত্ৰাচাৰ চলায়। এই পুথি খৃষ্টীয় ষষ্ঠ শতিকাত ৰচিত হৈছিল। খৃষ্টীয় সপ্তম শতিকাত ভাৰত পৰিব্ৰাজক হিয়ুৱেন চাঙে অস-ঙ্গৰ আশ্ৰম ধ্বংসাৱস্থাত দেখিছিল। তেওঁ লেখি গৈছে, যে অসঙ্গ বুদ্ধদেৱৰ এহেজাৰ বছৰৰ পিছৰ মানুহ। অসঙ্গই শিৱ আৰু শক্তিৰ পূজা প্ৰচাৰ কৰিছিল আৰু বুদ্ধৰ পিছতে শিৱ শক্তিক স্থান দি, বুদ্ধ আৰু অৱলো-কিতেশ্বৰৰ পূজক বুলি প্ৰচাৰ কৰিছিল। বঙ্গ দেশ বৌদ্ধ ধৰ্ম্মৰ প্ৰধান ঠাই আছিল, আৰু তাতে তন্ত্ৰ, মন্ত্ৰ, জপ, যন্ত্ৰ আৰু যোনি পূজাৰ প্ৰচাৰ সৰহকৈ হৈছিল। তান্ত্ৰিকসকলৰ তিনি, চাৰি বা পাঁচজন গোটখাই মাজ নিশা শক্তিৰ মন্দিৰত যুৱতী ছোৱালীক দেৱীৰ মূৰ্ত্তিস্বৰূপে তেওঁলোকে গোপনে পূজা কৰিছিল আৰু এতিয়াও কৰে। তেওঁলোকৰ সাধন-ভজন, আচাৰ-ব্যৱহাৰ আৰু পদ্ধতিবোৰ অতি গোপনীয়। পঞ্চ মকাৰ তেওঁলোকৰ পূজাৰ আহিলাপাতি।

* * *

শ্ৰীযুত বিঠলভাই পেটেলে, এঠাইত ছাত্ৰৰ সভাত বক্তৃতা দিওঁতে কৈছিল—

"I want you to fight the devil of communalism. You hear of self-respect movements. Well, then, I tell you a propaganda of hatred is no movement of self-respect. Any movement, that makes you out to be a backward community and therefore must be helped by favours, is no movement of self-respect, but a movement of self-degradation. Let us be ashamed of having anything that we do not deserve ashamed of having anything except by our own merit"

ইয়াৰ মানে, মই বিচাৰোঁ, যে সাম্প্ৰদায়িকতা নামৰ ভূতেৰে সৈতে তোমালোকে যুদ্ধ কৰ। পৰৰ প্ৰতি বিদ্বেষৰ আন্দোলন আত্মসন্মানসূচক নহয়। যি নিজৰ সম্প্ৰদায়ক পিছ-পৰা বুলি লোকৰপৰা অনুগ্ৰহ বিচাৰে, সি আপোনাক নীহ হে কৰে। যিটো পাবৰ আমাৰ যোগ্যতা নাই সেইটো লোকৰপৰা ভিক্ষাস্বৰূপে লোৱাটো লাজৰ কথা; নিজৰ যোগ্যতাৰ বলেৰে লোৱাটোহে পৌৰুষ।

* * *

এলাহাবাদত মছলেম্ মহিলাসকলৰ এখন সভা হৈছিল। তাৰ সভানেত্ৰী মিছেছ্ আব্দুলাই তেওঁৰ বক্তৃতাত কৈছিল—তিৰুতাই আজিলৈকে মন খুলি কথা কব নোৱাৰে, কাৰণ স্বামীৰ ভয়ত। "They apprehended that a frank expression of their views on subjects that concerned them was likely to displease their husbands and the displeasure might cost them even the little freedom that they were now allowed." তেওঁ কয় যে "any further silence over such vital matters as concerned them, backward as was their state, would mar their future completely. Whether our men are pleased or displeased, we must express our real feelings" অৰ্থাৎ আৰু মনে মনে থকাটো উচিত নহয়; নতুবা তিৰুতাৰ ভৱিষ্যত ভ্ৰষ্ট। আমাৰ পুৰুষসকলে ভালকে পাওক বা বেয়াকে পাওক আমি আমাৰ মনৰ আচল ভাব নিৰ্ভয়ে প্ৰকাশ কৰিম।

আমি কওঁ, সুন্দৰ কথা। আমাকো আজিকালি ইয়াকেহে লাগে। তেওঁলোকে পুতলা লৈ উমলিবলৈ এৰক, আমিও তেওঁলোকক লৈ পুতলা-নাচ নাপাতোঁহক।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা



# চৰিত্ৰ-টোকা

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক নৰনাৰায়ণ ৰজাই বৃন্দাবন্দীয়া বস্ত্ৰ বয়ন কৰিবৰ নিমিত্তে বৰপেটাৰ তাঁতীকুছি নামে ঠাইৰ প্ৰজাবিলাকক তেখেতৰ একান্ত আজ্ঞাধীন কৰি দি দিছিল। পিছে সেই বস্ত্ৰ হৈ উঠিলত ৰজাক শোধাই দিলত ৰজাই বৰ সন্তুষ্ট হৈ তেখেতক বহুত বস্তু উপহাৰ দিব খুজিলে। কিন্তু তেখেতে সেইবিলাক যি গ্ৰহণ নকৰিলেই, ৰাজ্য চিন্তাৰপৰা মুক্ত হৈ অহৰ্নিশে নিশ্চিন্ত-মনে ধৰ্ম্ম-চৰ্চ্চা কৰিবৰ নিমিত্তে তেখেতক দিয়া ৰাজ্যভাৰ গন ওভোতাই লবলৈহে ৰজাক অনুৰোধ কৰিলে। একান্ত অনুৰোধত ৰজাই অগত্যা ৰাজ্য ফিৰাই লব লগীয়াত পৰিল।

---

এবাৰ বৰনগৰৰপৰা ভকত কেইজনমানে মহা-পুৰুষ শ্ৰীগোপালদেৱক এটা সুন্দৰ মুঠাৰ কঠ দি সেৱা কৰিছিলহি। তেখেতে নালাগে বোলাতো ভকত কেই-জনে ওলোটাই নিনি পৈ যোৱাত প্ৰাণহৰি বুলি আলধৰা এজনৰ হতুৱাই জুই একুৰা ধৰাই তাতে কঠখনি পুৰি পেলাবলৈ ধৰিছিল। প্ৰাণহৰিয়ে আশাগুধীয়া ভকতে ইমান শ্ৰদ্ধাৰে দিয়া বস্তুটি নুপুৰিবলৈ অনোৱাত তেখেতে এইবুলিহে কৈছিল,—

"আতা মোৰ* বসি আছা কলা ঠকৰাত।
মই কি কাৰণে আৰে বসিবো ইহাত॥
কঠ ভাল ভৈলে নিকি ভকতি বাঢ়য়।
কলা ঠকৰাত হৰি ভক্তি নিসিজয়॥
এতেকে ইহাক কেহো ইচ্ছা নকৰিবা।
গলে কণ্ঠা বান্ধি হৰি ভকতি কৰিবা॥"

(পূৰ্ণানন্দ)

---

এদিন শ্ৰীগোপালদেৱে ভকতসকলক তোমালোকেনো মোৰ কোন গুণ দেখি মোৰ ঠাইলৈ আহিছা বুলি সোধাত—

"বাপ যদুমণি বোলয় তোমাৰ
গুণৰ অন্ত নপায়।
দুই গোটা গুণ সাম্প্ৰতে দেখিছোঁ
আৰো একো খানে নাই॥
এক গোটা গুণ আছয় তোমাৰ
কাকো হিংসা নেদেখিলোঁ।
অবৈৰ পুৰুষ গুণৰ আলয়
কোন ভাগ্যে আসি পাইলোঁ॥
আৰো যে তোমাৰ নিৰপেক্ষ ভাৱ
দেখিয়া ভজিলোঁ আমি।
একোৱে খানত হেন নিৰপেক্ষ
দেখিতে নপাইলো স্বামী॥"

তেতিয়া—

"গোপালে বোলন্ত শুনা যদুমণি
বোলোহো কৰি নিশ্চয়।
সেৱা সেৱকৰ অপেক্ষা থাকিলে
একো ফল নহৰয়॥

* শ্ৰীমন্ত মাধৱদেৱ মহাপুৰুষ

সেৱা সেৱকৰ এখন গুৱাৰ
চূণ যদি ইচ্ছা কৰে।
সিয়ো মাটি খোৱা তাৰ যত সেৱা
বৃথা শ্ৰম কৰি মৰে॥
গুৰু হুয়া যিটো শিষ্যক লাগিয়া
অপেক্ষা কৰি থাকয়।
লোকৰ কুশল সাধিতে নপাৰে
মিছা সতকাৰ লয়॥"

---

এদিন প্ৰাণহৰি আলধৰা আতায়ে আলধৰি থাকোতে ভোজনৰ নিমিত্তে পাত কাটিবলৈ আৰু নেপাই এখনি শিলৰ কাঁহী দিবলৈ জনোৱাত—

"বোলন্ত গোপালে তোমবাসে বোলা
মোৰ তাত ইচ্ছা নাই।
নগৰক প্ৰতি যদি বোলো মই
সোণাৰ কাঁহীক পায়॥
তাক কি কাৰণে লাগয় আমাক
সিটো আপদৰ ঘৰ।
তাৰে সে নিমিত্তে অজ্ঞানী সকলে
পাৱে দুখ বহুতৰ॥
দুই সাজি অন্ন ভুঞ্জিবাক প্ৰতি
লাগে দুই খানি পাত।
তাক যেন চুৰা বুলিয়া তেজয়
ইয়ো জানা সেহি মত॥"

তেখেতৰ স্বাৰ্থত্যাগ কেনে আছিল আৰু ভকত-সকলৰ ভালৰ নিমিত্তে কেনেকৈ চাইছিল তাৰো তলৰ ঘটনাটিৰপৰা আভাস পোৱা যায়। এদিন একাদশ আতায়ে তেখেতক জনালেহি,—

"এক গুটি কুঁৱা আৰো কাঁহী এক খানি।
এক গুটি জৰা যত্ন কৰি আছো আমি॥
গোপালে বোলন্ত আৰু মোক যদি দিব।
সাত কুৰি ভকত সবাকো লাগিব॥
একাদশে বোলে যদি দিবাক লাগয়।
তাকো দিবো আপুনিয়ে লৈবাক লাগয়॥
হেনয় সাহাস শুনি গোপালে হাসিলা।
বোলে একাদশে মোক সমস্তকে দিলা॥
এহি সাজ খানি সবে খৰচা কৰিয়ো।
ভকত সবক মাত্ৰ ৰোজ কৰি দিয়ো॥
শুনি একাদশে সাজ সমস্তে ভঙ্গাইলা।
ভকত সবক একমাস ৰোজ দিলা॥
গোপালে ভকতক বহু যত্ন কৰিলন্ত।
পিতৃ যেন পুত্ৰক সহজে পালিলন্ত॥"*

এবাৰ এটি পহু ভাগ কৰি তেখেতক মান্য কৰি সমূহ ভকতসকলে এভাগ বেছিকৈ দিছিল; কিন্তু তেখেতক অইন ভকততকৈ বেছি ভাগ কোনোমতেই গ্ৰহণ কৰাব পৰা নহৈছিল।

---

এনেকুৱা ত্যাগৰ আদৰ্শৰপৰা আমাৰ সত্ৰবিলাক ইমান ভোগৰ আদৰ্শলৈ কেনেকৈ নামিল তাক জানিবলৈ কুতূহল জন্মাটো স্বাভাৱিক। শ্ৰীগোপালদেৱৰ এজনা প্ৰধান শিষ্য শ্ৰীযদুমণিদেৱ বৰ আতাৰ চৰিত্ৰত ইয়াৰ অলপ উহ পোৱা যায়।

এদিন বৰ আতাক ৰজাৰ আহিবে চলা কৰা দেখি তেখেতৰ প্ৰিয় সখি গজলাৰ আতা শ্ৰীযদুমণিদেৱে বিচুৰ্ত্তি হৈ তেখেতসকলৰ গুৰু শ্ৰীগোপাল আতাৰ কাহিনো তেখেতে কেনেকৈ ৰক্ষা কৰিছে তাৰ আলেখ-লেখ চাবলৈ দুজন ভকত পঠিয়াই দিছিল। বৰ আতাই তেওঁলোক দুজনক দেখা পাই,

"কঠক দিবাক প্ৰতি আজ্ঞা কৰিলন্ত।
বামাই বাপে অনিৰুদ্ধে নেদিবো বুলিল॥*

পিছে বৰ আতাই ভকত দুজনক আদৰ-আশ্বাস কৰি ভিতৰলৈ নি সকলো কথা ভাঙ্গি এইদৰে কৈছিল;—

"নগৰীয়া লোকে দিয়ে খাট যে পালঙ্ক।
তাত নবসিলে পাৱে মনত বিষম॥

* বামাই আৰু অনিৰুদ্ধ বৰ আতাৰ প্ৰপন্ন ভকত আছিল আৰু প্ৰধান খাটনীয়াৰ আছিল। সত্ৰলৈ গলে যে মাটিয়ে বাগিৰে চুচঁৰি ফুৰিব লগীয়া হ'ল তাৰো গুৰিতে এই ভকত-কলি।—লেখক



সেহিসে নিমিত্তে মই বসো গুৰু চিন্তি।
সখিৰ আগত তোৰাসবে কৈবা ভাঙ্গি॥"

ইয়াৰপৰা দেখা যায় যে নগৰীয়া ভকতসকলৰ খাটিৰ এবাৰ নোৱাৰিয়েই গোসাঁইসকলে ৰজাৰ ভেম ধৰিব লগাত পৰিছিল। তিৰোতাসকলে মানুহক সংসাৰী কৰা দৰেই এই ভকত-সতিনীসকলেইহে গুৰুসকলকো একালত ধৰি-মেলি ভোগী হবলৈ শিকাইছিল। এই ভোগ আৰু ভেমেই বৰুণৰ নাগপাশৰ দৰে তেখেতৰ সতি-সন্ততিসকলক এবাৰ নোৱাৰাকৈ মেৰাই ধৰিলে।

শ্ৰীমোহনচন্দ্ৰ মহন্ত

---

# বন্দী-বীৰ

[ অসম ছাত্ৰ সম্মিলনৰ দ্বাদশ অধিবেশনত পঠিত ]

**ৰামসিংহ**

লাহে লাহে পছিমত বুৰিল তপন
সন্ধিয়াৰ আকাশত ৰাঙলী বৰন।
মন্দিৰে মন্দিৰে জয় শঙ্খ ডবা ধ্বনি
পবিত্ৰ ভাৰত উঠে গিৰি গুহা জিনি।
একেৰাহে আছে বই লৌহিত্যৰ ধাৰ
স্বাধীন অসম ৰাজ্য কৰিছে প্ৰচাৰ।
এটি দুটি কৰি সউ ফুলে তৰা-ফুল
জুৰণি বিচাৰি এবে পৰাণ ব্যাকুল।
এটি মাথোঁ কাম আছে বাকী আজিলৈ
ভাবিম যুজৰ কথা বহি অকলই।
বন্দীপাল! শীঘ্ৰে আন কোন আছে ক'ত
উপস্থিত কৰ বন্দী মোৰ সম্মুখত।

**বন্দীপাল**

শিৰোধাৰ্য্য ৰাজ আজ্ঞা—কৰিলোঁ হাজিৰ,
এজন মাথোন বন্দী ৰণত আজিৰ।

**ৰামসিংহ**

কোন! কৰ বন্দী তই কত তোৰ ঘৰ
কিবা নাম, কৰ লাগে কাৰ অনুচৰ।

**বন্দী**

অসমত ঘৰ মোৰ অসম সন্তান
অসম ৰজাৰ প্ৰজা এয়ে সমিধান।
সমাধিছোঁ সুকলমে ক্ষত্ৰিয় কৰম
ধন্য মই, জয় জয় সোণৰ অসম।
তাতকই বেছি একো নোলাব মুখত
নহও তোমাৰ দাস ৰাখিবা মনত।

**ৰামসিংহ**

দাসৰ অধম তই বন্দী আজি মোৰ
জানিছনে নাই বুলি স্বাধীনতা তোৰ?
লাগিব উত্তৰ দিব যিবা সোধো মই
যিবা জান কৰি মোক ভাবিচিন্তি লই।

**বন্দী**

বন্দী মই সেই কথা কৰিছোঁ স্বীকাৰ
তাকো জানো কিবা দৰে কৰিবা বিচাৰ।
যিবা শাস্তি দিয়া তাকে লম মূৰ পাতি
তথাপি নানিম মই দেশৰ অখ্যাতি।
প্ৰাণ বিনিময়ে মোৰ গুপ্তকথা কই
নপচোঁ অনন্তকাল নৰকত গই।
হাঁহি মুখে দিম মই ঘাতকক মূৰ
দিয়া, যিবা শাস্তি দিবা ৰজাবাহাদুৰ।

**ৰামসিংহ**

বিপক্ষদলৰ তই চোৰ গুপ্তচৰ
পাবি আজি শাস্তি তাৰে অতি গুৰুতৰ।
শাস্তিৰ আগেয়ে দোষ কৰিলে স্বীকাৰ
বহুত লাঘৱ হব গুৰু দণ্ড ভাৰ।

**বন্দী**

সেয়ে যদি দোষ হয় তুমি কোৱা মতে
ভয় নাই প্ৰাণ দিম হাঁহি উলাহতে।

হব পাৰোঁ গুপ্তচৰ দেশমাতৃকাৰ
গৌৰৱৰ কথা তাকে ভাবোঁ বাৰম্বাৰ।
নহওঁ তোমাৰ দৰে হীন পৰদাস
পৰৰ অন্নত নাই অলপকে আশ।
নহওঁ তোমাৰ দৰে দাস বিদেশীৰ
নিবিচাৰোঁ পিবলই তেজ স্বজাতিৰ।
নহওঁ তোমাৰ দৰে পলৰীয়া বীৰ,
সম্মুখ যুদ্ধত বন্দী, উচ্চ মোৰ শিৰ।
স্বদেশৰ স্বাধীনতা ৰক্ষাৰ কাৰণে
যুদ্ধ কৰি শুদ্ধচিতে এক প্ৰাণে মনে।
পুণ্য মোৰ হল আজি কপাল মুকলি
মুক্তিৰ আহ্বান পালোঁ, হাতত শিকলি।
জন্মিলে মৰিব লাগে বিধিৰ বিধান
কিন্তু আজি মোৰ মৃত্যু দেৱতাৰ দান।
দোষৰ চৰম শাস্তি হত্যা কৰি মোক।
আনন্দ লভিবা তুমি পাম স্বৰ্গলোক।

স্বদেশৰ বৈৰী তুমি কাল কেটি সাপ
তোমাৰ লগত কথা—সিও মহাপাপ।
দিয়াঁ, দিয়াঁ মৃত্যুদণ্ড লম মূৰ পাতি
অথবা পলম কিয় মাজ্জাতা নাতি!

**ৰামসিংহ**

সুন্দৰ ৰাজ্যৰ চেৰা সুন্দৰ যুবক
শলাগিছোঁ মাতৃভক্তি মাতৃউপাসক।
ৰামসিংহে আশাতীত লভিছে সন্তোষ
মুক্তি দিলোঁ উলাহতে ক্ষমি যত দোষ।
শলাগোঁ কৰ্ত্তব্য-প্ৰীতি সাহস হিয়াৰ
ধন্য বীৰ প্ৰসৱিনী জননী তোমাৰ।
স্বাধীন দেশৰ পুত্ৰ তুমি বীৰসুত
ময়ো স্বাধীনতা-প্ৰিয় বীৰ ৰাজপুত।
উৰোৱাঁ যশৰ ধ্বজা কৰা উচ্চ শিৰ
বিদায় এতিয়া তেন্তে অসমীয়া বীৰ।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

---

# সমাজ-চিত্ৰ

(৮ম সংখ্যাৰ পিছৰপৰা)

(৬)

সাতোটা বছৰ কালৰ গৰ্ভত লীন হৈ গৈছে; ক'ৰ ধৰণী-জীৱন ক'লৈ গল, ক'ৰ ৰংদৈ-ডালিমী ক'লৈ গ'ল, তাৰ বাতৰি ৰাখে কোনে? সংসাৰত কত ধৰণী-জীৱন, ৰংদৈ ডালিমী আছিল বা আছে তাৰেই বা খবৰ লয় কেইজনে? এই ক্ষণস্থায়ী সংসাৰলৈ কত প্ৰাণী আহি আছে, গৈ আছে; সাধ্য কি মানুহৰ—ইমানবোৰৰ বাৰ্ত্তা ৰাখে? যদিও মানুহে আপোনাৰ জনৰ কথা প্ৰায়ে মনত ৰাখে, তথাপি সেই বিষয়ত মানুহক স্বাৰ্থপৰ বুলিব নোৱাৰি। সংসাৰৰ যে এয়ে ৰীতি!

এদিন ৰেলিৰ মুনি-চুনি পোহৰত কলিকতাৰ কালি-ঘাটৰপৰা প্ৰায় এমাইলমান ভাটিত ভাগীৰথী গঙ্গাৰ পাৰৰ ওখ গড়া এটাত দেখা গৈছিল এজনী ৰুক্ষ-কেশা মলিন-বসনা স্ত্ৰীলোক। হঠাতে দেখাত বয়স হোৱা যেন লাগিলেও ভালকৈ চালে ১৭।১৮ বছৰীয়া যুৱতী বুলি নোৱাৰি। বোধ হয় সাংসাৰিক নানা ক্লেশত তাইৰ শৰীৰ বিবৰ্ণ আৰু মুখ মলিন হৈছে। সৰু কালত যে তাইৰ তেজধাৰা বৰ ভাল আছিল, তাক ডাঠি কব পাৰি। তাই বহা ঠাই ডোখৰ তেনেই নিৰ্জ্জন আছিল। তাই ইফালে সিফালে চালে; কাকো ক'তো নেদেখি গড়াৰ নিচেই কাষতে বহিল। আৰু আপোন মনে কবলৈ ধৰিলে,—"হাঁ পৰমেশ্বৰ! সকলোকে নিব পাৰিলা, মোৰ নো কিয় ইমান লাজ-লাঞ্ছনা ভুগিবলৈ ৰাখিলা? মই গঢ়িলোঁ, তুমি ভাঙিলা। জীৱনত সুখ নেপালোঁ।



পিতৃৰ মুখ নেদেখিলোঁ, মাতৃৰ গৰ্ভত থৈয়ে পিতৃ পলাল। পিতৃৰ আদৰ-যত্ন মৰম স্নেহৰপৰা বঞ্চিত হৈ আইৰ কোলাত কষ্টে-সৃষ্টে ডাঙৰ হলোঁ। সমাজে দূৰ্, দূৰ্, ছেই ছেই কৰি খেদি দিলে। শেষত যি মোৰ জীৱনৰ জীৱনক অবলম্বন কৰিছিলোঁ, সেই জীৱনেও মোক প্ৰাণ-শূন্য দেহে এৰি থৈ মৃত্যুক বৰণ কৰিলে। এতিয়া এই জীৱন-হীন দেহ নো কাৰ নিমিত্তে কিহৰ আশাত ৰাখি থম? সমাজৰ লাঞ্ছনা-অপমানেই বা কিমান সহ্য কৰিম? মানব হেনো জগতৰ শ্ৰেষ্ঠ জীৱ, পৰম পিতাৰ অতি ওচৰৰ, অতি আদৰৰ। ওহোঁ, মিছা কথা, সম্পূৰ্ণ মিছা। যি মানুহে নিজক শ্ৰেষ্ঠ বুলি কয়, সেই মানুহেই দেখোন মানুহক হিংসা কৰে, পশুতকৈও নিকৃষ্টৰ পৰিচয় দিয়ে? লাজ নেপায় নে নিজক শ্ৰেষ্ঠ বুলি কবলৈ? সেই মানবেই দেখোন নিৰ্দ্দয় নিষ্ঠুৰ হিংস্ৰক স্বাৰ্থপৰৰ চৰম সীমা দেখুৱালে? পৰম পিতায়ো মানৱক জ্ঞান দিয়া ভুল হৈছে। মানৱে জ্ঞানৰ অপব্যৱহাৰ কৰি পৰম পিতাৰ উদ্দেশ্য নষ্ট কৰিছে। এফালে যেনেকৈ কিছুমান সভ্যতাৰ পৰিপন্থী, উৎকৃষ্টতাৰ আদৰ্শ, আন ফালে তেনেকৈ কিছুমান অসভ্য বৰ্ব্বৰতাৰ চৰমপন্থী, নিকৃষ্টতাৰ নিদৰ্শন। আৰু সভ্য বুলিয়েই বা ভাবো কাক? সভ্যতাৰ মুখা পিন্ধি মানুহেই মানুহক ছল কৰে। স্বাৰ্থ-সিদ্ধিৰ নিমিত্তে কতই কতক নকৰিবৰ চকৰি কৰে দেখোন! যি অনাথা-শ্ৰমৰ কথা সৰ্ব্বজনবিদিত, যি আশ্ৰমৰ উন্নতি-কল্পে দেশে অজস্ৰ ধন অকাতৰে দান কৰে, যাৰ আশ্ৰয়ত শত শত অনাথ, আতুৰ, নিৰাশ্ৰয়, ধৰ্ষিতা, লাঞ্ছিতা নৰ-নাৰী সুখে-স্বচ্ছন্দে কাল যাপন কৰিছে, ময়োতো সেই শান্তি-কুঞ্জৰ ছাঁত শান্তিৰ আশাৰে আশ্ৰয় লৈছিলোঁ। পাছে, মোৰ বেলিকা দেখোন হিতে-বিপৰীত হ'ল। যিসকল কৰ্ত্তাই মোক আজি ৩।৪ বছৰ ধৰি খুৱাই-বুৱাই, পঢ়াই-শুনাই জ্ঞানী কৰিলে, সেই সকলৰেই এজনে দেখোন এতিয়া মোক ভুৱা দিলে। মোৰ ওপৰত পাশ-ৱিক অত্যাচাৰ কৰি নাৰীৰ অমূল্যধন সতীত্ব নষ্ট কৰিলে! তেন্তে সভ্য কোন? মোৰেই ভুল নে সৰ্ব্বসাধাৰণৰেই ভুল? প্ৰভু! সংসাৰৰ ৰীতিয়েই এই নে কি? নে ই যুগধৰ্ম্মৰ নীতি? নাইবা ময়ে ইবিলাক প্ৰাক্তনৰ ফল ভুগিছোঁ নে কি? আৰু নো কিমান ভুগিম, কিমান সহিম? প্ৰভু! এটি এটিকৈ সকলোটি সিফলীয়া হ'ল। মই নো আৰু থাকি লাভ কি? হেৰা দয়াময়, তোমাৰ ইচ্ছাই পূৰ্ণ হওক। মা গঙ্গা, তোমাৰ জীৱনতেই এদিন মোৰ জীৱনে মোৰ জীৱন ৰক্ষা কৰিছিল; আৰু এদিন মোৰ গৰ্ভধাৰিণী মাতৃৰ জীৱন, মোৰ বুকু জুৰোৱা সন্তানৰ জীৱন, মোৰ হৃদয়-সিংহাসনৰ একচ্ছত্ৰী ৰজা জীৱনৰ জীৱন তোমাৰ জীৱনৰ লগতে লীন হৈছে; মোৰ জীৱনেই বা অকলে ৰাখি লাভ কি? আজি মোৰ জীৱনো তোমাৰ জীৱনতে মিলি যক।" যুৱতীয়ে গঙ্গাৰ বুকুত জাপ দিলে। পৰ মুহূৰ্ত্ততে জাপ্ দি পৰি যুৱতীক ধৰি পাৰত তুলিলে এজন গৌৰকান্তি সন্ন্যাসীয়ে। তেওঁৰ বয়স সম্ভৱ সত্তৰৰ ওচৰা-ওচৰি। গোঁফ আৰু চুলি যদিও বৰ দীঘল নহয়, তথাপি সেইবিলাক তেনেই বগা। বুকুৰ নোমবোৰো বগা বৰণে শোভা কৰিছে। লেংটী এটাৰ বাহিৰে গাত আৰু একো কাপোৰ নাই। ৰাতি কৃষ্ণ পক্ষৰ অন্ধকাৰ হ'লেও তেওঁক উদ্ধাৰ কৰা জন যে এজন সন্ন্যাসী, যুৱতীয়ে তাক জানিব পাৰিলে। যুৱতীয়ে ক'লে, "ছি, ছি, সন্ন্যাসী! কিয় তুমি মোক উদ্ধাৰ কৰিলা? তুমি দেখোন সন্ন্যাসী; সংসাৰৰ সকলো মায়া-মোহ কাটি পেলাইছা। মোলৈ তোমাৰ কি মায়া লাগিল? কি অভিপ্ৰায়ে মোক তুলি আনিলা? মৃত্যুৰ পথ ৰোধ কৰিবলৈ ঈশ্বৰে তোমাক পঠিয়াই দিছে নে কি? এতিয়াও মই সংসাৰত ভুগিবলৈ বাকী আছে নে কি? মোক এৰি দিয়া, মই গঙ্গাৰ বুকুত পুনৰ জাপ দি প্ৰাণ ত্যাগ কৰোঁ।"

"নহয় আই, তুমি আত্ম-হত্যা কৰিব নোৱাৰিবা, আত্ম-হত্যা মহা পাপ। আত্ম-হত্যাকাৰীয়ে পৰকালত নৰকগামী হৈ নানা যাতনা ভোগ কৰে। তোমাৰ কি কষ্ট হৈছে কোৱাঁ? মই তোমাৰ কষ্ট লাঘৱ কৰিবলৈ যত্ন কৰিম।"

যুৱতীয়ে কপট হাঁহিৰে মুখ ভঙ্গী কৰি ক'লে,—'সন্ন্যাসী, তুমি কি বুজিবা মোৰ অন্তৰৰ জ্বালা? সংসাৰ

অনভিজ্ঞ তুমি, মোৰ কিহৰ অভাৱ, তুমি নাজানা। জনা-হেঁতেন কেতিয়াও এনে কথা নোকোৱা। তোমাৰ কি শক্তি আছে মোৰ কষ্ট লাঘৱ কৰিবৰ ?"

"আই, সংসাৰত তুমি অৱশ্যে অনেক ভুগিছা। যদি একো আপত্তি নেথাকে, তেন্তে তোমাৰ পৰিচয় দি মোৰ মনৰ সন্দেহ দূৰ কৰা।"

"মোৰ পৰিচয়ত তোমাৰ লাভ ?"

"লাভ একো নাই সঁচা; কিন্তু মোৰ বৰ কৌতু-হল হৈছে—তোমাৰ পৰিচয় পাবলৈ। কিয়নো তুমি মোৰে দৰে অসমীয়াৰে কথা কৈছা। তোমাক অসমীয়া মানুহ যেন লাগিছে।"

"হয়, মই অসম মাতৃৰে হতভাগিনী জীয়েক এজনী আছিলোঁ। যদি তোমাৰ মোৰ পৰিচয়ৰ ইমান আৱ-শ্যক হৈছে, তেন্তে কওঁ শুনা।" এই বুলি তুয়ো আহি গড়াৰ ওপৰত বহিল। লাহে লাহে পূৰ্ণিমাৰ তিন দিনৰ বাটত এৰি অহা চন্দ্ৰদেৱে পূব গগনত ভুমুকিয়ালে। যুৱতীয়ে কব ধৰিলে,—"সন্ন্যাসী! মোৰ পৰিচয় কি দিম ? মোৰ দুখৰ কাহিনী কওঁমানে শেষ নহয়। এইখিনি বয়সতে মোৰ জীৱনী এখন সৰু-সুৰা মহাভাৰত হব। তুমি ধৈৰ্য্য ধৰি শুনি থাকা।—আমাৰ ঘৰ উজনি অস-মত, ডিব্ৰুগড় নগৰৰ পৰা প্ৰায় ১৮ মাইল দক্ষিণে; দিহিং নৈৰ পাৰৰ নাহৰণি নামে এক সামান্য গাৱঁত। আমি আহোম জাতিৰ মানুহ আছিলোঁ। গাৱঁৰ পশ্চিম মূৰে অকল-শৰীয়াকৈ আমাৰ ভগা পজা-ঘৰ এটা আছিল। ঘৰটোত মই আৰু মোৰ আইত বাজে তৃতীয় প্ৰাণী এটা নাছিল। গাৱঁৰ ভিতৰতো আমাৰ কোনো আপোন নাছিল। মোক মাতৃৰ গৰ্ভত ৰাখিয়ে পিতৃদেৱে মৃত্যুৰ মুখত পৰি পৰলোকলৈ গতি কৰে। মোৰ আয়ে কৈছিল, সেই সময়ত মই হেনো আইৰ গৰ্ভত থাকিবৰ দুমাহ হৈছিল। তাৰে পৰা ৭ মাহ উকলি ৮ মাহত সোমা-ওঁতেই মই অভাগিনীৰ জন্ম হয়।" (সন্ন্যাসীৰ দৃষ্টিৰ আঁৰত যুৱতীৰ চকু দুটিৰে দুটোপা চকুলো ওলাই মাটিত পৰিল।) "ধৰাক চৰা জ্ঞান কৰা দুৰ্দ্দান্ত হিংসুক সমাজে মোৰ মাতৃৰ সতীত্বত অযথা দোষাৰোপ কৰিলে। আমাৰ হৈ মাতোঁতা কোনো নাছিল। ধন-সম্পত্তিও আমাৰ একো নাছিল। কাজেই আমি ভ্ৰষ্টা হৈ সমাজৰপৰা আঁতৰি থাকিলোঁ। বাৰবছৰ খুজি-মাগি খুৱাই আয়ে মোক ডাঙৰ-দীঘল কৰিলে। মোৰ জন্মদাত্ৰী আয়ে মোৰ মুখলৈ চাই কষ্টকো কষ্ট বুলি নুবুলিছিল, লাজ অপমানকো মূৰ পাতি সহিছিল।

"এদিন মোৰ আই ঘৰত নথকাত মই দিহিঙৰ পানীত সাঁতুৰি সাঁতুৰি গা ধুইছিলোঁ। ফেনে-ফোটো-কাৰে অহা আষাৰৰ ঢলে কত গছ-বন ভাঙ্গি-ছিঙ্গি লৈ আহিছিল তাৰ সংখ্যা নাই। এবাৰ পাকনি এটাই মোকো আকৰ্ষণ কৰি নি ডুবাই দিলে। সেই সময়তে ক'ৰবাৰপৰা ডেকা-লৰা এজন আহি মোক সংজ্ঞাহীন অৱস্থাৰে উদ্ধাৰ কৰে। তেওঁৰ শুশ্ৰূষাতে মই জীৱন পাওঁ। তেওঁ আমাৰ ঘৰতে চাৰি দিন থাকি গাওঁ-ভূঁই চাই ফুৰিছিল। তেওঁৰ ঘৰ ডিব্ৰুগড়ৰ আমোলা পটীত। তেওঁৰ পিতাকৰ নাম ধৰণীধৰ বৰুৱা, ফৌজ-দাৰী আদালতৰ পেছ্ কাৰ।" এনেতে সন্ন্যাসী যেন হঠাৎ অন্যমনস্ক হ'ল; তেওঁৰ গাৰ নোম শিয়ঁৰি উঠিল। তেতিয়াই আকৌ তেওঁ নিজক চম্ভালি কথালৈ কাণ দিলে। কথাৰ সূত্ৰ নিছিগিল—"তেওঁ মাক-বাপেকৰ একেটি মাত্ৰ সন্তান, নাম জীৱনচন্দ্ৰ বৰুৱা। বয়স সেই সময়ত ২৫ বছৰমান আছিল। তেওঁলোক জাতিত কলিতা আছিল। যেতিয়া তেওঁ কলেজৰ এটা পৰীক্ষা দি উঠি অহৰ বন্ধত ঘৰলৈ আহিছিল, তেতিয়া গাওঁ-ভূঁই ফুৰি চাবৰ মনেৰে ঘৰৰপৰা ওলাইছিল। আৰু তেতিয়াই ফুৰি ফুৰি আমাৰ গাঁৱত উপস্থিত হৈছিল। সেই খিনিতে তেওঁ দিহিঙৰপৰা মোক উদ্ধাৰ কৰিছিল। তেওঁ ৰূপত যেনে ৰূপহ, গুণতো তেনে গুণী আছিল। তেওঁ পৰ-দুখকাতৰ আৰু বৰ মৰমিয়াল আছিল। আমি দুখুনী অভাগিনীহঁতৰ বিলাই দেখি তেওঁ কান্দি পেলাইছিল। চাৰি দিনৰ মূৰত যেতিয়া তেওঁ যায়, তেতিয়া তেওঁ কৈ গৈছিল, "থাকিবা, মই আকৌ আহিম।"

( ৭ )

"প্ৰায় এমাহৰ পাছত তেওঁ এদিন আহি আকৌ



আমাৰ ঘৰত উপস্থিত হয়। আইৰ লগত কিবা-কিবি পৰামৰ্শ কৰি দুদিনৰ দিনা ৰাতি গৰু-গাৰী এখনত লাম-লাকটুৰেসৈতে আমাক তুলিলৈ দিহিংমুখলৈ আনিলে। ৰাতিপুৱা তিনিও এখন জাহাজত উঠিলোঁ। সেই জাহাজ ব্ৰহ্মপুত্ৰ নদীত সদায় যাতায়াত কৰে। একেৰাহে দুদিন দুৰাতি জাহাজত কটাই যত আমি জাহাজৰপৰা নামিলোঁ, সেই ঠাইখন গুৱাহাটীৰ কিছু দূৰ ভাটিত, নাম পলাশবাৰী। তাত আমি এঘৰ ব্ৰাহ্মণ মানুহৰ আশ্ৰয় ললোঁ। ব্ৰাহ্মণৰ তাত থাকিয়ে তেওঁ আমাৰ নিমিত্তে এডুখৰি মাটি কিনি সৰুকৈ এটা ঘৰ সাজিলে। প্ৰায় মাহদিনৰ পাছতে আমি আমাৰ নতুন ঘৰলৈ উঠি গলোঁ। এদিন শুভলগ্ন শুভক্ষণ চাই আয়ে মোক তেওঁৰ হাতত সমৰ্পণ কৰিলে। মই তেওঁক পাই স্বৰ্গখন হাতেৰে ঢুকি পোৱা যেন পাইছিলোঁ। তেওঁও মোৰ পাণি গ্ৰহণ কৰি সুখী হৈছিল। মোৰ আয়ে যে আৰু কিমান সুখ পাইছিল, মই ভাষাৰে তাক প্ৰকাশ কৰিব নোৱাৰোঁ। তুমিতো সংসাৰ বিৰাগী, তুমি কি উপলব্ধি কৰিবা ?

"আমি বৰ সুখেৰে কাল কটাব ধৰিলোঁ। মোৰ স্বামী, মোৰ হৃদয়ৰ দেৱতাই, আমাৰ নিমিত্তে যথেষ্ট পৰিশ্ৰম কৰি ধন ঘটিব ধৰিলে। দুঘৰত লৰা পঢ়ুৱায় আৰু দুখন দোকানৰ লিখা কাম কৰে। মাহে প্ৰায় এশমান টকা আয় হয়। খৰচ কম, কাজেই আমাৰ বহু টকা বৈ যায়। আমাৰ অৱস্থা ক্ৰমাৎ ভাল হৈ আহিবলৈ ধৰে। আমি তাত থাকোঁতে এবাৰ বাতৰি-কাকতত মোৰ স্বামীৰ নিৰুদ্দেশ সংবাদ পাবলৈ হেজাৰ টকা পুৰস্কাৰ ঘোষণা কৰি দিয়া জাননী পাইছিলোঁ; কিন্তু আমি আগৰপৰায়ে সাৱধান আছিলোঁ; আৰু মোৰ স্বামীয়ে আমাৰ প্ৰকৃত পৰিচয় গোপন কৰি পূৰ্ব্বেই লোকৰ আগত নতুন পৰিচয় দিছিল। সেই কাৰণে কেৱে আমাক সন্দেহ নকৰিলে। আমি তাত প্ৰায় দুবছৰ থকাৰ পাছত এটি সন্তান পাওঁ। নকৈ ফুলা গোলাপ পাহিটিৰ নিচিনা তাৰ গাৰ বৰণ। ৰূপৰ কথানো কি কম, ৰঙতকৈ একাঠি চৰা আছিল। বোধ হয় কোনোবা দেৱতা, কাৰবাৰ শাপত স্বৰ্গ-ভ্ৰষ্ট হৈ মোৰ গৰ্ভত ঠাই লৈছিল। এবছৰ মৰ্ত্ত্য-ভোগৰ পিছত শাপমুক্ত হৈ স্বৰগৰ দেৱতা স্বৰগলৈ গুচি যায়।"

এইখিনিতে তেওঁ মুখ ওপৰলৈ কৰি আকাশলৈ চকু দিছিল; মুখ কিবা এক অপূৰ্ব্ব জেউতিৰে উদ্ভা-সিত হৈছিল। লগতে লাহেকৈ নয়নাশ্ৰু দুধাৰি দুগালেদি বৈ মাটিত পৰিছিল, জোনাকত তাক ভালদৰেই দেখা গৈছিল; সন্ন্যাসীয়ে এই দৃশ্য দেখি একেথৰে ৰ লাগি ডালিমীৰ মুখলৈ চাই ৰল। অলপ বৈ আকৌ কব ধৰিলে,—"আমাৰ শ্ৰীবৃদ্ধি দেখি কিছুমান দুষ্ট মানুহৰ আমালৈ বৰ ঈৰ্ষা হল। লাহে লাহে আমাক জাতি-গোত্ৰহীন বুলি তলে তলে ৰটনা কৰিব ধৰিলে। অৱশেষত সিবিলাকেই কেইটামান অঘাইত চোৰক লগাই এদিন নিশা আমাৰ কিছুমান সম্পত্তি চুৰ কৰাই নিয়ালে।

আগৰপৰায়ে মোৰ স্বামী দেৱতাই এইবিলাক লক্ষ্য কৰি আছিল। তেওঁ ইয়াকো জানিছিল যে, আমাৰ ইয়াত আৰু বেছি দিন থাকিব পৰা নহব। সেই কাৰ-ণেই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে গুৱালকুছি নামে এখন গাঁৱত এডোখৰ মাটি লৈ তাত ভাল ৰকমে ঘৰ-বাৰী সজাইছিল। আমি থকা ঘৰ-মাটি বেচিবলৈ এজন বঙালী ভদ্ৰলোকৰ লগত বন্দবস্ত হৈছিল। তেওঁৰ নাম ৰাজেন্দ্ৰ ঘোষ। তেওঁ প্ৰকৃততে ভদ্ৰ আৰু সাধু আছিল। তেওঁ মোৰ স্বামীৰ অন্তৰঙ্গ বন্ধু আছিল। তেওঁ আদহীয়া বয়সৰ হ'লেও মোৰ স্বামীৰ লগত খুব মিলিছিল। তেওঁৰ আছল ঘৰ ক'ত—তেওঁ কৈছিল, কিন্তু মোৰ মনত নাই। পলাশবাৰী আৰু গুৱালকুছিত তেওঁৰ দুখন দোকান। গুৱালকুছিত তেওঁ সপৰিবাৰে আছিল। তেওঁৰে পৰা-মৰ্শমতে আমাৰ গুৱালকুছিত ঘৰ-বাৰী কৰা হৈছিল।

এদিন ৰাতিপুৱা সময়ত আমি গুৱালকুছিলৈ উঠি আহিবৰ মনেৰে আটাই কেউটি প্ৰাণীয়ে যথা সৰ্ব্বস্বসহ এখন নাৱত উঠিলোঁ। সেই বঙালী ভদ্ৰলোকজনো গুৱালকুছিলৈ গৈ আমাক অলপ সহায় কৰিবৰ মনেৰে নাৱত উঠিল। বাৰিষা ব্ৰহ্মপুত্ৰৰ সোঁত বেছি হোৱাৰ কাৰণে আগে-গুৰিয়ে দুজনো নাৱৰীয়া লোৱা হ'ল। নাও-

খনত মুঠতে সাটোটি প্ৰাণী, লগত আমাৰ লামলাকটু-থিনি। নাও যথেষ্ট বোজাই হল। সেই কাৰণে মোৰ অলপ ভয় হ'ল, আৰু মোৰ প্ৰভুক মই কলোঁ। তেওঁ নাৱৰীয়া দুজনক দিহা সোধাত সিহঁতে বতৰলৈ চাই ভয়ৰ কোনো কাৰণ নাই বুলি আমাক অভয় দিলে।

"জেঠ মাহ, ব্ৰহ্মপুত্ৰত নতুনকৈ বাৰিষাৰ ঢল আহিছে। ব্ৰহ্মপুত্ৰই নতুন যৌৱন পোৱাত বুকু স্ফীত হৈ উভয় কূল বাগৰি পৰিছে। যেতিয়া আমি প্ৰায় আধাখিনি পথ অতিক্ৰম কৰিছোঁ, তেতিয়া দেখিবলৈ পলোঁ নিৰ্ম্মল আকাশৰ পছিম ফালৰপৰা এডোখৰ ক'লা মেঘ ওপৰলৈ উঠি আহিছে। ক্ৰমাৎ ওপৰলৈ আহি সি ঘোৰ কৃষ্ণবৰ্ণ ধাৰণ কৰিলে। পিছত সেই এচপৰা মেঘেই দিগন্ত বিয়পি পৰিল। সূৰ্য্যৰ ৰশ্মি নাইকিয়া কৰিলে। ঘোৰ অন্ধকাৰে দিগ্বিদিক শূন্য কৰি পেলালে। লাহে লাহে বতাহ বব ধৰিলে। সৰ্ব্বশেষত ধুমুহাৰে সৈতে অতিপাত বৰষুণ আহিল। বায়ু আৰু বৰুণৰ দোৰ্দোৰ সমৰ লাগিল। ইন্দ্ৰয়ো সহকৰ্ম্মী বৰুণৰ ফলীয়া হৈ মাজে মাজে বজ্ৰ-অস্ত্ৰ নিক্ষেপ কৰিবলৈ ধৰিলে। প্ৰকৃতিয়ে ভয়ঙ্কৰী মূৰ্ত্তি ধৰি আমাক গ্ৰাসিবলৈ যেন অগ্ৰসৰ হল। বাবা ব্ৰহ্মপুত্ৰয়ো নিজৰ বুকুখন থিৰে ৰাখিব নোৱাৰি অস্থিৰভাৱে কঁপিবলৈ ধৰিলে। ঘোৰ উত্তাল তৰঙ্গই নাও অস্থিৰ কৰি তুলিলে, তৰঙ্গৰ ঘাত-প্ৰতিঘাতত জোলোকে জোলোকে পানী খাব ধৰিলে। কালান্তক কালে যেন তাণ্ডৱ নৃত্য কৰি আমাক গ্ৰাসিবলৈ আগবাঢ়িলে। ভয়ত নাৱৰীয়াহঁতৰো বুকু কঁপিল। সিহঁতে যথা-শক্তি দাঁৰ-বঠা মাৰিলে। কিন্তু পাৰ দেখি নোপোৱাত বাট পোনাব নোৱাৰিলে। শেষত বৰষুণত তিতি তিতি সিহঁতে আৰু নোৱাৰা হল।

"চলি থকা অৱস্থাত ঢৌৱে নাৱৰ ওপৰত সিমান বল কৰিব পৰা নাছিল। বাবা ব্ৰহ্মপুত্ৰয়ো অনেকবাৰ নাৱৰ লগত যুঁজি বাৰে বাৰে হাৰি বৰ ক্ষুণ্ণ আৰু ক্ৰোধান্বিতও হৈছিল। এতিয়া ছল পাই বল কৰিব ধৰিলে। ক্ৰমে পানী বেছিকৈ সোমোৱাত নাৱো বোজাই হব ধৰিলে। মই মোৰ পোনাক সাৱটি ধৰি আছোঁ ওপৰত ছাতি এটা তৰি লৈ। মোৰ স্বামীয়ে নাৱৰপৰা টকা-পইছাৰ 'বেগটো' মাত্ৰ ৰাখি সকলো বস্তু এটি এটিকৈ নিক্ষেপ কৰিলে ব্ৰহ্মপুত্ৰৰ গ্ৰাসত, জানোচা ক্ষোভ নিবৃত্তি কৰি তুষ্ট হয়েই। আটাই কেউটি প্ৰাণীয়ে একমনে ঈশ্বৰক প্ৰাৰ্থনা কৰিব ধৰিলোঁ। একোতে একো নহল। শেষত আমি ৰৰকৈ কান্দিলোঁ। আমাৰ কান্দোনত জলচৰবিলাকেও কিজানি নেকান্দি থাকিব পৰা নাছিল। কিন্তু সেই কান্দোনতো কোমল-হৃদয় ব্ৰহ্মপুত্ৰৰ বুকুতো দয়াৰ সঞ্চাৰ নহল। আটাই কেউটিয়ে আগন্তুক মৃত্যুলৈ অপেক্ষা কৰি আছোঁ। মোৰ পোনাক মই বোকোচাত বান্ধি ললোঁ। শেষত ব্ৰহ্মপুত্ৰ বাবাই আমাৰ নাওখনে সৈতে আটাই কেউটি প্ৰাণীকে নিজৰ কোলাত চপাই ললে। মোৰ পোনাক পিঠিত লৈয়ে মই সাঁতুৰিবলৈ ধৰিলোঁ। নাওখন তল গ'ল। এটাৰ পাছত এটাকৈ ঢৌৰ ওপৰত ঢৌ উঠিয়ে আছে। আমাৰ জীৱ কেউটা লৈ ব্ৰহ্মপুত্ৰই লীলা-খেলা কৰিব ধৰিলে। অন্ধকাৰত কেৱে পাৰ মণিব নোৱাৰিলোঁ। কোন কেনি গ'ল ঠিকনা নহল। পৰস্পৰ এৰা-এৰি হৈ পৰমেশ্বৰক ৰৰকৈ খাটিলোঁ, স্বামী দেৱতাকো ৰৰকৈ মাতিলোঁ। কিন্তু ঈশ্বৰো কৰুণা নহল, আৰু মোৰ দেৱতা—যি এদিন মোক দিহিঙত উদ্ধাৰ কৰিছিল—তেওঁও আজি মোক অৱলম্বনহীন কৰি ব্ৰহ্মপুত্ৰৰ বুকুত মেলি দিলে। ইফালে সিফালে চাই কাকো কতো নেদেখিলোঁ। সাঁতুৰি সাঁতুৰি ভাগৰিলোঁ। নাকে-মুখে ৰৰকৈ পানী সোমাব ধৰিলে। শেষত সংজ্ঞাহীন হ'লো।

(৮)

"যেতিয়া মই অলপ জ্ঞান পাই চকু মেলি চালোঁ, তেতিয়া দেখিলোঁ, মোক বহুত মানুহে আগুৰি ধৰি শুশ্ৰূষা কৰিছে; ওচৰতে সেই বঙালী ভদ্ৰলোকজনো সংজ্ঞাহীন হৈ পৰি আছে। আমাক ব্ৰহ্মপুত্ৰৰ পাৰতে এটা ঘৰত ৰাখিছে। তেতিয়া বতাহ-বৰষুণ আৰু ব্ৰহ্মপুত্ৰয়া শাম কাটিছে। প্ৰকৃতিৰ সেই ভয়ঙ্কৰ মূৰ্ত্তি আৰু নাই। গোটেই আকাশে স্বাভাৱিক নীল বৰ্ণ ধৰিছে। সূৰ্য্যদেৱেও মূৰৰ ওপৰত সম্পূৰ্ণ প্ৰভাৱ বিস্তাৰি আমাৰ দুৰ্গতিত ৰংমনে হাঁহিছে। ভাবিলোঁ—আমালৈ প্ৰকৃতিৰ বৰ ক্ৰোধ হৈছিল, নাইবা মোৰেই কিবা পাপৰ প্ৰায়-শ্চিত্তৰ কাৰণে সেই ব্যাঘাত মিলিছিল। মই বলেৰে মূৰটো দাঙি সেই জনতালৈ চাই সুধিলো,—"মোৰ স্বামী ক'ত? মোৰ জীৱন-সৰ্ব্বস্ব ক'ত? মোৰ বুকুৰ মণি ক'ত? মোৰ আই ক'ত?" কাৰো মুখত মাত নাই। বুজিলো মোক এৰি থৈ সকলো পলাল। কান্দি কান্দি পুনৰ অচেতন হ লো।

"প্ৰায় দুঘণ্টা মানৰ মূৰত ভালদৰে সুস্থ হলোঁ। সেই সময়ত মোৰ মনৰ অৱস্থা কেনে হৈছিল, আজি মই তোমাক বুজাব নোৱাৰোঁ; তুমি বুজিবও নোৱা-ৰিবা। একেই তুমি পুৰুষ, তাতে আকৌ সন্ন্যাসী। আজি মোৰ সেই শোকৰ উদ্ৰেক হৈছে। সেই সময়ত ভদ্ৰলোকজনো ভালমতে সুস্থ হৈছিল আৰু তেওঁ কাপোৰ-কানি ভালদৰে সলাই লৈছিল। মোকো অচেতন অৱস্থাতে কোনোবাই কাপোৰ সলাই দিছিল। মই ইফাল সিফাল চাই আৰু কোনো পৰিচিত লোক নেদেখিলোঁ। বৰ ব্যাকুল হৈ কান্দিবলৈ ধৰিলোঁ। লাজত বাবেৰ বাবুকো কোনো কথা সুধিব নোৱাৰিলোঁ। কাৰণ কোনো দিনে তেওঁৰ লগত কথা কৈ পোৱা নাই। তেওঁ নিজেই মোক নানা কথা কৈ বুজনি দিব ধৰিলে।

"হঠাতে আমাৰ নাৱৰীয়া এটাই মোৰ ল'ৰাটো কান্ধত পেলাই লৈ আহিছে। চকু দুটি মুদা থকাত টোপনি অহা বুলি ভাবিছিলোঁ। তেতিয়াই মই সেই মানুহটোৰ হাতৰপৰা মোৰ বুকুৰ কলিজাক আজুৰি আনিলোঁ। কিন্তু যি দেখিলো তাত মোৰ চকু থৰ হল।" (ডালিমীৰ দুগালে দুটোপা চকুলো বৈ মাটিত পৰিল।) মই বেজাৰত দুৰাওৰাৰে কান্দি পেলালো। মোৰ বুকুৰ মণিৰ দেহ-পিঞ্জৰত আৰু জীৱ-পক্ষী নাই, কেতিয়াবাই ওলাই পত্ৰং দিছে। সেই মানুহটোৰ পৰা আৰু জানিব পাৰিলো—মোৰ হৃদয়-দেৱতা স্বামী, আৰু মোৰ জন্মদাত্ৰী মাতৃ আৰু ইহ জগতত নাই। তাৰ লগত মানুহটোকো ব্ৰহ্মপুত্ৰই গ্ৰাস কৰিছে।





মই ধৈৰ্য্যচ্যুত হৈ বাউলীৰ নিচিনা হলো। শেষত মোকো গ্ৰাস কৰোক বুলি মৰা সন্তানটোক বুকুত লৈ ব্ৰহ্মপুত্ৰৰ পাৰলৈ আহিলো। পানীলৈ জাপ্ মাৰো মাৰো, এনেতে সেই ভদ্ৰলোকজনে মোক খপিয়াই ধৰিলে। তেওঁ মোৰ অভিপ্ৰায় বুজি মোৰ পাছে পাছে আহিছিল। মই বৰ কেৰোৎকেৰো কৰিলোঁ কিন্তু তেওঁ আৰু লগৰ মানুহ কেজনে মোক বলকৈ ধৰি লৈ আহিল। মোৰ বুকুৰপৰা মৰা শ টো আজুৰি নি কোনে ক'ত কি কৰিলে কব নোৱাৰিলোঁ।

'লাহে লাহে গধূলি হ'ল, ভদ্ৰলোকজনে মোক অনেক প্ৰকাৰে বুজালে। আজি তোমাৰে দৰে তেওঁ সিদিনা মোক আত্মহত্যাৰপৰা বিৰত হবলৈ অনেক বুজাইছিল। শেষত তেওঁ মোক তেওঁৰ দোকানলৈ লৈ গ'ল। তেওঁৰ দোকানৰপৰায়ে মোৰ স্বামী দেৱতাই তৈয়াৰ কৰা ঘৰ-বাৰী দেখুৱালে। দূৰৰপৰা দেখিয়ে বুজিলোঁ, ঘৰ বৰ ধুনীয়াকৈ সজাইছিল। মোৰ আৰু সেই ঘৰলৈ যাবৰ সত নগল। তেওঁকো সেই দৰেই কলোঁ। ৰাতিলৈ তেওঁৰ ঘৰতে থাকিলোঁ। তেওঁ সপৰিবাৰে তাত আছিল। তেওঁ যদিও অসমীয়া কথা ভালদৰে কব পাৰিছিল, কিন্তু তেওঁৰ ঘৈণীয়েক আৰু সৰু-সৰু ল'ৰা-ছোৱালী কেইটাই অসমীয়া কবও নোৱাৰিছিল আৰু মোৰ কথা ভালদৰে বুজিও নেপাইছিল। সেই কাৰণে মোৰ তাত থাকি বৰ ভাল নেলাগিছিল। মই এক সপ্তাহ জলগ্ৰহণৰ বাহিৰে একো আহাৰ কৰা নাছিলোঁ। মোৰ শাৰীৰিক অৱস্থা অতি শোচনীয় হৈছিল। তেওঁ মোক সদায় মোৰ অভিপ্ৰায়ৰ কথা সুধিছিল। মই কোনো উত্তৰ দিব নোৱাৰিছিলো। আৰু মোৰ জীৱনৰ লক্ষ্যও থিৰ কৰিব পৰা নাছিলো। প্ৰায় এমাহ মান তেওঁৰ তাতেই এসাজ এৰি এসাজ খাই থাকিলো। বৰ আমনি লাগিল। ভাবিলো, লোকৰ কলগ্ৰহ হৈ থকাতকৈ যদি পূৰ্ব্বকালৰ ঋষি-মুনিসকলৰ দৰে কাৰবাত কিবা আশ্ৰম পালো হয়, তেন্তে তাতেই সংসাৰৰ ভোগবিলাস পৰিত্যাগ কৰি জীৱনৰ বাকী ডোখৰ কাল কটালো হয়। এদিন তেওঁত

সেই ৰূপেই মোৰ অভিপ্ৰায় জনালো। যেতিয়া তেওঁ মোৰ ঘৰ-বাৰীৰ ব্যৱস্থা কি হব সুধিলে। মই তেওঁৰ ইচ্ছামতেই কোনো এটা সত্ উদ্দেশ্যত লগাবলৈ কলো। শেষত তেওঁ ছহেজাৰ টকা মূল্যত পলাশবাৰী আৰু গুৱালকুছি দুয়ো ঠাইৰে ঘৰ-মাটি কিনি লবৰ ঠিক কৰিলে। তাৰে দেৰ হেজাৰ টকাৰে মোৰ স্বামীৰ জন্মভূমি ডিব্ৰুগড়ত এটা ‘শৰাই ঘৰ” সাজি দিবৰ প্ৰতিশ্ৰুতি দিলে। আমাৰ সম্বন্ধে কোনো কথায়ে তেওঁৰ অজ্ঞাত নাছিল। ডিব্ৰুগড় যে মোৰ স্বামীৰ জন্মভূমি তাক তেওঁ জানিছিল। বাকী ৫০০ টকা ইয়াৰে অনাথ আশ্ৰমত দান কৰি মোক ইয়াতে ৰাখি যায়।

( ৯ )

ইয়াত থাকিবৰ আজি প্ৰায় চাৰি বছৰ হ'ল। লিখা-পঢ়াতো যথেষ্ট জ্ঞান হল। প্ৰথমতে ইয়াৰ অধ্যক্ষসকলে মোক বৰ মৰম কৰিছিল। সিবিলাকৰ মনত কি আছিল মই নেজানোঁ। সেই আশ্ৰমত যুৱতী অনাথাসকলৰ নিমিত্তে প্ৰত্যেকৰে সুকীয়া কুঠৰী আছিল। প্ৰত্যেককে এজন মাষ্টৰে নিতৌ দুঘণ্টা মানকৈ পঢ়ুৱাই যায়। আমাক যি জনে পঢ়ুৱাইছিল তেওঁ এজন কম বয়সৰ ৰূপহ ডেকা। মই তলমূৰকৈ পঢ়ি থাকিলে বা লিখি থাকিলে তেওঁ সদায় অনিমিষনেত্ৰে মোৰ ফাললৈ চাই থাকে। মই মূৰ দাঙিলেই তেওঁ আন-ফালে চকু ঘূৰাই অন্যমনস্কৰ ভাব দেখুৱায়। হৰিণৰ মাংসই তাৰ শত্ৰু হোৱা দৰে মোৰ ৰূপেই মোৰ শত্ৰু হল। যোৱা কালি সেই মোৰ শিক্ষক-গুৰু নৰাধম পশুৱে মোক তলমূৰকৈ লিখি থকা অৱস্থাত মোৰ গাত হাত দিব খুজিছিল। তাৰ গতি-বিধি লক্ষ্য কৰি মই পূৰ্ব্বৰপায়ে সতৰ্ক হৈ আছিলোঁ। মই তুৰন্তে আজোৰ মাৰি নৰ-পিশাচৰ হাতৰপৰা মুকলি হৈ এজনী অনাথিনীৰ ওচৰ পালোঁ। কিন্তু সেইজনীক কোনো কথা ভাঙি নকলোঁ। বোধকৰোঁ তাই মোৰ অৱস্থা দেখি কিবা আভাস পাইছিল; পিছে মোৰ আশয় নেপাই একো সুসুধিলে। মোৰ আৰু তাত নিমেষ মাত্ৰও থাকিবৰ ইচ্ছা নাইকিয়া হল। লাজত কোনো কথা কাকো নেভাঙিলোঁ। মনতে থিৰ কৰিলোঁ আজি নিশাটো কোনো মতে ইয়াতে কটাই পুৱাই কোনো ক্ষেত্ৰস্থানলৈ গতি কৰিম।

"আজি চাৰি বছৰ মই এই আশ্ৰমত কটালোঁ; কিন্তু কোনো এৰাতি মোৰ এনেকৈ যোৱা নাই—যি ৰাতি মই স্বামী-পুত্ৰৰ শোকত কান্দি গাৰু তিতিওৱা নাই। মোৰ সেই শোক সদায় তুঁহ জুইৰ দৰে উমাই উমাই আছিল। কুঠাৰে কটা কেচা ঘাৰ দৰে সেই শোকে মোৰ বুকুত এটা বজ্ৰ আঘাত লগাই থৈছিল। সেই স্বামী দেৱতাৰ স্মৃতি সজাগ হৈ উঠিল। উমাই থকা তুঁহ জুই জ্বলি উঠিল। কিন্তু কাকো পুৰিবৰ ইচ্ছাৰে নহয়, মাত্ৰ আগন্তুক ৰাতিলৈ অপেক্ষা কৰি।

'ৰাতি আহিল। কিন্তু আজিৰ সেই কাল নিশাৰ কথা ভাবিলে গোটেই শৰীৰত কাঁইটে ফুটা যেন লাগে। মনঃ বেজাৰত ৰাতি একো খোৱা-বোৱা নকৰাকৈ বিছনাত পৰি নীৰৱে কান্দি আছোঁ. নানা কথা ভাবি থকাত যেতিয়া টোপনি আহিল, তেতিয়া অনেক ৰাতি হৈছে। মই টোপনিত থকাত সেই শিক্ষক বেশধাৰী নৰ-পিশাচ পশুৱে কিবা উপায়ে মোৰ কুঠৰীত প্ৰৱেশ কৰিলে…… …… ।' ডালিমীৰ মুখেদি কান্দোনৰ মাজত স্পষ্ট ধ্বনি এটাৰ বাহিৰে আৰু একো প্ৰকাশ নহল, বাক্‌ৰুদ্ধ কৰি ৰৰকৈ উচুপি উচুপি কান্দিলে। সন্ন্যাসীয়ে কলে,—'আই! মই সকলো কথা বুজিছোঁ; তাৰ পাছত কি হল কোৱা?' ডালেখিনি পৰৰ মূৰত কান্দোন নিচুকি ডালিমীয়ে পুনৰ্ কবলৈ ধৰিলে—

'জ্বলা জুইত ঘিঁউ ঢালি দিলে যেনেকৈ অতিকৈ জ্বলি উঠে, মোৰো জ্বলি থকা স্বামী-স্মৃতি অতিকৈ জ্বলি উঠিল। সেই জুয়ে কাকো পুৰিব নোৱাৰি মোৰ অন্তৰকে পুৰি ছাৰখাৰ কৰিলে। যি মোক কালি দেখিছে সি আজি মোক চিনিব নোৱাৰিব। মই সাৰ পাই আন্ধাৰতো সেই নৰাধমক চিনি পালোঁ। সি সেই মুহূৰ্ত্ততে পলাল। মই বেঙে মুটা গৰুৰ দৰে থকথক্ কৰে কঁপিব ধৰিলোঁ। মুখেদি বাক্য নুফুটিল, ওচৰৰ কাকো মাতিব নোৱাৰিলোঁ। কাকো মাতিবৰ প্ৰবৃত্তিও নহল। বিছনাত পৰি পৰি অস্ফুট ধ্বনিৰে ৰৰকৈ কান্দিলোঁ। মূৰত বজ্ৰ এটা পেলাই দিবলৈ পৰমেশ্বৰক ৰৰকৈ খাটিলোঁ, আই ধৰিত্ৰীকো এই অভাগিনীৰ নিমিত্তে বুকুত এডুখৰি ঠাই দিবলৈ ৰৰকৈ খাটিলোঁ; কিন্তু কাৰো অলপো কৰুণা নহল। বিষ পালে তেতিয়াই পান কৰি অন্তৰ জুৰালোঁ হয়। কিন্তু তাকেই বা পাওঁ ক'ত? একো উপায় নেপাই কান্দি-কান্দিয়ে ৰাতি পুৱালোঁ। ৰাতিয়ে তাৰ পৰা বাহিৰ হবৰ ইচ্ছা আছিল। আশ্ৰমৰ ঘাই দুৱাৰত পহৰা থকাৰ কাৰণে বাহিৰ নহলোঁ। অতি দোক্-মোকালিতে কাকো একো নোকোৱাকৈ আশ্ৰমৰ বাহিৰ হলোঁ—এই মলিন বেশেৰে। উদ্দেশ্য ভাগীৰথীক জীৱন সমৰ্পণ কৰি যত মোৰ স্বামী দেৱতা লয় পাইছিল, তাতে লয় গৈ স্বামীৰ সমীপত উপস্থিত হোৱা। কিন্তু কোনো দিনে মই আশ্ৰমৰ বাহিৰ হৈ নগৰৰ আলিত ভৰি দিয়া নাই। বাৰেন্দ্ৰ বাবুৱে চাৰি বছৰ আগতে যেতিয়া মোক এই আশ্ৰমত আনি থয়, তেতিয়া মাত্ৰ মই ষ্টেশ্যনৰপৰা ঘোঁৰা গাড়ীত উঠি আশ্ৰমলৈ যাওঁতে বাটত এই কলিকতা নগৰীৰ ঘৰ-বাৰী, আলি-পদূলি দেখি গৈছিলোঁ।

"মই এই মলিয়ন বেশ লোৱাৰো কাৰণ আছে। পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিচ্ছদ হ'লে কি জানি আকৌ কোনো দুৰ্বৃত্তৰ চকুত পৰোঁ, আৰু সেইদৰে পুনৰ যে লাঞ্ছিতা নহম, তাৰেই বা কি নিশ্চয়তা আছে? এইদৰেই মই লোক চকুৰ আঁতৰ হবলৈ প্ৰাণপণ চেষ্টা কৰি ঘূৰি ফুৰিছোঁ। মোৰ ৰূপেই মোৰ শত্ৰু হৈ মোক পিছে পিছে খেদি সমাজৰ বাহিৰ কৰিলে। আজিৰ দিনৰ দিনটো ঘূৰি কোনোমতে বাহিৰ হৈ এই নিৰ্জ্জনত ক্ষন্তেক নীৰৱে বহি কৰ্ত্তব্য স্থিৰ কৰিছিলোঁ আৰু তাত প্ৰবৃত্তও হৈছিলোঁ। কিন্তু তুমিয়েই প্ৰতিবন্ধক হৈ মোৰ লক্ষ্য ভ্ৰষ্ট কৰিলা। এতিয়া কোৱাঁচোন সন্ন্যাসী! মোৰ জীৱনত আৰু কিবা কাম আছেনে?"

সন্ন্যাসীয়ে বহুত পৰ নিতাল মাৰি থাকি শেষত বৰ দীঘলকৈ এটা হুমুনিয়াহ কাঢ়ি কবলৈ ধৰিলে,—"নিশ্চয় আছে। ঈশ্বৰৰ ইচ্ছা নহয় যে তুমি এতিয়াই মৰা। তোমাৰ কিছুমান কাম এতিয়াও অসম্পূৰ্ণ আছে। আৰু মৰো বুলিয়েই বা তুমি কেনেকৈ মৰিবা? জীৱন তো তোমাৰ নিজৰ নহয় যে যেতিয়াই ইচ্ছা তেতিয়াই তাক তুমি নষ্ট কৰিবা। সি যে ঈশ্বৰৰ সম্পত্তি, ঈশ্বৰে যেতিয়া আৱশ্যক বোধ কৰে তেতিয়াহে নিব। মৃত্যু তোমাৰ স্বেচ্ছাধীন নহয়। সি যি হওক, তুমি যে ৰমণী কুলৰ গৌৰৱ, সতীৰ আদৰ্শ তাত তিলমানো সন্দেহ নাই। এতিয়া তোমাৰ সন্মুখত যি মহৎ কাৰ্য্য তোমাৰ নিমিত্তে অপেক্ষা কৰি আছে, তাত লাগি যোৱাহি। এতিয়া ৰাতিও অনেক হল, তিতা কাপোৰে থাকি থাকি তুমি কষ্টও পাইছা; মোৰ কুটীৰলৈ যাওঁ আহা।"

'তোমাৰ পৰিচয়?"

'মোৰ পৰিচয়? মই সন্ন্যাসী।"

"ইয়াক পৰিচয় নোবোলে।"

"তেন্তে বুজা, ময়েই এসময়ত তোমাৰ জীৱনৰ জন্মদাতা আছিলোঁ।"

পুতেকৰ লগত বাপেকৰ মুখৰ আকৃতিৰ আৰু কথাৰ উচ্চাৰণৰ বহুত সাদৃশ্য আছিল। আগৰপৰাই ডালিমীৰ তেনে কিবা অলপ সন্দেহ হৈছিল। সন্ন্যাসীয়ে সেইদৰে কোৱা মাত্ৰেই ডালিমীয়ে তেওঁৰ ভৰিত ঘপহকৰে পৰি 'পিতা' 'পিতা' বুলি কান্দিবলৈ ধৰিলে। সাত বছৰীয়াকৈ সংযম শিকা ধৰণী ৰকৰাৰ চকুৰ পানীয়ে বাধা নামানিলে সি গিৰ্‌গিৰকৰে ডালিমীৰ গাত পৰিল। ডালিমীয়ে মূৰ দাঙি চাই কব ধৰিলে,—"পিতা তোমাত আৰু আশঙ্কা কি? তুমি সংসাৰী হৈও সন্ন্যাসী, সন্ন্যাসী হৈও সংসাৰী। ইমানতো যেতিয়া তোমাৰ মন নটলিল, তুমিয়েই সংসাৰক জিনিলা। আজিৰ পৰা তুমি মোৰ পিতা, মই তোমাৰ জীয়েৰ। তোমাৰ আদেশ শিৰোধাৰ্য্য। তুমি যি কৰিবলৈ কোৱা, মই তাকে কৰিম। ময়ো যাতে সংযম-অস্ত্ৰ শিক্ষা কৰি সংসাৰ-ৰিপুক জয় কৰিব পাৰোঁ তাৰে শিক্ষা দিয়া।"

• • •

সন্ন্যাসীৰ আশ্ৰমখন অতি সৰু কিন্তু বৰ মনোৰম

আছিল। ঠাই ডোখৰো বৰ নিৰ্জ্জন। এখন শ্মশানৰ কাষত, আৰু মানুহৰ বসতিৰপৰা কিছু নিলগত। চন্দ্ৰ-কিৰণত জিলিকি আশ্ৰমখনে নন্দন কাননৰ শোভা ধৰিছিল। সন্ন্যাসীয়ে তাৰ নামকৰণ কৰিছিল—'শান্তি কুঞ্জ।' তাকে দেখি ডালিমীৰ দুখৰ মাজতো অলপ সুখে ভুমুকিয়ালে, নিৰাশাৰ মাজতো আশাৰ সঞ্চাৰ হ'ল, অশান্তিতো শান্তিৰ পোহৰ দেখিলে। মনতে কলে—"এয়ে মোৰ পবিত্ৰ ক্ষেত্ৰস্থান।"

শ্ৰীভগবানচন্দ্ৰ দাস

---

# অসম প্ৰাদেশিক হিন্দু মহাসভা

## পূজ্যপাদ শ্ৰীশ্ৰীগড়মূড়ীয় গোস্বামীৰ অভিভাষণ

(৮ম সংখ্যাৰ পিছৰপৰা)

কিন্তু মহাপুৰুষৰ সকলো কাৰ্য্যৰ ভিতৰত অতি প্ৰশংসাৰ কাৰ্য্য এইটো বুলিব পাৰি যে অসম প্ৰদেশবাসীৰ ভৱিষ্যৎ মঙ্গলৰ অৰ্থে, সমাজৰ সুশৃঙ্খলা ৰক্ষাৰ অৰ্থে, সমাজ সংৰক্ষকৰূপে তেখেতসকলে বহুত ধৰ্ম্মাচাৰ্য্য প্ৰতিষ্ঠা কৰি গৈছিল। সেই মহাপুৰুষসকলে সম্ভৱতঃ ভাবিছিল যে সাধাৰণ লোকসকলক যি দৰে আধ্যাত্মিক জ্ঞান উপদেশ দিয়া হৈছে সেই জ্ঞান কিছুকালৰ পাছত মানুহে পাহৰিব পাৰে বা লোকসকলৰ পৰিবৰ্ত্তনৰ লগে লগে বিকৃত হব পাৰে; আৰু সমাজৰ মঙ্গলৰ হকে যিবোৰ নিয়মৰ বান্ধনি দিয়া, হৈছে সেই বান্ধনিবিলাকে কালক্ৰমে ঢিলা হৈ সমাজ আৰু ধৰ্ম্ম ধ্বংস হব পাৰে। এইবিলাক অভাৱ দূৰ কৰিবৰ নিমিত্তে সমাজৰ সেৱকৰূপে এদল নিস্বাৰ্থ সেৱক স্থায়ীৰূপে নিযুক্ত কৰি যোৱা যুগুত বুলি ভাবি সমগ্ৰ দেশত এটকা মহন্ত অৰ্থাৎ এটকা কাপত যিমান কড়ি পায় সিমান সংখ্যক ধৰ্ম্মাচাৰ্য্য স্থাপন কৰি গৈছিল। সেই মহন্তসকলৰ কৰ্ত্তব্য এই প্ৰকাৰে নিৰ্দ্দিষ্ট হৈছিল যে তেওঁলোকে সম্পূৰ্ণ সাত্ত্বিক ভাৱত বেদ-বিহিত কৰ্ম্ম কৰি আৰু ঈশ্বৰ উপাসনা কৰি, নিস্বাৰ্থভাৱে সকলো হিন্দুকে জ্ঞান ভক্তি উপদেশ দি নিজৰ কৰ্ত্তব্য পালন কৰিব। এই প্ৰকাৰে নিস্বাৰ্থভাৱে কাম কৰি যাওঁতে দেশবাসীয়ে ভক্তি আৰু দয়াৰে যি দানৰ অন্নবস্ত্ৰ আদি দিব, তাৰেই জীৱিকা নিৰ্ব্বাহ কৰিব। কিন্তু ভিক্ষা কৰি পেট প্ৰবৰ্ত্তোৱাটোৱেই তেওঁলোকৰ প্ৰধান উদ্দেশ্য নহব। যথাৰ্থ উদ্দেশ্য এইটোহে হব যে, নিজে বিলাস, ব্যসন আদি ইন্দ্ৰিয়ৰ ভোগ-লালসাশূন্য নিৰ্ম্মল আৰু আদৰ্শ জীৱন যাপন কৰি লোকসকলক ধৰ্ম্ম উপদেশ দি আৰু সমাজৰ বিশৃঙ্খলতা দূৰ কৰি, স্থায়ীৰূপে সমাজ সংৰক্ষণৰ উপায় কৰা। সেই মহা পুৰুষসকলৰ আদৰ্শ মতেই অসমৰ ধৰ্ম্ম গুৰুসকলে কিছুকাল অসমত সমাজ-সেৱা কাৰ্য্য চলাই আহিছিল। সেই নিমিত্তেই অসমৰ আপামৰ জনসাধাৰণে গুৰুসকলৰ প্ৰতি এটা প্ৰগাঢ় ভক্তি আৰু বিশ্বাস স্থাপন কৰি আহিছে। আজি তিনি চাৰি শ বছৰেও সেই ভক্তি কমা নাই। আজিও অসমীয়া হিন্দুৱে গুৰুৰ হকে অনেক ত্যজ্যাত্যজ্য স্বাৰ্থ ত্যাগ কৰি আহিব লাগিছে। আজিও অসমীয়া হিন্দুৱে ৰাজশক্তিতকৈও গুৰুৰ প্ৰতি অধিক ভয় কৰে। ৰজাৰ প্ৰতি ভয়ৰ প্ৰধান কাৰণ হৈছে ৰাজকীয় সেনাবল, কিন্তু গুৰুলৈ যিটো ভয় সেই ভয় ভক্তি-প্ৰসূত। আজিলৈকো অসমীয়া হিন্দু জন-সাধাৰণৰ ওপৰত গুৰুসকলৰ যি অসাধাৰণ আধিপত্য চলি আছে তাৰ তুলনা নাই। আজি অসমীয়া হিন্দু প্ৰজাক ধৰ্ম্মাচাৰ্য্যসকলে যেনে পথে পৰিচালনা কৰিব খোজে, তেনে পথে চলাব পাৰে। আজি যদি ধৰ্ম্ম গুৰুসকলে ইচ্ছা কৰোঁইক, তেনেহলে অসমীয়া হিন্দুক উন্নতিৰ উচ্চ শিখৰত তুলিব পাৰোঁইক।

### তেতিয়া আৰু এতিয়া

আজি আৰু অসম দেশৰ সেই অৱস্থা নাই। অসম দেশত আগৰ দৰে অসংখ্য উৰ্ব্বৰা পতিত মাটি আৰু নাই। যি অসংখ্য মাটি আছিল আজি অসংখ্য বিদেশী লোকে সেই মাটিৰ অধিকাংশ অধিকাৰ কৰিলে। আজি শতকৰা ৩৫ ভাগ আবাদী মাটি অসমীয়াৰ ভাগত পৰিছে কিন্তু প্ৰবাসী বিদেশীসকলৰ ভাগত ৬৫ ভাগ পৰিছে অসম গোটেইখন চাহ-বাগিচাৰে ভৰিল, কিন্তু চাহ বাগিচাত খটা মূলধনৰ শতকৰা ৯৮ টকা বিদেশীৰ, শতকৰা দুটকাহে অসমীয়াৰ মূলধন আৰু সেইদৰে শতকৰা দুখনমানহে বাগিচা অসমীয়াৰ। পূৰ্ব্বে অসমীয়া প্ৰজা পৰিশ্ৰমী আছিল, কিন্তু আজিকালি অসমীয়া বৰ এলেহুৱা হ'ল। গতিকে আজি বিদেশীৰ লগত প্ৰতিযোগিতা কৰিব লগা হোৱাত প্ৰত্যেক বিষয়ত পাচ হুঁহকি উভতোঁতা বিপদাপন্ন হব লাগিছে। আজিকালি অসমীয়াই প্ৰকৃতিজাত বন্য বস্তু অবাধে ভোগ কৰিব নোৱাৰে। গৱৰ্ণমেণ্টৰ জঙ্গলী আইন মতে প্ৰায় বস্তুতে টেক্স হাৰা বাবে স্বাধীনভাৱে কোনো বস্তু ভোগ কৰিবলৈ নাপায়। অসম দেশৰ নানা ঠাইত নানা খনিজ বস্তু বিদ্যমান থকাতো, অসমীয়াৰ অজ্ঞতা আৰু একতাৰ অভাৱত তাৰ কোনো সুফল অসমীয়াই ভোগ কৰিবলৈ নাপায়! কিন্তু বিদেশী বেপাৰীসকলে লক্ষ লক্ষ টকা খৰছ কৰি তাৰ পৰা কোটি কোটি টকা উপাৰ্জ্জন কৰি নিছে। আজি অসমৰ সকলো সৌন্দৰ্য্য, সকলো সৌভাগ্য, প্ৰবাসীয়ে ভোগ কৰিছে, কিন্তু অসমীয়াই কেৱল অনভিজ্ঞতা, অসামৰ্থ্য আৰু অযোগ্যতা লৈ নিজ দেশতে পৰবাসী হৈ কোনোমতে জীৱন ধাৰণ কৰি আছে। অসমত পূৰ্ব্বে শাস্ত্ৰচৰ্চ্চা যদিও যথেষ্টৰূপে আছিল, আজি তাৰ অৱস্থা অতি শোচনীয়। ব্ৰাহ্মণ সমাজত বেদৰ চৰ্চ্চা হোৱা দূৰৰ কথা সাধাৰণ সংস্কৃতৰ জ্ঞানেই লোপ হোৱাৰ নিচিনা। আজি অসমৰ ব্ৰাহ্মণৰ ল'ৰা শত শত জনে ইংলিশ্ স্কুলত পঢ়িবলৈ লৰ দিছে, সংস্কৃত পঢ়িলে জীৱিকা নচলে বুলি সকলেৱেই সংস্কৃতলৈ পিঠি দিছে। যিবিলাকে ইংলিশ্ স্কুলতো কোনো বিদ্যা আৰ্জ্জিব নোৱাৰি চাহ-বাগিচাৰ সাধাৰণ ১০।১৫ টকীয়া বেতনৰ মহৰি কামো কৰিব নোৱাৰে, সেইবিলাক মূৰ্খই পৌৰোহিত্য কৰিবলৈ আহে, সুতৰাং শাস্ত্ৰ-জ্ঞান-শূন্য মূৰ্খ পুৰোহিতে কৰা কৰ্ম্মৰ শেষ পৰিণতি যেনে হব পাৰে তেনেকুৱাই হয়। তথাপি অসমীয়া হিন্দুৰ প্ৰায় কাৰো ইয়ালৈ ভ্ৰূক্ষেপ নাই যে তেওঁলোকৰ পুৰোহিতখিনিক শাস্ত্ৰজ্ঞ কৰি লব লাগে, নহলে তেওঁলোকৰ বৈদিক কৰ্ম্ম নষ্ট হৈছে।

যি অসমৰ সন্তানবিলাক এদিন জগতৰ শ্ৰেষ্ঠ বীৰ বুলি গণ্য হব পৰা আছিল, আজি সেই অসমীয়া সন্তানবিলাকক একমাত্ৰ ভীৰু কাপুৰুষ নামৰ বাজে অন্য নামৰ যোগ্য বুলিব নোৱাৰাত পৰিছে। জন্মভূমিৰ স্বাধীনতা ৰক্ষা কৰা দূৰৰ কথা, আজি অসমীয়া প্ৰজাই সঙ্কটত পলাই প্ৰাণ ৰক্ষা কৰাৰ বাজে অন্য কিবা সদুপায় আছে বুলি স্বীকাৰ নকৰাত পৰিছে। যি দেশৰ তিৰোতাই পূৰ্ব্বে ঘোঁৰাত উঠি হাতত তৰোৱাল লৈ যুদ্ধ কৰি সমুখ যুদ্ধত প্ৰাণ দিব পাৰিছিল, আজি সেই অসমীয়া তিৰোতাই মানুহৰ আগত মুখ উলিয়াবলৈকো ভয় কৰে। যি দেশৰ তিৰোতাই ঘোঁৰাত উঠি অশ্বাৰোহী সেনাৰ নেতৃত্ব কৰি খেদি গৈ মোগল বাহিনী আক্ৰমণ কৰি শত শত মোগল সেনা নিপাত কৰিছিল আৰু নিজেও প্ৰাণ দিছিল, আজি সেই দেশৰ তিৰোতা নালাগে, ডেকাসকলৰো যুদ্ধৰ নাম শুনিলে ঘৰৰ ভিতৰতে কঁপনি উঠি হৃৎ-যন্ত্ৰৰ ক্ৰিয়া বন্ধ হব পাৰে। যি আহোম যুৱক বীৰ সেনাপতি লাচিত বৰফুকনে নিজ জন্মভূমিৰ হকে নিজৰ মোমায়েকৰ শিৰশ্চেদ কৰিছিল সেই দেশৰ ডেকাসকলৰ ভিতৰত আজি বোধকৰোঁ শত শত জন ওলাব যিবোৰে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰাবৰ নিমিত্তে দেশৰ পৰম হিতৈষী নেতাসকলকো হত্যা বা অপমান কৰিবলৈ অলপো পাছ ভৰি নকৰিব। অসমীয়া সমাজ সংস্কাৰ কৰিবলৈ আৰু মাদক দ্ৰব্যৰ ব্যৱহাৰ ৰোধ কৰিবলৈ আজি আঠ বছৰ অকলৈ কিমান যত্ন কৰি ফুৰিছোঁ, তথাপি গোটেই প্ৰদেশৰ ভিতৰতো এনে কামত নিস্বাৰ্থভাৱে ভাগলওঁতা এটিও ডেকা নাপালোঁ। কিন্তু অসমীয়া যুৱকে চাহ-বাগিচাৰ ৭।৮ টকা বা ১০।১২ টকা বেতনৰ চাকৰি পাবলৈ হাৰাশাস্তি কৰি ফুৰা সকলো ঠাইতে দেখা পাব।

### "ঘৃণনীয় ব্যৱহাৰ"

আহোম বংশই পূৰ্ব্ব কালত গৰু খাইছিল, কিন্তু

সেই সময়ৰ হিন্দু ধৰ্ম্মাচাৰ্য্যসকলে হিন্দু ধৰ্ম্মত দীক্ষা দি হিন্দু কৰিলে, আৰু আহোম ৰজাৰপৰা অনেক ভূমি সুবৰ্ণ আদি দান লৈ আহোম জাতিক প্ৰিয় শিষ্য কৰি ললে। ইপোনে ৰাজ অনুগ্ৰহ লাভৰ আশাৰে আহোম ৰজাৰ সন্তোষ জন্মাবৰ নিমিত্তে যথাশক্তি ৰাজ-সেৱা কৰিলে। তৎকালিক ধৰ্ম্মাচাৰ্য্যসকলে প্ৰাণপণ যত্নেৰে আহোম ৰজাৰ মনস্তুষ্টি কৰি চলিছিল। ধৰ্ম্মগুৰুসকলৰ চূড়ান্ত সহযোগিতাৰ ফলতে আহোম জাতি সম্পূৰ্ণ হিন্দু হৈ পৰিছিল। সেই আহোমে আজি শত শত বছৰ হিন্দু হৈ আৰু সকলো ধৰ্ম্ম-গুৰুৰপৰা দীক্ষা আদি পাই চলি থকা স্থলতো, আহোমৰ ৰাজ-ক্ষমতা যোৱাৰপৰা সকলো ধৰ্ম্ম-গুৰুৱে আহোমৰ প্ৰতি বিজাতীয় ঘৃণা দেখুৱাবলৈ ধৰিলে; ক্ৰমে ধৰ্ম্মগুৰুসকলৰ আহোম জাতিৰ প্ৰতি অত্যাচাৰৰ মাত্ৰা ইমান তীব্ৰ হল যে আহোমে নাদ চুলে তাৰপৰা ১০৮ কলহ পানী তুলিলেহে সেই নাদৰ পানী অন্যে ব্যৱহাৰ কৰিব পাৰে, আৰু উখুৱা চাউলৰ নাওখনত আহোমৰ কাপোৰ লাগিলেও গোটেই চাউল অপবিত্ৰ হোৱাৰ নিয়ম হ'ল। আজি আহোম সমাজে উচ্চ হিন্দুৰ এনে ঘৃণা ভাব দেখি হৃদয়ত তীব্ৰ আঘাত অনুভৱ কৰিব লাগিছে। কিন্তু আজি কেৱল আহোমকেহে যে এনেদৰে ঘৃণা কৰিছে এনে নহয়। যি কছাৰী জাতিক কিৰাট বুলি কয়, যি কিৰাট জাতি ক্ষত্ৰিয় বুলি অনেক পুৰাণ আৰু মনুসংহিতা আদি স্মৃতিয়ে প্ৰমাণ কৰিছে, সেই কিৰাট জাতিকো ম্লেছ বুলি ভীষণৰূপে ঘৃণা কৰি ক্ৰমে ক্ৰমে কছাৰী জাতিৰ হিন্দু ধৰ্ম্মৰ প্ৰতি বিৰক্তি ভাৱ জন্মিবলৈ সুবিধা দি হাজাৰ হাজাৰ মানুহক খৃষ্টান হবলৈ বাট মোকোলাই দিছে। সুত জাতিৰ প্ৰতিও আজি সকলো গুৰুৱে ভীষণ ঘৃণা কৰিছে। অসমৰ প্ৰায় সকলো গুৰুৱে সুত জাতিক শুদ্ধ বুলি স্বীকাৰ কৰি আৰু লিখি লিখি দিও, ব্যৱহাৰৰ সময়ত ঘৃণা কৰি প্ৰজাৰ অন্তৰত ব্যথা দিছে। কাটনী নামে এটা জাতি আছে, তেওঁলোকে পাট (ৰেশম্) পলু পোহে। অসমত তিনি বিধ ৰেশম কীট আছে, তাৰ নাম পাট, মুগা আৰু এড়ি। তাৰ প্ৰতি বিধেই বেলেগ বেলেগ গছৰ পাত খায়, আৰু অলপ পৃথক ভাৱৰ সূতা তিনিও বিধ পোকে একেটা প্ৰণালীৰেই দিয়ে, আৰু একে প্ৰণালীৰেই ই তিনিও বিধৰপৰা সূতা প্ৰস্তুত কৰে। তাৰে দুবিধ সূতাৰ পোক এড়ি আৰু মুগা, গোঁসাই, ব্ৰাহ্মণ, কায়স্থ সকলো লোকেই পোহে আৰু তাৰপৰা সূতা বাহিৰ কৰে, তাৰ বাবে সেই সকল অপবিত্ৰ নহয়; কিন্তু কাটনী জাতি অপবিত্ৰ, তেওঁলোকৰ পানী খাব নাপায়। অথচ এইবিলাক কথাৰ ভিতৰত কোনো যুক্তিসঙ্গত কাৰণ নাই। সেই প্ৰকাৰে অসম দেশৰ কৈবৰ্ত্ত জাতিকো ভীষণৰূপে ঘৃণা কৰি অত্যাচাৰৰ চৰম নিদৰ্শন দেখুৱাব লাগিছে। এই কৈবৰ্ত্তসকলে মাছ মাৰে ঘাট-বিলৰ আধিপত্য কিনি লয়, ইপোনে ব্ৰাহ্মণাদি সকলো হিন্দুৱেই সেই কৈবৰ্ত্ত জাতিৰপৰা মাছ কিনি খায়, সেই কৈবৰ্ত্ত জাতিৰ সকলো মানুহকে দীক্ষা দিয়ে আৰু বাৰ্ষিক কৰ লয়! তথাপি আজি কৈবৰ্ত্ত জাতি অস্পৃশ্য হৈ আছে। যি মহাপুৰুষ শঙ্কৰদেৱে অসমত বৈদান্তিক ভাৱৰ অনুবৰ্ত্তী বৈষ্ণৱ ধৰ্ম্ম প্ৰবৰ্ত্তাই জাতিগত ভেদ ক্ৰমে লোপ কৰিছিল আৰু যাৰ অন্তৰত ভেদ ভাৱ যিমান ক্ষীণ হয় সেয়েহে বৈষ্ণৱ ধৰ্ম্মত উন্নত হোৱাৰ প্ৰকৃষ্ট নিদৰ্শন বুলি নিৰূপণ কৰিছিল, যি জন মহাপুৰুষে নগা, গাৰো আদি জাতীয় লোককো বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত কৰি সমাজত ধৰ্ম্ম প্ৰবৰ্ত্তাৱৰ নিমিত্তে নিযুক্ত কৰি মহন্ত পাতিছিল, অসমৰ গুৰুসকলে আজি সম্পূৰ্ণৰূপে সেই মহাপুৰুষৰ অনুবৰ্ত্তী হৈও, বৈষ্ণৱ ধৰ্ম্মত দীক্ষা পোৱা আৰু সম্পূৰ্ণৰূপে হিন্দু আচাৰ পালন কৰা শিষ্যসকলক অস্পৃশ্য কৰি থৈ হিন্দু জাতিক হীনবল কৰিব লাগিছে। পূৰ্ব্বে গুৰুৰ পুত্ৰকে গুৰুৰ গাদীত বহুৱাবৰ নিয়ম নাছিল। গুৰু হবলৈ জ্ঞানে চৰিত্ৰই আৰু বুদ্ধিয়ে উপযুক্ত জনকেহে গুৰু পদত বহুৱাইছিল। শঙ্কৰদেৱে তেখেতৰ উপযুক্ত পুত্ৰ থাকোতেও ধৰ্ম্ম গাদীৰ উপযুক্ত নোহোৱা নিমিত্তে তেখেতৰ যোগ্য শিষ্য ৺মাধৱ দেৱকহে গুৰু পদত বহুৱাইছিল। সেই নিয়মেৰে সেই সময়ত আধ্যাত্মিক ভাৱত উপযুক্ত জ্ঞান পোৱা চৰিত্ৰবান লোককহে ধৰ্ম্ম গাদীৰ অধিপতি কৰাৰ নিয়ম আছিল



কিন্তু আজি তাৰ কোনো বিচাৰ নাই। গুৰুৰ পুত্ৰ যিমানেই মূৰ্খ বা পতিত হওক তাকেহে গুৰু পদত বহুৱায়। আমালোক অনেক গুৰু আছোঁহক, যিবোৰে ধৰ্ম্ম কাক বোলে তাক নাজানোঁহক, অনেকৰ বৰ্ণপৰিচয় পৰ্য্যন্ত নাই, তথাপি গুৰুৰ পুত্ৰ গতিকে গুৰুৰ পদত বহিছোঁহক, আৰু অসমৰ মূৰ্খ গাৱঁলীয়া প্ৰজাই এনে বিধৰ গুৰুকে গুৰু মানি, অলীক, মনে পতা জ্ঞান উপদেশ লব লাগিছে।

আমালোক গুৰুসকলে শিষ্যৰ পাৰত্ৰিক মঙ্গল হওক এনে ভাব লৈ শিষ্যক উপদেশ নিদিওঁহক। কি নিয়মেৰে উপাসনা কৰিলেনো শিষ্যৰ আত্মাৰ উৎকৰ্ষ লাভ হয়, আৰু গীতা-ভাগৱত আদি ভক্তি-শাস্ত্ৰবিলাকৰ মত কি আমালোকে একোকে নাজানোঁহক। তথাপি শিষ্যৰপৰা নিজ স্বাৰ্থ পূৰাবৰ ইচ্ছাৰে যেনে তেনে ৰূপে শিষ্যক নিজৰ অধীনত ৰাখি কৰ আদি গ্ৰহণ কৰিবৰ নিমিত্তে নানা ফাঁকিৰে উপদেশ দিওঁহক। কিন্তু আমালোক গুৰুখিনি অযোগ্য হোৱা স্থলতো জনসাধাৰণৰ গুৰুৰ প্ৰতি ভক্তি কমা নাই। সুতৰাং আজি গুৰুসকলে ইচ্ছা কৰিলে অসমীয়া হিন্দু প্ৰজাক যেনিয়েই ইচ্ছা তেনিয়েই অনায়াসে চলাব পাৰে। আজি যদি অসমৰ গুৰুসকলে ইচ্ছা কৰিলেহেতেন, তেনেহলে অসমীয়া হিন্দুৰ সৰ্ব্বাঙ্গীন উন্নতি সাধিব পাৰিলেহেতেন। কিন্তু গুৰুসকলৰ সমাজৰ অৱস্থাৰ প্ৰতি কোনো দৃষ্টি নাই। গত ১৯২০ চনৰে পৰা অসমৰ গুৰুসকলক সঙ্ঘবদ্ধ কৰি সকলো গুৰুৰ সঙ্ঘ শক্তিৰ দ্বাৰা হিন্দু সমাজৰ সৰ্ব্বপ্ৰকাৰ উন্নতি কৰিবলৈ যত্ন কৰিছিলোঁ। আমালোক গুৰু শ্ৰেণীৰ লোক একে ঠাইতে গোট খোৱাৰ প্ৰধান অন্তৰায় পৰস্পৰে পৰস্পৰৰ প্ৰতি সন্মান দিবলৈ অস্বীকাৰ পোৱা। এই সমস্যা সমীধান কৰিবলৈ মই প্ৰথমে মোৰ উচ্চ আসন ত্যাগ কৰিলোঁ আৰু সকলো গুৰুৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰিলোঁ; কিন্তু এইবোৰ কাৰ্য্যই অসমৰ গুৰু সম্প্ৰদায়ৰ ওপৰত কোনো ভাৱৰ প্ৰেৰণা দিব নোৱাৰিলে। বৰঞ্চ মই গুৰুসকলৰ হিত চিন্তিবলৈ আগবঢ়া বাবে মোৰ উদ্দেশ্যৰ ওপৰতহে নানা কলুষিত ভাব আৰোপ কৰা হল, আৰু সমাজত মোৰ প্ৰতিপত্তি লোপ কৰিবলৈ যত্ন কৰা হল। আজি আমালোকে সমাজৰ উন্নতি কৰা দূৰে থাওক, আমালোকৰ স্বাৰ্থপূৰ্ণ কুটিল উপদেশত দেশ আজি তল যাবলৈ ধৰিছে বুলিহে বুজিছোঁ। আমালোকে এনে ভেদভাবমূলক শিক্ষা দিছোঁ যে একে জাতিৰে পিতা-পুত্ৰ, ভাই-ককাইৰ মাজত এজনে আন জনৰ হাতে পানী পৰ্য্যন্ত নোখোৱা ভেদভাব সুমাই দিছোঁ। যি বৈষ্ণৱ ধৰ্ম্মৰ মূলভাৱ হৈছে জগতৰ সকলোৰে লগত সাম্যভাৱ ৰক্ষা কৰি সকলোকে আপোন বুলি ভৱা, সেই বৈষ্ণৱ ধৰ্ম্মৰ ভিতৰত আমালোকে ধাৰণাৰ অতীত ভেদভাৱৰ সৃষ্টি কৰি অসমীয়া হিন্দুক অজ্ঞানৰ অন্ধকুপলৈ টানি নিছোঁহক।

## গো-জাতিৰ দুৰ্দ্দশা

অসম প্ৰদেশৰ গোজাতিৰ যেনে দুৰৱস্থা জগতত বোধকৰোঁ গৰুৰ তেনে দুৰৱস্থা ক'তো নাই। অসমীয়া গৰুৰ অৱস্থা দেখিলে কোনো হৃদয়বান ব্যক্তিয়ে নকন্দাকৈ থাকিব নোৱাৰে। ১৯২৪ কি ২৫ সনত স্বৰ্গীয় মগনলাল গান্ধী অসম প্ৰদেশলৈ আহি গৰুৰ অৱস্থা দেখি এই গৰুৰ গাখীৰ নাখাওঁ বুলি কলে। তেখেতে কলে যে "এইবোৰ গৰুৰ যিবোৰ পোৱালী আছে, সেইবোৰ পোৱালীক বঞ্চিত কৰি প্ৰতি গৰুৱে যি আধাসেৰ একপোৱা গাখীৰ খীৰাই খোৱা হয়, সেই গাখীৰ গাখীৰ নহয়, গৰু-পোৱালীৰ অন্তনাড়ী বাহিৰ কৰি খোৱাৰ নিচিনা"। যদিও অসমীয়া হিন্দুৱে গৰু নামাৰে, তথাপি গৰুৰ প্ৰতি যেনে নিষ্ঠুৰ ব্যৱহাৰ কৰে, সি অতি সাংঘাতিক। অসমীয়া হিন্দুৱে লক্ষ লক্ষ গৰু গো-খাদকক বেচে। সেইবোৰ গৰু অসমৰ ভিতৰত আৰু বাহিৰ পাৰ্ব্বত্য অঞ্চলত গো খাদক জাতিয়ে কাটি কাটি খায়। মিচিমি জাতিয়ে গৰুবিলাক পাল পাতি খেদি নিওঁতে যেতিয়া সিহঁতৰ আহাৰৰ সময় হয়, তেতিয়া সেই জীৱন্ত গৰুৰ ভিতৰৰে এটা গৰুৰ দেহৰপৰা এক খণ্ড মঙহ কাটি লয় আৰু জুইত পুৰি খায়। পাছত সেই গৰু খেদি লৈ যায়। তাৰ পাছত পুনঃ যি সময়ত খাবৰ

ইচ্ছা হয়, তেতিয়া সেই পূর্ব্বোক্ত গৰুবে আৰু এটুকুৰা মঙ্গহ কাটি পায়। এই দৰে নিষ্ঠুৰতাৰ চূড়ান্ত ব্যৱহাৰেৰে গৰু মাৰে। এনে একোখন হাটৰপৰা প্ৰতি বছৰে ১০-১২-১৫ হাজাৰ পৰ্য্যন্ত গৰু নগাৰ গাঁৱলৈ যায়। দেশৰ ভিতৰত থকা কছাইখানাবিলাকত যে কিমান গৰু হত্যা হব লাগিছে, তাৰ সংখ্যা কোনে পায়? আজি অসম দেশৰ গুৰুসকলে ইচ্ছা কৰিলে এই গো-হত্যাৰ সোঁত অতি শীঘ্ৰে বন্ধ কৰিব পাৰে। অসমীয়া হিন্দুসকলে গৰুৰ প্ৰতি সমূলি যত্ন নলয়। মুছলমান-সকলে গোহত্যা যদিও কৰে, তথাপি হত্যা নকৰা গৰুৰ প্ৰতি বিশেষ যত্ন লয়। হিন্দুৰ ঘৰৰ গৰুতকৈ মুছলমানৰ ঘৰৰ গৰুৰ অৱস্থা ভাল। হিন্দুৰ ঘৰৰ গৰুৰ ওপৰত যেনে নিৰ্দ্দয় ব্যৱহাৰ হয়, তেনে নিৰ্দ্দয় ব্যৱহাৰতকৈ মুছলমানৰ গোহত্যাৰ দোষ কম বুলি বিশ্বাস হয়। যিহেতু মুছলমানে গৰু তৎক্ষণাৎ হত্যা কৰে আৰু অন্য পক্ষই যদিও গৰু হত্যা নকৰে, জীৱন্ত গৰুৰ ওপৰত সমগ্ৰ জীৱন নিষ্ঠুৰ ব্যৱহাৰ কৰে। তেনেহলে গৰু হত্যাকাৰীতকৈ সমগ্ৰ জীৱন নিষ্ঠুৰ ব্যৱহাৰকাৰী লোক অধিক দোষী বুলি অনুমান হয়।

মই আজি ১৫।১৬ বছৰ ধৰি অসম দেশত গোহত্যা ৰোধ কৰিবলৈ অশেষ যত্ন কৰি আহিছোঁ আৰু সকলো গোসাইকে এই প্ৰকাৰে গো-হত্যা বন্ধ কৰা কাৰ্য্যত সাহায্য কৰিবলৈ অনুৰোধ কৰি আহিছোঁ; কিন্তু একমাত্ৰ দক্ষিণপাটীয় গোস্বামীৰ বাজে আন কোনো গোসায়ে এই গো-হত্যা বন্ধ কৰা কাৰ্য্যত সহায় নকৰিলে। সহায় কৰা দূৰে থাওক অনেক গুৰুৱে নিজে গোখাদকক গৰু বেচে আৰু অনেক গোঁসায়ে জ্ঞান-পূৰ্ব্বক প্ৰতিবন্ধকতা জন্মোৱাৰ বাবে মই কোনো মতেই গো-হত্যা নিবাৰণত সম্পূৰ্ণ সফলতা লাভ কৰিব পৰা নাই। অসমৰ সকলো ধৰ্ম্মমতৰ অনুবৰ্ত্তীলোকৰ মতেই মাদক বস্তুৰ ব্যৱহাৰ নিষিদ্ধ আৰু ধৰ্ম্ম গুৰুসকলে ইচ্ছা কৰিলে অতি অলপ সময়ৰ ভিতৰতে অসমৰ সকলো হিন্দু প্ৰজাৰ মাজৰপৰা মাদক বস্তু গুচাব পাৰে। এই মাদক বস্তুৱে অসম দেশ একেবাৰেই সৰ্ব্বস্বান্ত কৰিলে। আজি ভুগীয়া অসম প্ৰদেশত ভূমি ৰাজস্বতকৈ মাদক দ্ৰব্যৰ উৎপন্ন বহুগুণে বেছি। আজি যদি অসম প্ৰদেশৰ ধৰ্ম্ম গুৰুসকলে এই মাদক দ্ৰব্য ব্যৱহাৰ বন্ধ কৰিবলৈ ইচ্ছা কৰিলেহেতেন, তেনেহলে অতি শীঘ্ৰে আৰু অনায়াসে বন্ধ কৰি অসমীয়া হিন্দু জাতিৰ সৰ্ব্ব-প্ৰকাৰ মঙ্গল কৰিব পাৰিলেহেতেন। কিন্তু কবলৈ বৰ বেজাৰ লাগে যে ধৰ্ম্ম গুৰুৱে মাদক বস্তুবোৰ বন্ধ কৰক ছাৰি, অনেক গুৰু নিজে মাদক বস্তুৰ ঘোৰ ভক্ত। গতিকে আচাৰ্য্যসকলে মাদক বস্তু গুচাবলৈ সমূলি যত্ন নকৰে। অসমীয়া প্ৰজাই মাদক বস্তু ব্যৱহাৰ কৰি নিজৰ অনিষ্ট কৰিছে; সেই অনিষ্টকাৰী মাদক দ্ৰব্যৰ নিজে ব্যৱহাৰ কৰি গুৰুসকলে শিষ্যৰ আৰু যে কিমান অনিষ্ট কৰিছে তাৰ সীমা সংখ্যা নাই। আৰু যদি গুৰুসকল শিষ্যৰ অনিষ্টজনক কামৰ-পৰা নিবৃত্ত হলহেতেন, তেনেহলে শিষ্যবিলাকৰ কিমান যে মঙ্গল কৰা হলহেতেন, তাৰ সীমা সংখ্যা নাই।

## বিশ্বাস বিনাশ

মহাপুৰুষসকলে অসম দেশত বহু পৰিমাণে ধৰ্ম্মগুৰু প্ৰতিষ্ঠা কৰি ভৱিষ্যতলৈ ধৰ্ম্ম আৰু সমাজৰ সৰ্ব্বাঙ্গীন উন্নতি কৰি সকলো প্ৰজাকে ধৰ্ম্মপথত ৰাখিব বুলি আশা কৰি ধৰ্ম্মগাদীত একো একোজন মহৎ ব্যক্তি প্ৰতিষ্ঠা কৰি গৈছিল। কিন্তু কবলৈ গলে হৃদয় বিদৰি যায়, যে আজি অসম-প্ৰদেশৰ ধৰ্ম্মগাদীত বহা আমালোক ধৰ্ম্মগুৰুসকলে অতীত মহাপুৰুষসকলৰ মহৎ আশা সমূলি নষ্ট কৰিলোঁহক। আজি আমালোক গুৰুসকলে শিষ্যৰ পৰা বাৰ্ষিক কৰ-বৰঙনি লৈ তাৰে আমাৰ নানা বিলাস ব্যসন চৰিতাৰ্থ কৰিব লাগিছোঁহক। দেশবাসীৰপৰা সম্পূৰ্ণ অবৈধ মতে কৰ-বৰঙনি লৈও তাৰ যৎসামান্য অংশও প্ৰজাৰ হকে খৰচ কৰিব লাগে বুলি আমাৰ জ্ঞান নোহোৱাত পৰিছে। অসম ৰজাই অসমৰ অনেক দেৱালয়ৰ নামত যিবোৰ নিষ্কৰ মাটি-বাৰী দান কৰি গৈছিল, সেইবোৰ দানবো উদ্দেশ্য এনেকুৱাইহে আছিল যে এই মানুহবিলাক নৈষ্ঠিক ব্ৰহ্মচাৰী ব্ৰত পালন কৰি থাকিব, বিয়াহ আদি কৰাই ইহঁত সংসাৰত আবদ্ধ



নহব, নিস্বাৰ্থভাৱে পৰৰ হিত চিন্তা আৰু জনসেৱা কৰাই এইবিলাক লোকৰ জীৱনৰ চৰম উদ্দেশ্য হব। সুতৰাং পৰোপকাৰ কাৰ্য্যৰ নিমিত্তে চিৰকাললৈ যোগ্য-তম ৰক্ষক হব বুলি ভাবিহে আমালোক ধৰ্ম্মগুৰু সম্প্ৰ-দায়ক বহু বহু মাটি-বাৰী দান দি গৈছিল। কিন্তু আজি আমালোক সেই পূৰ্ব্বোক্ত প্ৰকাৰ নৈষ্ঠিক ব্ৰহ্ম-চাৰীসকলে প্ৰায়েই আগৰ ব্ৰহ্মচৰ্য্য এৰিলোঁহক, আমা-লোকে নিজে নিজে নানা সামগ্ৰী উপভোগ কৰাকে নৰৰূপী নাৰায়ণ সেৱাৰ উত্তম আদৰ্শ কৰিলোঁহক। লক্ষ লক্ষ প্ৰজাই কৰ বুলি আমাক লক্ষ লক্ষ টকা প্ৰতি বছৰে দিব লাগিছে, তাৰ ক্ষুদ্ৰতম অংশ এটাও আজি প্ৰজাৰ হকে খৰচ কৰিব লাগে বুলি আমাৰ জ্ঞান নাইকিয়া হল। আমাৰ প্ৰায় শিষ্যই ধৰ্ম্মভাৱ-বিহীন, মিথ্যাবাদী, ঠগী, প্ৰবঞ্চক, নিষ্ঠুৰ নাস্তিক আন কি কেৱল সুবিধাবাদী হল। তথাপি শিষ্যৰ ধৰ্ম্মভাব উচ্চ আদৰ্শলৈ আনিবলৈ কোনো যত্ন নকৰা হলোঁহক। সুদূৰ আমেৰিকা আৰু ইউৰোপৰপৰা পৰোপকাৰী ত্যাগী খৃষ্টানসকলে আহি লক্ষকোটি টকা খৰচ কৰি অসমৰ দুৰ্গম পাৰ্ব্বত্য অঞ্চলত থকা অসভ্য উলঙ্গ পাহাড়ী জাতি-বোৰক নানা সুশিক্ষা দি, লগতে খৃষ্টধৰ্ম্মৰ উপদেশ দি, বিশাল খৃষ্টান সমাজ গঢ়ি তুলিছে, কিন্তু অসমীয়া ধৰ্ম্মগুৰুসকলে তালৈ ভ্ৰূক্ষেপকে কৰি চোৱা নাই।

অসমৰ চাহ বাগিচালৈ অহা লক্ষ লক্ষ ভাৰতীয় হিন্দু কুলীয়ে সিহঁতৰ পূৰ্ব্বৰ ধৰ্ম্ম আৰু সামাজিক ৰীতি-নীতিৰপৰা ভ্ৰষ্ট হৈ এক প্ৰকাৰে ধৰ্ম্মহীন জীৱন যাপন কৰি অতি কষ্টৰে কাল নিয়াইছে। আজি খৃষ্টান মিশ্যনে সেইবিলাক হিন্দুসমাজ পৰিত্যক্ত দুখীয়া মানুহক শিক্ষা দি ক্ৰমে খৃষ্টান কৰি তুলিছে। অনেকবোৰ কুলী যেন গৃহস্থহীন পৰিত্যক্ত সম্পত্তি। যেনেকৈ হাবিয়ে পৰ্ব্বতে পৰি থকা ইটা, খোলা, পাথৰ যেয়ে সেয়ে বুটলি লব পাৰে, সেইদৰে অসমৰ হাবিয়ে-পৰ্ব্বতে বাটে-ঘাটে পৰি থকা জীৰ্ণ-শীৰ্ণ অন্ন বস্ত্ৰবিহীন কুলী-বোৰ অসমীয়া হিন্দুৱে সময়মতে নিষ্ঠুৰ ব্যৱহাৰেৰে হাল কোৰ ধৰা কাম কৰাবলৈ ৰাখে, সেইবোৰ মানুহৰ লগত পশুতকৈও অধিক নিষ্ঠুৰ ব্যৱহাৰ কৰে। তথাপি সেইবোৰ হিন্দুৱে নিজ সমাজৰ লগত মিলাই লবলৈ ইচ্ছা নকৰে। কিন্তু অসমীয়া মুছলমানসকলে সেই বিধৰ পৰিত্যক্ত কুলীবিলাকক সৰ্ব্ব প্ৰযত্নেৰে নিজৰ কাৰ্য্যতো লগাইছে আৰু চল পালেই তাক নিজৰ ধৰ্ম্মত দীক্ষিত কৰি মুছলমান সমাজ সবল কৰি তুলিছে। অৱশ্যে সকলো ঠাইতে যে মুছলমানসকলে কুলীবিলাকক ইছ্‌লাম ধৰ্ম্মলৈ তুলি লৈ সিহঁতৰ লগত সৰ্ব্বপ্ৰকাৰ সদ্ব্যৱহাৰকে কৰিছে এনে নহয়। অধিকাংশ স্থলত সিহঁতৰ ইচ্ছাৰ বিৰুদ্ধে অধীনস্থ আৰু চাকৰ কৰি ৰাখে। অধিক দিন পুৰণি হলে সেই কুলীবিলাকক মুছলমান ধৰ্ম্মত দীক্ষিত কৰে। এই প্ৰকাৰে অসমীয়া মুছলমানৰ সংখ্যা বাঢ়ি গৈছে।

অসমীয়া ধৰ্ম্মগুৰুসকলে যদি আপোন কৰ্ত্তব্য পালন কৰিলেহেতেন, হিন্দুবিলাকে এই প্ৰকাৰে নিজ ধৰ্ম্ম ত্যাগ কৰি খৃষ্টান আৰু মুছলমানৰ দলপুষ্টি কৰিবলৈ নাপালেহেতেন। তদুপৰি ধৰ্ম্মগুৰুসকলৰ প্ৰেৰণা মতেই সমগ্ৰ হিন্দু জাতিৰ ভিতৰত অপৰক ঘৃণা কৰা ভাবৰ ইমান আধিক্য হৈছে যে, অৱনত হিন্দুসকলে উচ্চ হিন্দুৰ ভীষণ ঘৃণা ভাব দেখি অত্যন্ত ব্যথিত হৈ হিন্দু ধৰ্ম্ম এৰি খৃষ্টান হবলৈ ইচ্ছা কৰিছে। আৰু ব্ৰাহ্মণাদি জাতিৰ ঘৃণা দেখি অৱনত হিন্দুসকলে মাদ্ৰাজ প্ৰদেশৰ দৰে এটা অব্ৰাহ্মণ দল গঠন কৰিবলৈ চেষ্টা কৰিছে। অস-মীয়া হিন্দু সমাজ অতি সুন্দৰ প্ৰণালীত সংগঠিত হোৱা স্থলতো ধৰ্ম্মগুৰুসকলৰ অপৰিণামদৰ্শিতা আৰু স্বাৰ্থান্ধতাৰ দোষতে সমাজত ঘোৰ বিশৃঙ্খলা জন্মিছে। বৰ্ত্তমান অসমত ব্ৰাহ্মণাদি উচ্চ বৰ্ণই মদ খাব পৰা হৈছে, ব্ৰাহ্মণে মদ বেচিব পৰা হৈছে। সকলো উচ্চ হিন্দুৱে মুছল-মানৰ আৰু খৃষ্টানৰ প্ৰস্তুত পাওৰুটি বিস্কুট চাহ আদি খাব পৰা হৈছে। অসমত অসবৰ্ণ বিবাহ চলিছে; ব্ৰাহ্মণ বিধৱাৰ ব্ৰত ভঙ্গ কৰি, বিধৱাৰ গৰ্ভ উৎপাদন কৰি ব্ৰাহ্মণে নিৰ্দ্দোষী ৰূপেই সামান্য শপত খাই নিস্কৃতি পাইছে, কিন্তু বিধৱা ব্ৰাহ্মণী ছোৱালীটি মুছলমান বা খৃষ্টানক দি অভিভাৱকে অৰ্থ উপাৰ্জ্জন কৰিছে। এনে

অসৎ পথলৈ নামিও আজি অসমীয়া ধৰ্ম্মগুৰু ব্ৰাহ্মণ আৰু উচ্চ হিন্দুসকলে অৱনত হিন্দুক স্পৰ্শ কৰিবলৈকো ঘৃণা কৰে। এই প্ৰকাৰে সমাজত নানা বিশৃঙ্খলা ঘটিছে, তথাপি গুৰু ব্ৰাহ্মণসকলৰ সমাজৰ প্ৰতি ভ্ৰূক্ষেপ নাই। ধৰ্ম্মগুৰুসকলে দেশৰ প্ৰতি নিজৰ কৰ্ত্তব্য অলপমানো বুজা হলে দেশৰ এনে অৱস্থা নহলহেতেন। গুৰুসকলে নিজৰ গুৰুগিৰি পদবীটো এটা পুৰুষানুক্ৰমিক জীবিকা বুলি ধৰি লোৱা হ'ল, কিন্তু যাৰ পৰা জীবিকা প্ৰবৰ্ত্তিছে, সেই শিষ্যৰ প্ৰতি কোনো কৰ্ত্তব্য বা কিবা দায়িত্ব আছে বুলি আমি নুবুজোঁহক।

## শিক্ষিতৰ কৰ্ত্তব্য

অসমীয়া ধৰ্ম্মগুৰুসকলৰ কৰ্ত্তব্যত অৱহেলা দোষ দেখি অসমৰ শিক্ষিত সমাজৰ অনেক লোকে আমালোক ধৰ্ম্মগুৰুবিলাকৰ প্ৰতি অশ্ৰদ্ধা কৰিবলৈ আৰম্ভ কৰিছে। শিক্ষিত সমাজে যদি আমালোক গুৰুপিনিক কৰ্ত্তব্যপৰায়ণ কৰিবলৈ যত্ন কৰিলেহেতেন তেনেহলেও আমালোক সংশোধিত হব পাৰিলোঁহেতেন। দুখৰ বিষয় শিক্ষিত লোক অনেকে গুৰুসকলক সংশোধিত কৰা দূৰে থাওক, গুৰুৰ লগত প্ৰায় সম্বন্ধকে ত্যাগ কৰিব খুজিছে। কিছুমান শিক্ষিত লোকে আকৌ গুৰুক সংশোধন কৰিবৰ আৱশ্যক নেদেখে, বৰঞ্চ গুৰুসকলে কেৱল কৰ বৰঙনি লৈ, পেট প্ৰবৰ্ত্তোৱাকেহে যথাৰ্থ কৰ্ত্তব্য বুলি কয়। এই প্ৰকাৰে ধৰ্ম্মগুৰুসকলৰপৰা প্ৰজাৰ যি উন্নতি হব পৰা সুন্দৰ পথ আছিল সি সম্পূৰ্ণৰূপে ৰুদ্ধ হ'ল। অসমীয়া জনসাধাৰণ নিজে সংশোধিত হবলৈ আৰু নিজৰ উন্নতি নিজে কৰিবলৈকো প্ৰজাসমূহ আমালোক অজ্ঞ গুৰুবিলাকৰ কৰ্ত্তৃত্বৰ অধীনস্থ হৈ সম্পূৰ্ণ কুসংস্কাৰাচ্ছন্ন আৰু অজ্ঞানান্ধ কূপত নিপতিত হৈছে। তেওঁলোকে নিজৰ ভাল কি, বা মন্দ কি একো বুজিব নোৱাৰে। তদুপৰি পূৰ্ব্বকালত যদিও অসমীয়া প্ৰজা সকলো বিষয়ত বিশেষ অগ্ৰগণ্য আছিল, আজি অসমীয়া সম্পূৰ্ণ পৰমুখাপেক্ষী আৰু সৰ্ব্ব প্ৰকাৰে হীন হ'ল। তাৰ প্ৰত্যক্ষ কাৰণ এই যে আজি জগতত বোধকৰোঁ অসমীয়াৰ তুল্য এনেহুৱা জাতি আন আৰু কোনো নাই।

এই আলস্যপৰায়ণতা। দোষত আজি অসমীয়া প্ৰজাই জীৱনধাৰণৰ প্ৰত্যেক কৰ্ম্মক্ষেত্ৰতে অন্য প্ৰবাসীলোকৰ প্ৰতিযোগিতাত পাছ ভৰি কৰিব লাগিছে, সেই নিমিত্তে অসমীয়া প্ৰজা অত্যন্ত দুখীয়া।

ভাৰত মাতৃৰ সুযোগ্য পুত্ৰ মাৰোৱাৰী বেপাৰীসকলে আহি তেওঁলোকসকলৰ কাৰ্য্যদক্ষতা গুণৰ দ্বাৰা অসমৰ বাণিজ্য একেবাৰে হাত কৰিলে। মাৰোৱাৰীসকল যদিও হিন্দু, অসমীয়াবিলাকে মাছ-মাংস খোৱা গতিকে মাৰোৱাৰী সমাজে অসমীয়াক অলপ ঘৃণাৰে চায় আৰু অসমীয়াৰ সমাজিক কাৰ্য্যকলাপৰ পৰা অলপ আঁতৰি থাকে। আন পোনে অসমীয়াৰ সামাজিক ৰীতি-নীতিৰ লগত মাৰোৱাৰীৰ ৰীতি-নীতিৰ মিল নহয়। গতিকে অসমীয়াসকলেও মাৰোৱাৰীবিলাকক ঘৃণা কৰে। উভয় সম্প্ৰদায়ৰ ভিতৰত পৰস্পৰে কোনেও নাভাবে যে আমি একে হিন্দু, আৰু পৰস্পৰে মিলাপ্ৰীতিৰে থাকিব লাগে। মাৰোৱাৰীসকলৰ বেপাৰী বুদ্ধিৰ আগত আজি ইউৰোপীয়ানবিলাকো পৰাস্ত; মাৰোৱাৰীসকল নোহোৱা হলে আজি গোটেই ভাৰতৰ বহিৰ্ব্বাণিজ্যৰ দৰে অন্তৰ্ব্বাণিজ্যও বিদেশীৰ হস্তগত হলহেতেন; মাৰোৱাৰীসকলে ব্যৱসায় কৰি উপাৰ্জ্জন কৰা ধনেৰে গোটেই ভাৰতবৰ্ষ জুৰি ধৰ্ম্মৰ নিমিত্তে মহৎ মহৎ দান হ'ব লাগিছে—যি দানৰ দ্বাৰা ভাৰতত কত সাধু সন্ন্যাসী অতিথি-অভ্যাগতৰ হিমালয় পৰ্ব্বত আদি দুৰ্গম পাৰ্ব্বত্য প্ৰদেশতো সেৱা-শুশ্ৰূষা চলিব লাগিছে, কত তীৰ্থ-যাত্ৰীৰ সুবিধা হৈছে, গো-ৰক্ষাৰ অৰ্থে কত অনুষ্ঠান হব লাগিছে; আজি মহাত্মা গান্ধীৰ পৰম ভক্ত ভাৰতবৰ্ষ আৰু হিন্দু জাতিৰ একনিষ্ঠ হিতৈষী বাবু যমুনালাল বাজাজ আৰু বাবু ঘনশ্যাম বিৰলা আদি প্ৰাতঃস্মৰণীয় পুৰুষসকলেও কত যে দান দিছে তাৰ সীমা সংখ্যা নাই। এনে বিধৰ গৌৰৱময় কাৰ্য্য-প্ৰণালীৰ দ্বাৰা যি জাতি ভাৰতত উজ্জ্বলিত হব লাগিছে সেই মাৰোৱাৰীসকলে যদি অসমীয়া প্ৰজালৈ অলপ সৰয় হলহেতেন, তেনেহলেও অসমীয়াৰ আৰ্থিক অৱস্থা অলপ ভাল হব পাৰিলেহেতেন। কিন্তু কাৰ্য্যস্থলত তাৰ একো চিহ্ন দেখিবলৈ পাবলৈ নাই।



সমগ্ৰ ভাৰতৰ গত অসহযোগ আন্দোলনৰ সময়ৰ পৰা প্ৰজা-সাধাৰণৰ আৰ্থিক অৱস্থাৰ উন্নতি কৰিবলৈ স্বদেশী কাপোৰ পিন্ধা আৰু মাদক বস্তুৰ ব্যৱহাৰ ত্যাগ কৰা এই দুয়োটি কাৰ্য্য প্ৰধান অৱলম্বনীয় বুলি সৰ্ব্ব সম্মতিক্ৰমে ধাৰ্য্য হৈ আহিছে। এই দুটি কাৰ্য্য ৰাজনীতিৰ ফালৰপৰা নেচালে ধৰ্ম্মনীতি আৰু অৰ্থনীতিৰ ফালৰপৰা হলেও যে সৰ্ব্বথা পালনীয় তাত অলপো আশঙ্কা নাই।

এই কাৰ্য্যত অন্যলোকে বিশেষ যত্ন নকৰিলেও অসমীয়া নেতাসকলে বিশেষৰূপে মন কৰি যোগ দিব লাগিছিল। ভাৰতৰ অন্যান্য প্ৰদেশৰ নেতাসকলে এই কথা লৈ অশেষ যত্ন কৰিব লাগিছে। কিন্তু অসমীয়াসকলে চকু মেলিকে চোৱা নাই। মই গাঁৱলীয়া প্ৰজাৰ ভিতৰৰ এজন হৈ অসমীয়া নেতাসকলৰ ওপৰত দৃঢ়তাৰে অভিযোগ আৰোপ কৰিছোঁ যে তেওঁলোকসকলে প্ৰজাৰ প্ৰতি যথাযোগ্য কৰ্ত্তব্য পালন কৰা নাই। দেশৰ নেতাসকলে নিজ কৰ্ত্তব্য পালন কৰা হলেও অসমীয়া প্ৰজাৰ অনেক স্বাৰ্থ ৰক্ষা হ'লহেতেন।

## উদ্ধাৰৰ উপায়

অসমীয়া হিন্দু প্ৰজাসমূহক বিপদৰপৰা উদ্ধাৰ কৰিবলৈ হলে গ্ৰাম সংগঠনৰ বাহিৰে অন্য সদুপায় নাই। সকলো হিন্দু অসমীয়া গাওঁবিলাক গঠন কৰিব লাগিব। অন্ততঃ ৫০।৬০ ঘৰ গাওঁ লৈ একো একোটা সীমা নিৰ্দ্দেশ কৰি একো একোজন কৰ্ম্মী নিযুক্ত কৰিব লাগে। সেইসকল কৰ্ম্মীয়ে হিন্দুজাতিৰ ভিতৰত ভেদাভেদৰ অপকাৰিতাৰ কথা বুজাব আৰু ভেদ ভাব যে শাস্ত্ৰ আৰু বেদসম্মত নহয় তাক বেদ আৰু শাস্ত্ৰীয় প্ৰমাণেৰে বুজাব। অস্পৃশ্যতা কথাটো যে বেদৰ মত নহয় তাকো বুজাব। হিন্দুৰ সকলোৰে ভিতৰত এটা প্ৰীতিভাব জন্মাই এটা অখণ্ড হিন্দু জাতি গঠন কৰিবলৈ চেষ্টা কৰিব। হিন্দুৰ আৰ্থিক অৱস্থা ভাল কৰিবলৈ, হিন্দুৰ ভিতৰত প্ৰচলিত মাদক বস্তুৰ ব্যৱহাৰ ৰোধ কৰিবলৈ যত্ন কৰিব। সকলোৰে গো পালন কৰিবলৈ যত্নশীল হবলৈ বুজাব, আৰু গোখাদকক গৰু বিক্ৰিৰ অপকাৰিতা এবং পাপ-ভাগিত্বৰ কথা বুজাব। প্ৰতি গাঁৱৰ খোৱা পানীৰ বিশুদ্ধতা ৰক্ষাৰ আৱশ্যকতা বুজাব আৰু ভাল পানীৰ যোগাৰ কৰিব। গাঁৱৰ ডেকা লৰাবিলাকক পাৰিলে প্ৰতি গাঁৱে গধূলি ২।৩ ঘটা পঢ়াবৰ দিহা কৰিব। প্ৰতি গাঁৱে ব্যায়ামশালা পাতি কুস্তি, কচৰৎ, লাঠি-খেল, আদি শিক্ষা দি ল'ৰাবিলাকৰ শাৰীৰিক বল বঢ়াবলৈ আৰু সাহসী কৰিবলৈ যত্ন কৰিব। তাৰ লগে লগে সেইবিলাক যুৱক লৈ একো একোটি গ্ৰামসেৱক দল গঠন কৰিব।

সেৱকদলে দুখীয়া মানুহক সাহায্য কৰিব, বেমাৰত পৰা মানুহক প্ৰতিপাল কৰিব। চোৰৰ উপদ্ৰৱ হলে গাঁৱত ৰাতি পাল পাতি পহৰা দিব। অৱনত হিন্দুৰ প্ৰতি উন্নত হিন্দুৰ ঘৃণাটো কমাবলৈ চেষ্টা কৰিব। ক্ষুদ্ৰ ক্ষুদ্ৰ বিবাদবোৰ আপোচতে মীমাংসা কৰি দিবলৈ চেষ্টা কৰিব। সকলো মানুহে ঘৰে ঘৰে সূতা কটা কাপোৰ বোৱা কাম কৰিবলৈ যত্ন কৰিব। এনেবিলাক কাম কৰিবলৈ প্ৰথমতে প্ৰতি চব্-ডিভিজনত এজন বা দুজনকৈ যোগ্যবান কৰ্ম্মী নিযুক্ত কৰিব লাগে। মাহে ৫০৲ টকাৰ কমে এইবিলাক কাম কৰা কৰ্ম্মী পোৱা অসম্ভৱ। গতিকে সেই খৰচা চলাবলৈ এটা, আৰ্থিক সুবিধা লাগে। এই কাৰ্য্যপ্ৰণালীৰ বাহিৰে আৰু এটা সদুপায় আছে সেইটো হৈছে অসমৰ ধৰ্ম্মগুৰুপিনি একতাবদ্ধ কৰি তেওঁলোকৰ দ্বাৰা শিষ্যক উন্নতিৰ পথত আগ বঢ়োৱা। কিন্তু মোৰ মনেৰে এই কাৰ্য্য সুদূৰপৰাহত। গতিকে প্ৰথমোক্ত উপায়েৰে কাম হব পাৰে।

অসমীয়া হিন্দুৰ কুশল হবলৈ যি কৰ্ত্তব্য হাতত লব লাগে বুলি মোৰ ক্ষুদ্ৰ জ্ঞানেৰে বুজিছো তাকে আপোনালোকৰ আগত নিবেদন কৰিলোঁ। আপোনালোকে যেন সমবেতভাৱে এই বিপদগ্ৰস্ত হিন্দুৰ সৰ্ব্বপ্ৰকাৰ মঙ্গলৰ অৰ্থে কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰি সদুপায় দিয়ে। যেনেকৈ মৰণোন্মুখ ৰোগী আৰোগ্যৰ নিমিত্তে চিকিৎসকসকলৰ সম্মিলনী বহে, সেই প্ৰকাৰে আজি হিন্দু হিতৈষী নেতাসকল গোট খাইছে; সকলোৱে

সু-পৰামৰ্শ কৰি মৰণোন্মুখ হিন্দু জাতিৰ ধৰ্ম্মনীতি, সমাজ-নীতি আৰু অৰ্থনীতিগত ৰোগৰ যোগ্যতম সুচিকিৎসাৰ উপায় কৰক।

এই লগতে মুছলমান সমাজৰ প্ৰতি জনাও যে সমগ্ৰ ভাৰতভে প্ৰায় মুছলমানসকলেই হিন্দু মহাসভাৰ প্ৰতি বিশেষ আশঙ্কা কৰে। কিন্তু এই হিন্দু মহাসভাৰ উদ্দেশ্যত মুছলমানৰ প্ৰতি কোনো অসৎ ভাব নাই। মুছলমানসকলে আমাৰ হিন্দুৰ কাৰ্য্যকলাপবিলাক ভালকৈ চালে বুজিব যে, আমালোক হিন্দুৰ সকলো ফালে কিমান বিশৃঙ্খলা হৈছে। আমালোক হিন্দুৱে যদি সমবেত ভাবে হিন্দু জাতিৰ ৰক্ষাৰ উপায় নকৰোঁ, তেনেহলে অলপ কালতে হিন্দু জাতি ধ্বংস হবৰ আশঙ্কা হয়। তেনেস্থলত আমাৰ চিন্তাশীল লোকসকলে হিন্দু জাতিৰ ৰক্ষাৰ অৰ্থে যদি কিবা যত্ন কৰে তেনেহলে তাৰ নিমিত্তে মুছলমানসকলে এই হিন্দু সভাৰ উদ্দেশ্যৰ ওপৰত আশঙ্কা কৰাৰ একো আৱশ্যকতা নাই। বৰঞ্চ হিন্দু জাতিৰ এই সঙ্কটৰ অৱস্থাত মুছলমানসকলে হিন্দুৰ প্ৰতি সহানুভূতিহে প্ৰদৰ্শন কৰিব বুলি আশা কৰিলোঁ।

---

# এৰেগতীয়া সাধু

## জুৰমন বাইডঙীয়া

জুৰমনৰ ঘৰ জোৰহাটৰ খৰিকটীয়া গাঁৱত। তাক তাৰ গাঁৱৰ মানুহে জুৰমন বাইডঙীয়া বুলি মাতে। ৰজাৰ দিনত তাৰ বাপেক ৰজাৰ ঘৰত বাইডাং ধৰা বাবত আছিল; সেইদেখি, যদিও ৰজা গল, ৰজাৰ ৰাজ্য গল, তথাপি বাপেকৰ পুতেক জুৰমনৰ হাতৰপৰা বাইডাংডাল নগল। চমুকৈ এয়েই কথা।

মানুহটিৰ খেতি-পথাৰ ধন-ধাইন অনুষ্টুপীয়া বিধৰ। ধানে বছেৰেককৈ যোৰে। হাতত দুই-চাৰি টকা কপও সাঁচতীয়া ভাবে যে বৈ নাযায় এনেও নহয়। জুৰমনৰ ঘৰ ফেঁচামৰীয়া গোসাঁইৰ শিচ। জুৰমন কিন্তু কেতিয়াও গোসাঁইৰ সত্ৰলৈ যোৱা নাই দেই। কেতিয়াবা গুৰুঘৰৰ পৰা ৰাজমেধি আহি অনেক প্ৰবন্ধ কৰিহে তাৰপৰা কৰ-কটল অলপ-অচৰপ উলিয়াই লৈ যাব পাৰে; পৰা-পক্ষত আপোন ইচ্ছাতে সি দিব নোখোজে। মানুহটো দিনে-ৰাতিয়ে নিজৰ খেতি-বাতি আদি বনত ব্যস্ত থাকে; কাৰো সৈতে দন্দ-হাই কৰা, বা গাঁৱৰ আন মানুহৰ মাজৰ কোনো কথা-বতৰা লৈ বাক-বিতণ্ডা কৰাত সি নাথাকে। তাৰ নামটো যেনে জুৰ, স্বভাৱটোও তেনে জুৰ কৰি মিলাই ঈশ্বৰে চৰ্জ্জিলে। এই গল তাৰ সংক্ষিপ্ত ইতিহাস। আৰু এটি কথা এইখিনিতে কোৱাৰ সকাম পৰিছে যে সকলোপৰা তাৰ কথা কোৱাত এটা বেয়া অভ্যাস সোমাইছিল। সি কথাষাৰেপতি তাৰ ভিতৰত "চেলাটো হল" এই মাতষাৰ সুমুৱাইকৈ কথাকে কব নোৱাৰিছিল। কোনোৱে যদি, আন কথা নেলাগেই, "জুৰমন বাইডাঙীয়াকাই, কেনে আছা?" বুলি সোধে, জুৰমনে উত্তৰ দিব, "এ কিনো সুধিছা ভাইটি, বোলোঁ, চেলাটো হল, ভালেই আছোঁ দেওহে।" তাৰ দীঘলীয়া কথাৰ মাজত তো, ফুটত উঠা লালি গুড়ৰ দৰে 'চেলা' লেল পেল হৈ ওলায়েই থাকে।

ফেঁচামৰীয়া গোসাঁয়ে নিজে শিষ্যৰ গাওঁ ফুৰি অশৰণীয়া ডেকালৰা আৰু বোৱাৰী-জীয়ৰীক শৰণ লগাই কৰ-কটল গোটাই আনিবৰ মনেৰে এবাৰ খৰিকটীয়া গাঁৱৰ ওচৰতে বাহৰ সজাই বলহি। সকলো শিচে হাতত টকাটো-শিকাটো, লাওটো, কচুটো, আৰু টোমত চাউল আৰু বাঁহৰ চুঙাত এবাঁ গাখীৰ, ইত্যাদি বস্তু লৈ গোসাঁইৰ ওচৰলৈ অহা-যোৱা কৰিব লাগিছে, কিন্তু জুৰমন বাইডঙীয়াই সেইফালে মুখকে কৰা নাই। ৰৰমেধিয়ে সেই কথাটো টং কৰি গোসাঁইৰ কাণ চুৱাই



দিলত, গোসাঁয়ে জুৰমনক ধৰি আনিবলৈ ডেকা ভকত দুজনক পঠিয়াই দিলে। ভকত যুগলে জুৰমনক গোসাঁইৰ আগত হাজিৰ কৰি দিলত, জুৰমনে গোসাঁইক সেৱা কৰি আঠু লৈ হাত যোৰ কৰি বল। গোসাঁয়ে সুধিলে "বাইডঙীয়া, তই দেখোন মোৰ ওচৰলৈ অহা নাছিলি?" জুৰমনে মাত লগালে—"প্ৰভু জগন্নাথ চেলাটো হল, মই আহোঁ আহোঁ বুলি ভাবি থাকোতেই পলম হল, মোৰ দায়-দোষ মৰিষণ কৰিব লাগে প্ৰভু ঈশ্বৰ চেলাটো—"

গোসাঁই।—মুখ চণ্ডালি কথা কবি?

জুৰমন।—চণ্ডালি নাই কোৱানো কি প্ৰভু জগন্নাথ চেলাটো হল কিবা বোলেনে বন্দীয়ে।

গোসাঁই।—হেৰ কোন আছ, ইয়াক ভুকু গোটা-চেৰেক মাৰি গতিয়াই উলিয়াই দে।

গোসাঁইৰ প্ৰচণ্ড আদেশ শুনি জুৰমন অবাক। সি কি জগৰ লগালে বুজিব নোৱাৰিলে। গোসাঁইৰ মুখ-পঙ্কজৰপৰা বাক্যষাৰ ওলোৱা মাত্ৰকতে এটা ভকত উঠি আহি জুৰমনৰ পিঠিত ভুকুৱাবলৈ ধৰিলে। জুৰমনে ভাবিলে এইখন কি হল নো আকৌ। সি গোসাঁইৰ ফালে হাত যুৰি দীঘল দি পৰি কলে, "জগন্নাথ চেলাটো হল, মই বন্দীয়ে নো জগন্নাথৰ কি অপৰাধ কৰিলোঁ, যে মোক জগন্নাথে কিবা বোলেনে চেলাটো হল, এইদৰে চোৰ কিলোৱাদি কিলোৱাইছে?" গোসাঁই আৰু ঘৃতাহুতি হৈ উঠিল। ভকতে তেওঁৰ ইঙ্গিত পাই জুৰমনৰ পিঠিত কিলৰ জাউৰি তুলিবলৈ ধৰিলে। আৰু দুই চাৰিজন ভকত উঠি আহিল, আৰু মাউথতে তাৰ পিঠিত কিলৰ জাউৰি আৰু চৰিল। জুৰমনৰ কান্দোন আৰু চিয়ঁৰ-বাখৰ যিমান বাঢ়ি যাবলৈ ধৰিলে কথাত চেলাৰ উপদ্ৰৱো তাৰ সিমান বাঢিবলৈ ধৰিলে। শেহত গোসাঁয়ে তাক খুটা এটাত বন্ধাই তাৰ হাতৰ বাইডাং ডালেৰেই তাক ভালকৈ মাৰ সোধাবলৈ সমূহ ভকতক আজ্ঞা দিলত, সেই মতেই কাৰ্য্য সমাপন হবলৈ ধৰিলে।

এনে সময়তে খৰিকটীয়া গাঁৱৰ সোণাৰৰ গাওঁবুঢ়া তাতে ওলালহি। তেওঁ এই কিলৰ উদ্ৰাদিহ লৈ কলে, "প্ৰভু জগন্নাথ, বন্দীয়ে এটি গোহাৰি জনাওঁ। এই জুৰমন বাইডঙীয়াক আমি সকলোপৰা জানো। মানুহটো বৰ জুৰ, বৰ ভাল। কিন্তু কথায়পতি "চেলাটো" বোলা এটা কু-অভ্যাস তাৰ আছে; সি একোপধ্যে সেইটো এৰিব নোৱাৰে। এতেকে সি প্ৰভু জগন্নাথক আন কিবা ভাবি সেইষাৰ কথা কোৱা নাই। জগন্নাথে তাৰ অপৰাধ মৰিষণ কৰি তাক এৰি দিয়ক।"

গোসাঁয়ে তেতিয়া কথাটোৰ আওভাও বুজি তাৰ বান্ধ মোকোলাই দিবলৈ কৈ তাক কলে,—"জুৰমন, তই আজিৰপৰা সেই বেয়া কথাষাৰ এৰি দে, নকবি।" জুৰমনে গোসাঁইক সেৱা কৰি মুখত কুটা এডাল লৈ কলে—আজিৰ পৰা নকওঁ জগন্নাথ চেলাটো—।

গোসাঁই।—নকওঁ বুলিয়েই দেখোন আকৌ কলি?

জুৰমন।—নাই কোৱা জগন্নাথ চেলাটো হল।

গোসাঁই।—তই উঠ, ইয়াৰপৰা যা।

জুৰমন।—প্ৰভু ঈশ্বৰ চেলাটো হল; জগন্নাথে আজ্ঞা দিলে যাব পাৰোঁ চেলাটো—।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# দুখ

তই কোন সৰগৰ উৰ্ব্বশী, দুখ !
কোন সৰগৰ উৰ্ব্বশী ,
কাৰ্ণো শাপত মৰতত ফুৰ
চকুৰ লোটক ৰৰষি ?
সুখ দুখ মই মনতে বেহাওঁ
মনৰ তলত পৃথিৱী,
আহি থাক দুখ সৰগী কুসুম
কিটোনো হেৰ কৰিবি ।
সুখক আদৰি দুখ মই তোক
নেওচা নিদিও জানিবি,
সৰগৰ তই নিৰ্ম্মালি পাত
মোৰো মূৰত পৰিবি ।
মৰণ যেতিয়া জনমৰ কোলা
জনমে মৰণ আনিব,

সুৰুযে যিদৰে আন্ধাৰৰ পিছে
জগত পোহৰ কৰিব ।
জনমৰ মোল জনাব মাথোন
আগৰ নিশ্চিত মৰণে,
ভালৰ মহিমা কৰিব প্ৰচাৰ
সদায় বেয়াৰ কাৰণে ।
কান্দোনে যদি নকৰে আন্ধাৰ
হাঁহিৰ জেউতি নচৰে,
হাঁহিয়ে কিদৰে সৰুৱাব ফুল,
যদিহে লোটক নসৰে ।
সুখৰ বোকোচা বওঁৰ নিজৰা
দুখ তই সঁচা, উৰ্ব্বশি ?
থাক চিৰকাল জগতত ঘূৰি
সুখৰ কণিকা বৰষি ।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

---

# চুকাফা

## পুথি – চানটাইথা চুকাফাৰ বুৰঞ্জী

(১১৫১ শকৰপৰা ৩৯ বছৰ ৪ মাহ ১৫ দিন খৃষ্টীয় ১২২৮-১২৬৮ শক)

লেখক—পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী

চানটাইথা, খুমকুম, চানটাইফা আৰু চানটাইপ্লুং এই কেইজন ৰজাই একাদিক্ৰমে মুংলিন দেশত ৰাজত্ব কৰিছিল। শেষ ৰজা চান্টাই প্লুংঅৰ তিনিজন পুতেক আৰু এজনী জীয়েক হয়। যেতিয়া চান্টাই প্লুংঅৰ মৃত্যু হয়, তেতিয়া তেওঁ তেওঁৰ ৰাজ্য তিনি পুতেকৰ ভিতৰত ভগাই দিয়ে। তিন পুতেকৰ ভিতৰত পামিও প্লুং বৰ পৰাক্ৰমী হৈ উঠে আৰু মুংফাগুণলৈকে নিজ ৰাজত্ব বিস্তাৰ কৰে। পামিও প্লুঙ্গে নিৰাপদে ৰাজত্ব ভোগ কৰি আছে এনেতে এজন চাউলংটাংটাইফা নামে বীৰ পুৰুষে মুংখা মুঙ্গা দেশৰপৰা আহি মুংফাগুণত স্থিতি হয়হি। তেওঁ বৰ যোদ্ধা আছিল আৰু ওচৰ-চুবুৰীয়া সকলো ৰজাই তেওঁলৈ ভয় কৰিছিল। পামিও প্লুঙ্গে তেওঁৰ পৰাক্ৰম দেখি তেওঁৰ লগত সন্ধি কৰি নিজৰ ভনীয়েকক তেওঁক বিবাহ দিয়ে। এই বিবাহৰ ফল, পামিওপ্লুঙৰ ভনীয়েকৰ গৰ্ভত সেই বীৰ পুৰুষৰ এটি সন্তান জন্মে; তেওঁৰে নাম চুকাফা। পামিওপ্লুঙৰ



নিজৰ লৰা নোহোৱাত ভাগিনীয়েক চুকাফাকে তেওঁৰ ৰাজ্যৰ ভৱিষ্যত উত্তৰাধিকাৰী বুলি স্থিৰ কৰিছিল কিন্তু এনেতে তেওঁৰ ঘৈণীয়েক সগৰ্ভা হৈ কালত এটি পুত্ৰ প্ৰসৱ কৰিলে তেওঁৰে নাম চুখান ফা। পামিও-প্লুঙৰ লৰা হলত, তেওঁৰ সিংহাসনত চুকাফাৰ আশা নাই দেখি তেওঁ পছিমৰ ফালে লগত বহুত সৈন্য-সামন্ত লৈ যাত্ৰা কৰে আৰু বহুত নদী পৰ্ব্বত অতিক্ৰম কৰি আৰু বাটত অনেক নগা গাওঁ মাৰি সৌমাৰ দেশত সোমাই তাতে ৰাজ্য স্থাপন কৰে।

• • •

অসম দেশত আহোম ৰজাবিলাকৰ ভিতৰত চুকাফাই প্ৰথম ৰজা। আচলতে তেৱেঁই পোন প্ৰথমতে এই দেশত আহোম ৰাজত্বৰ খুটি পোতে। নড়া ৰজাৰ দুজনী ভনীয়েক আছিল। বাপেকৰ ঘৰতে এক ভনীয়েকত চুক্ৰান্ফা আৰু এক ভনীয়েকত চুকাফা জন্মিল।* চুকাফাৰ জন্ম শক ১১৪৯। তেওঁক আনায়েকে অৰ্থাৎ ......তুলি-তালি ডাঙৰ কৰিলে। দুইবো বাপেক মৰিল। তেওঁবিলাকৰ মোমায়েক নড়া ৰজাও সেই সময়তে মৰিল। চুক্ৰান্ফা মোমায়েকৰ পুত্ৰ নথকাত, নড়া দেশতে ৰজা হল। আনায়েকে চুকাফাৰ লগত আলচি কলে যে একে হাবিতে দুটা মতা হাতী বা বাঘ নাথাকে আৰু একে পাটতে দুটা ৰজাও নাথাকে, হেন জানি তই আন এখন দেশত গৈ ৰজা হগৈ। এই কথা চুক্ৰান্ফাৰ লগতো আলচ কৰি চুকাফাই কলে বোলে মই নামনি ৰাজ্যলৈ যাওঁ তুমি ইয়াতে ৰজা হৈ থাকা। চুক্ৰান্ফাই সেই কথাতে ভৰ দিলে আৰু বছৰি তেওঁক ধন দি থাকিবলৈ কৈ লগত ৩৬০ টা মানুহ দিলে। ডাঙৰীয়াবোৰবো লৰা লগত দিলে। ৰাজ-অলঙ্কাৰ কাঁড় ধনু, ফৰ, জাঠি আদি অস্ত্ৰ দিলে। হাতী দুটা, ঘোঁৰা ৩০ টা দিলে আৰু আহোম শাস্ত্ৰ আৰু পণ্ডিতকো দিলে। আনায়েকেও কিছুমান ৰাজ-অলঙ্কাৰ দিলে, আৰু সেই দেশৰ পূজা কৰা প্ৰধান দেৱতা চেঙ্গচোমদেওকো লুকাই দিলে—তাৰ ঠাইত এ:ক চানেকিৰে শিল থৈ। এই দেৱতা যি ঠাইত থাকে সেই ঠাইত সদায় ৰাজলক্ষ্মী বাস কৰে আৰু মাৰি-মৰক নহয় বুলি বিশ্বাস কৰে। ককায়েক চুক্ৰান্ফাক মাতবোল লগাই আহিল আৰু চুক্ৰান্ফা ৰজাই ৪ দাঁড় মান বেলিৰ বাটত আগবঢ়াই থলেহি।

তাৰ পাছত আৰু ১২০ টা মানুহ পলাই আহি চুকাফাৰ লগ ললেহি। মুঠতে তেওঁৰ লগত ৪৮০ টা মানুহ হল। এই মানুহবোৰ ১০।১২ জনকৈ জুগ পাতি আহিছিল আৰু প্ৰতি তিনিজনে একোটা টেকেলিত ভাত ৰান্ধি খাইছিল। এইদৰে নড়া দেশ এৰি দহ দিনৰ বাট সুস্থিৰ মতেই আহিল। ১১৬৯ শকত চুক্ৰান্ফা ৰজাৰ অভিষেক হয়। চোমদেৱৰ পূজা কৰিবলৈ যাওঁতে দেখে যে চোম নহয় আন শিলহে। তেতিয়াই চোমদেওক চুকাফাই আঁৰকৈ নিলে বুলি জানিলে আৰু চোমদেও ওলোটাই নিবলৈ মানুহ পঠালে। চুকাফাই এই কথাৰ গম পাই পলাই আহি কাক মেগেনা কাটি ভুৰ বান্ধি লুইত (?) পাৰ হওঁতে ৰিণিকি ৰিণিকি দেখিলে যে চুকাফা নদী পাৰ হৈ গল। তাৰ পৰা নড়া ৰজাৰ মানুহ উলটি গল।

চুকাফা ৰজাই অনেক ঠাই ফুৰি বিস্তৰ নগাৰ গাঁও মাৰি বশ কৈ ললে। যুদ্ধত যিবোৰ নগা বন্দী কৰে সিহঁতক কাটি মঙ্গহ শুকাই আনবোৰক বলেৰে খুৱায়। এইদৰে নগা গাওঁ মাৰি মাৰি খামজাং পালেহি। তাতে লগত অহা মানুহৰ লেপ কৰি পালে ৬ টা মৰিল আৰু ৭টা হেৰাল। তেতিয়া চুকাফাই কলে বোলে যেতিয়া যি কথা হয়, যি মৰে, যাক পাওঁ, সকলো কথা পণ্ডিতে লেখি ৰাখিব। তেতিয়াৰপৰাহে এই দেশৰ বুৰঞ্জী লিখা দস্তুৰ চলিল। চুকাফা ৰজাই নড়া দেশ ১১৬৯ শকত এৰি আহে, তেতিয়া তেওঁৰ বয়স ২০ বছৰ মাথোন। খানজাঙ্গত কংচুংমুং বৰুৱাক থৈ চুকাফা ভটিয়াই আহি থাকিল। বাটত আহোতে যাকে যতে পায় তাকে হাত কৈ লগত লৈ আহিবলৈ ধৰিলে। এইদৰে তেওঁৰ লগত নড়া দেশৰপৰা অহা মানুহত ছেৰায়ো মৰাণ, কছাৰী, বৰাহী এনে মানুহ

* এই লেখকৰ আন এটি টোকাত লিখা আছে—"নৰা ৰজাৰ ভনীয়েক নাংনাম আমপৰ গৰ্ভত দেৱৰায়ে (?) চুকাফাৰ জন্ম হল।

বিস্তৰ গোট খালে। এইদৰে আহোতে এঠাইত এমখা কছাৰী পাই সুধিলে বোলে তইঁত কৰ মানুহ? সিইঁত সেই ঠাইত অনেক দিনৰপৰা আছে। সিইঁতে কলে বোলে আমি বুঢ়া আতাৰপৰা শুনিছোঁ যে আমাৰ ৰজা মহঙ্গৰপৰা আহোতে ৰজাৰে ঘৰ নাই আমি কলৈ যাম এইবুলি ইয়াতে থাকিলো। আমাৰ ৰজা মহঙ্গত আছিল। পাছে নগাই বোলে মহঙ্গ আমাৰ আৰু আমাৰ ৰজাই বোলে মহঙ্গ আমাৰ। এনে বাদ লাগিলত নগাই এই বুলি কথা বান্ধিলে বোলে যি হাবিৰ গাছৰ পৰা একে আজোৰে বেত আজুৰি একবাৰ আৰু একে ঘাৱে মহৰ শিং আৰু শিল কাটিব পাৰিব মহঙ্গ সেয়ে পাব। যদি ছুয়তে নোৱাৰে বা ছুয়ো পাৰে তেতিয়া ছুয়ো বাটি খাব। পাছে আনেকা দিনা নগাই বেতকো টানি উলিয়ালে আৰু মহৰ শিং শিলকো একে ঘায়ে কাটিলে, কছাৰীয়ে নোৱাৰিলে। কথা ৰাখি কছাৰী ৰজাই মহঙ্গ এৰি দি আহি দিখৌ কোখত আছেগৈ। চুকাফা ৰজাৰ লগৰ মানুহে সুধিলে যে মহৰ শিং আৰু শিল কিহৰ বে আঁৰ কৰিছিল নে? সিইঁতে কলে বোলে কৌ পাতেৰে ঢাকি বান্ধি আঁৰ কৰিছিল। তেতিয়া আহোমে কলে বুজিলো। মৰা শিল আনিছিল আৰু শিং সিদ্ধাই কোমলকৈ আনিছিল আৰু বেতকো আগেয়ে গছত উঠি সূত নখছকা কেটাৰি খৈছিল। আহোমে তেতিয়া ভালকৈ বুজিলে যে কছাৰী কিমান বুধিয়ক আৰু সিইঁতক আমিও খেদিব পাৰিম বুলি কলে। সেই কছাৰী মখাকো লগত লৈ টিপায়, নামৰূপ, উত্তৰ দখিণ ঠাই চাই ফুৰিলে।

---

# বায়নৰ ঘৰৰ বোন্দাৰ ৰাগ

"বায়নৰ ঘৰৰ বোন্দায়ো ৰাগ দিয়ে।" বায়নৰ ৰাগ যেনেই হওক, বোন্দাৰ ৰাগ যে 'মৰা চিঠিৰ ডাকঘৰৰ মোহৰ মৰা, অর্থাৎ তাত যে প্রাণ নাই, ই ধ্রুৱ। কিয়নো ওজাক মুখ মেলা দেখি বোন্দাই সেই কাৰ্য্য অনুকৰণ (অনু+কৃ) কৰে, অনুসৰণ (অনু+সৃ) কৰিবৰ শক্তি তাৰ নাই। "বৈষ্ণৱ ও বিষ্ণুপূজক" কিতাপ বা অকিতাপ লেখকৰো এই পুতৌ পাবলগীয়া অৱস্থা।

আন প্রমাণৰ উপৰিও তেওঁৰ "বৈষ্ণৱ ও বিষ্ণু-পূজক গ্রন্থের আসামীয়া সমালোচনা" বোলা যিটি ডমূর্ল্য প্রবন্ধই ২য় বর্ষৰ ১৯শ সংখ্যা "প্রান্তবাসী" কাকতৰ 'গৌৰৱ বৃদ্ধি কৰিছে, তাত এটি প্রমাণ যোগ দিছে। তেওঁ মোৰ ১৮৫০ শকৰ শাওণৰ সংখ্যা 'বাঁহী'ত ওলোৱা তেওঁৰ কিতাপৰ সমালোচনাৰ প্রতিবাদ কৰোঁতে মই উদ্ধৃত কৰা শ্রীমাধৱদেৱৰ "অব্যক্ত ঈশ্বৰ হৰি, কিমতে পূজিবা তাঙ্ক" ঘোষাটি পুনৰ উদ্ধৃত কৰি কৈছে,— "ইনি ভক্তি ও মুক্তিকে সমপর্য্যায়ে গণনা করিয়া একটু ভুল করিয়াছেন। পঞ্চবিধ মুক্তির ভিতরে সাযুজ্য মুক্তির নামই অব্যক্ত।" আমি পঢ়ি পঢ়ি হাহিছোঁ, আৰু মনতেই তেওঁক সম্বোধন কৰি কৈছোঁ;—'মশায়, মূর্খ ত আর গাছে লাগে না।'

এই ঘোষাৰ ব্যাখ্যাত কিন্তু "মশায়ৰ" ভাটৌৰ বিদ্যা ধৰা পৰিল! "অব্যক্ত" মানে 'সাযুজ্য মুক্তি' ধৰি ললোঁ; তেন্তে "অব্যক্ত ঈশ্বৰ হৰি' ইত্যাদি='সাযুজ্য মুক্তি ঈশ্বৰ হৰি' ইত্যাদি; কি অর্থ হয়? এয়ে এওঁৰ 'বিদ্যাৰ দৌৰ!' তথাপি কিন্তু এওঁৰ আস্পর্দ্ধাৰ ওৰ পৰা নাই। মোৰ ওপৰত কোৱা 'ভুল'ৰ বিষয়ে এওঁ চিৰ নিশ্চিত; তাৰ উপৰিও, পৰম শ্রদ্ধেয় শ্রীযুত বেজবৰুৱা দেৱ আৰু আন নেলাগে, মহাপুৰুষ শ্রীশঙ্কৰদেৱৰ 'ভুল' এওঁ আঙুলিয়াই দিছে! ইয়াকেহে কয় বোলে, দেৱতাই যত ভৰি পেলাবলৈ সঙ্কোচ কৰে, মূর্খই তাত নিসঙ্কোচে টিঘিলঘিলায়গৈ।

ইয়াৰ লগে লগে "দৈনিক নদীয়া প্রকাশ" বোলা



কাকত এখনো কোনোবাই আমালৈ সদায় অনুগ্রহ কৰি উপযাচি পঠাই আছে—ইও আমাৰ বন্ধু "নিমানন্দ দাসাধিকাৰী"ৰে অনুগ্রহ বা নিগ্রহ বুলি আমি ধৰি লব পাৰোঁ হবলা! কিয়নো, তাত আমাৰ প্রবন্ধৰ প্রতিবাদ স্বৰূপে তেওঁৰ লেল্‌পেল্‌ নিছিগা প্রবন্ধই ভৰি আছে। সেইবোৰৰপৰা তেওঁৰ আওকণীয়া স্বভাৱৰ ছুই-এটি নিদর্শন দেখুৱাই আমি তেওঁক বিদায় দিম।

(১) এওঁ লিখিছে—(১৮৫০ শক ১৮ ভাদৰ সংখ্যা)— "সমালোচনার একস্থানে নেওগ মহাশয় বলিতেছেন— 'অনয়ারাধিতো নূনং ভগবান হৰিরীশ্বরঃ'।—এই ভাগবত শ্লোকের **'অনয়া' অর্থে 'রাধিকা'** ব্যাখ্যা করিয়া আমি ভুল করিয়াছি। এই ব্যাখ্যা করিতে যদি ভুল হয় তাহা বৈষ্ণবগণের আর যদি শুদ্ধ হয় তাহাও বৈষ্ণবগণের।"

ইয়াত লেখক কেনে কূটবুদ্ধিপটু তাক পাঠকসকলে অৱশ্যে দেখিছে। তেওঁৰ "শ্রীমদ্ভাগবতে রাধিকা" বোলা অন্যায় শীর্ষক অন্যায় ব্যাখ্যাখিনি আমি প্রতিবাদ কৰি কৈছিলো—ভাগৱতত ৰাধাৰ গোন্ধ-ভাপেই নাই, গতিকে তেওঁৰ এনে ব্যাখ্যা আৰু কথা সম্পূর্ণ ভ্রান্তিমূলক আৰু আপত্তিজনক, ইত্যাদি। তেওঁ তাৰ উত্তৰ দিব নোৱাৰি এই শিয়াল-ৰাগি দিছে। মিষ্টাৰ দাসৰ আগৰ সংস্কৰণৰ "বৈষ্ণৱগণেৰ" যে লোকৰ মূৰেৰে মূৰ কামোৰণি হব পাৰিছিল তাকো আমি বিস্ময়ান্বিত হৈ দেখিছো! কিন্তু এতিয়া লাভৰ ভিতৰত আমিহে তাৰ বাবে "জবাবদিহি" হব লগা হল!—"তিনি দয়া করে বলুন, 'অনয়া' অর্থে তিনি সঠিক কি বুঝিয়াছেন? রাধাও হইতে পারে, আর অন্য কেহও হইতে পারে!...আমি শিষ্য, আমি সঠিক জানিতে চাই।" ঠিক যেন লৰাৰ ধেমালি! আমি কওঁ, পণ্ডিতপ্রবৰ, এই অভাজনক এনে "কঃ পন্থা" প্রশ্নেৰে ছল কৰে কিয়?

(২) তেওঁ লিখিছে (১৬ ভাদৰ সংখ্যা)—"এবার নেওগ মহাশয়,......বলিলেন, 'সাকাৰ উপাসনা আৰু মুক্তি লাভৰ কথা.........ভক্তৰ শেষ লক্ষ্য বুলি কোৱা কোনো বচন তেওঁ তুলি দিব পৰা নাই, আৰু প্রকৃততে তেনে কথা অসমীয়া বৈষ্ণৱ সাহিত্যত থাকিব নোৱাৰে।......" ভক্তিই এই পন্থার চরম উদ্দেশ্য, এই রূপ বাক্য আমি এই পন্থার কোন গ্রন্থে পাই নাই এবং তুলিও নাই। আমার গ্রন্থের প্রতিপাদ্য বিষয় হইল, শঙ্করদেব আদিতে ভক্তির পক্ষপাতী হইলেও অন্তে ভক্তির বিরোধী।" "নেওগ মহাশয় তাহা হইলে আমার গ্রন্থের প্রতিপাদ্য বিষয়েরই সমর্থন করিলেন।"

কি আপদৰ লগত সঙ্গ হল! ইয়াকেহে কয় বোলে "অবুজনক বুজোৱা, ঢেকৰাঠাৰি সিজোৱা।" এওঁ এতিয়াই কয় বোলে মহাপুৰুষীয়া ধৰ্ম্মৰ গ্রন্থত তেওঁ ভক্তিয়েই চৰম লক্ষ্য বোলা বাক্য ক'তো চালি-জাৰি নেপালে, আৰু আকৌ সেই মুখেৰেই কয় বোলে শঙ্কৰদেৱ আদিতে ভক্তিৰ পক্ষপাতী!! এওঁ hopeless boy অর্থাৎ 'আপুনি বয়স হইলে বুদ্ধি হইবে ভাল" এই কথা এওঁত নেখাটে।

"নামঘোষা"ক এক প্রকাৰে মহাপুৰুষীয়া ধৰ্ম্ম-মতৰ একেহাতে, প্রথম আৰু প্রধান (alpha and omega) গ্রন্থ বুলিলে ভুল নহয়; তাৰ প্রথম পিঠিৰ প্রথমৰ ঘোষাটি পঢ়া—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।"

ইয়াত কি ছুটা শিক্ষা দিছে?—(১) মুক্তি বা মোক্ষত যাৰ বাপ নাই. এনে জন ভক্ত মোৰ নমস্য অর্থাৎ মুক্তিলৈ ভ্রূক্ষেপ নকৰা ভক্ত হে মোৰ আদর্শ; (২) যি ভক্তি ৰসময়ী অর্থাৎ পান কৰা মানে যি ভক্তিৰ সোৱাদ কমক চাৰি বাঢ়িহে যায়, অর্থাৎ নিষ্কাম ভক্তি, তেনে ভক্তি মোক দিয়া। এই একাঁকি ঘোষাৰ আধা-খিনিতে জানো তেওঁ কানিমুনিবাই খেপিয়াই ফুৰা সকলো কথা পোৱা নহল? এনে উদাহৰণ আৰু অলেখ আছে; কিন্তু তেওঁৰ আগত "টোকাৰি" বজালে জানো কিবা লাভ আছে? তাৰ প্রমাণ চাওক, আমি এই শ্লোকটি আগৰ বাৰ তুলি দিয়াত তেওঁ কি বুজিছে?—

"এখানে তিনি মুক্তি চাহেন না স্পষ্ট বুঝা গেল। অতএব তিনি যে ভক্তি (??) ও মুক্তি চাহেন না ইহা প্রমাণিত হইল।" "নেওগ মহাশয় তাহা হইলে

আমাৰ গ্ৰন্থেৰ প্ৰতিপাদ্য বিষয়েৰই সমৰ্থন কৰিলেন"। এয়ে "পয়ঃপানং ভুজঙ্গানাং" সাপক গাখীৰ খুউৱাৰ ফল।

(৩) এজন শিক্ষকে পঢ়াশালিৰ ছাত্ৰসকলক সুধিলে—"'অধ্যবসায়' শব্দৰ অৰ্থ কোনে কব পাৰে? শব্দটো কঠিন দেখি কোনো লৰাই মুখেৰে নামাতিলে। এটা লৰাই বিদ্যা 'জাহিৰ' কৰিবলৈ উপযাচি কলে—'ছাৰ! অধ্যবসায় মানে আধা বয়স (অধ্য=আধা; বসায়=বয়স).। লৰাটোৰ কথা তাৰ বিষয়ত এক প্ৰকাৰে সঁচা, কিয়নো সি একে শ্ৰেণীতে 'অধ্যবসায়' কৰি থাকি থাকি তাৰ 'আধা বয়স' যাব লগীয়া হৈছিল!

দাসাধিকাৰীও ঠিক এই শ্ৰেণীৰ প্ৰাণী। ওপৰত উদ্ধৃকিয়াই অহা "অব্যক্ত ঈশ্বৰ হৰি" ঘোষা ফাঁকিৰ কথা উল্লেখ কৰি তেওঁ ইয়াতো আকৌ জয়োল্লাসে কৈছে—"নেওগ মহাশয় উচ্চাধিকাৰে কোথায় যাইবেন? বৈকুণ্ঠের উপরে কি থাকিতে পারে? তিনি তর্কের খাতিরে নির্ব্বিশেষবাদী শঙ্করাচার্য্যের মত বলিবেন, বৈকুণ্ঠের উপরের অবস্থা 'অব্যক্ত'।"—ইত্যাদি, ইত্যাদি। আমি ইয়াৰ সামৰিব নোৱৰাৰ বাবে 'অধ্যাপক'—শিক্ষকে ক্ষমা কৰিব! আমি দেখিছোঁ এওঁক এই পকাযুক্তি ৰূপ ভূতে পাইছে; এওঁক 'পঞ্চত্বং প্ৰাপ্তি'ৰপৰা তেওঁৰ অন্তৰ্গৰ (জগৰ নোহোৱা) প্ৰভুৱে অচিৰে ৰক্ষা কৰক!

(৪) আমি আমাৰ প্ৰবন্ধত কৈছিলো, মহাভাৰত, হৰিবংশ, বিষ্ণুপুৰাণ, ভাগৱত ক'তো ৰাধাৰ কথা নাই; আন নেলাগে, বঙ্গ-সাহিত্যৰ সম্ৰাট বঙ্কিমচন্দ্ৰয়ো সকলো বিশ্বাসযোগ্য পুথিৰ বিশ্লেষণ কৰি এই স্থিৰ সিদ্ধান্তলৈ আহি তাক মুক্তকণ্ঠে স্বীকাৰ কৰিছে। এই দিগ্‌গজ পণ্ডিতে তাৰ উত্তৰত কি কয় শুনক—(১৮৫০ শক, ১৫ ভাদ্ৰ সংখ্যা)—"বঙ্কিম বাবু সাহিত্যসম্ৰাট হইতে পারেন, কিন্তু 'ভক্ত্যা ভাগবতং বিদ্ধি ন বুদ্ধ্যা ন চ টীকয়া'—বাক্যে লক্ষিত ভাগবত জ্ঞান তাঁহার কিছু ছিল বলিয়া মহাজনগণ (?) বলেন না। তিনি 'রাধা'কে খুজিবেনই বা কেন, এবং তাঁর "রাধা" পাওয়াতে বা নাপাওয়াতে, যুগলরসলুব্ধ ভক্তগণের আসিয়া যায়ই বা কি? নেওগ মহাশয় বঙ্কিম বাবু হরিবংশে "রাধাকে" পান না বলিয়া রাধার অস্তিত্ব উড়াইয়া দিতে চাহেন, কিন্তু তাঁহার গুরু শঙ্করদেব কোন 'বংশে' 'রাধা'কে দেখিতে পাইয়াছেন, তাহা একবার খোঁজ করিলেন না; ইহা তাহার গুর্ববজ্ঞার প্রকৃষ্ট নিদর্শন নহে কি?'

আমি তেওঁক কওঁ, হেৰা পাপবুদ্ধিৰ মৰমৰ দুমলীয়া ভায়েক! তুমি কোন সুক্ষণত অৱতাৰ হৈলা? তেওঁ তেওঁৰ কিতাপৰ ৫২ পিঠিত "মহাপুৰুষীয়া গ্ৰন্থে ৰাধাৰ নাম" বুলি শ্ৰীকৃষ্ণ গীতা আৰু চাউলৰ জন্ম-কথা আৰু ভাত ৰন্ধা মন্ত্ৰৰ কেইকাকিমান পদত ৰাধাৰ নাম দেখুৱাইছিল; শ্ৰীশঙ্কৰদেৱ মাধৱদেৱ বা আন প্ৰসিদ্ধ মহাপুৰুষসকলৰ কোনো লিখা বা নাম-গোন্ধ তাত নাই। এই সকলোবোৰ কথা মহাপুৰুষীয়া গ্ৰন্থৰ অন্তৰ্গতও নহয়; নহলেও "ৰাধা" নামটো আমাৰ সাহিত্যত একেবাৰে নাভূত-নাশ্ৰুত নহয়, ই পিছত সোমাইছে। আমি তেওঁৰ কুযুক্তিবোৰলৈ উদ্দেশ কৰি কৈছিলো—লিখকে ভালেখিনি কথা চোবাইছে। তাৰ তাৎপৰ্য্য এয়ে, মহাপুৰুষীয়া ধৰ্ম্মৰ লোকে যে চৈতন্যপন্থীসকলক দিলায়, তেওঁলোকৰ ধৰ্ম্মতো দেখোন ৰাধাৰ নাম আছে! আমিও কওঁ আছে; কিন্তু যি দৰে এই ধৰ্ম্মত ৰাধাৰ নাম আছে, সেইদৰে ইয়াত বৃন্দা, চন্দ্ৰা, কুব্জী, ধামনী আদি অনেকৰ (সহস্ৰ গোপীৰ) নাম আছে; ৰাধাৰ প্ৰাধান্য তাত নাই।" (বাঁহী, ১৭শ বছৰ, ১৪৯ পিঠি)। এওঁ দুৰ্ব্বুদ্ধিৰে আজুৰি নি কিহত পেলাইছে হৈ চাওক। "শঙ্করদেবও রাধা নাম পাইয়াছেন, নেওগ মহাশয় স্বীকার করিয়াছেন।" এওঁৰ তৰ্কৰ কি "জুৱাচুৰি" স্বভাৱ! গ্ৰন্থকাৰস্বৰূপে প্ৰকাশকৰ নাম চুৰ কৰি তেওঁ যি মানসিকতাৰ চিনাকি দিছিল, তেওঁৰ পুথি আৰু প্ৰবন্ধৰ ছত্ৰে ছত্ৰে সেই মানসিকতাৰেই পৰিচয়!!

আৰু চাওঁক, এওঁ বঙ্কিমচন্দ্ৰৰ দৰে এজন মহা প্ৰতিভাশালী শাস্ত্ৰবিদ্ ভক্তক কেনেদৰে ভক্তি-বিবৰ্জ্জিত ভাগৱৎ-জ্ঞান-হীন বুলি গালি পাৰিবলৈকো কুণ্ঠিত নহল! ভাগৱত জ্ঞানত জ্ঞানী হোৱাৰ মোহৰ বা badge কি? "স্বামীজী" হৈ "শিচ্‌ ভক্তি" পোৱাসকলেই হে এই



বিষয়ৰ সৰ্ব্বাধিকাৰিত্ব অকলে ভোগ (Monopoly) কৰে নে কি? যদি সেয়ে হয় বুলি তেওঁ কয়, তেন্তে আমি কওঁ, সেই 'মহাজনগণ" একলীয়া কৰি থোৱাঁ। তেওঁ তেওঁৰ লগৰ "যুগলৰসলুব্ধ" অৰ্থাৎ স্বকীয় পৰকীয় ৰস উপভোগ কৰিবলৈ বিচাৰি ফুৰা লুতুৰা বসৰ তোমোৰাসকলৰ কথা উলিয়াইছে; আমি কওঁ তেওঁবিলাককো আমাৰ আগৰপৰা গুচোৱঁা। নহয়, আপুনি যদি সজ্ঞান আৰু সুস্থশৰীৰ, তেনেহলে এইবোৰ তেনেই অবান্তৰ কথা বকিছে কিয়? স্পষ্ট কথা, ভাগৱতত ৰাধাৰ নাম নাই; আপোনাৰ "শ্ৰীমদ্ভাগবতে রাধিকা" বোলা কথা বা হেডিংটো অন্যায় wrong and misleading) হৈছে! আপুনি তাৰ উত্তৰত মাতিব নোৱাৰিলে মনে মনে থাওক; "খুজিয়া পাওয়া" অৰ্থাৎ ওপজাই দেখুৱা ৰাধা আমাক কেলেই? ইয়াত আপুনি 'যুগলৰসলুব্ধ ভক্তগণের" কথা আনিছিল কিয়? তেওঁলোকৰ স্বভাৱ আৰু আদৰ্শই যে সিদিনা ৰাধা ওপজাইছে, সেইটোতো আমি আপত্তি মতা নাই।

(৫) মাষ্টৰ পাপবুদ্ধিৰ কীৰ্ত্তি আৰু "কহন নযায়।" তেওঁ কেনে জটিল প্ৰকৃতিৰ লোক পাঠকসকলে যথেষ্ট দেখিলে; তথাপি আৰু দুই এটি কথা তুলি নিদি নোৱাৰিলো। তেওঁ লিখিছে (১৫ ভাদ্ৰ সংখ্যা)—"শঙ্কর দেবকে অবৈষ্ণব বলাতে যদি আমি কোন অপরাধ করিয়া থাকি, এ অপরাধ আমার গুরু বেজবরুয়া, অধিকারী, মহন্ত ঠাকুর ও নেওগ মহাশয়গণের, আমার নহে।" "এবং বেজবরুয়া মহাশয় ও অধিকারী মহাশয়ের জ্ঞানকে আশ্রয় করিয়াই শঙ্করদেবের মতের আলোচনা করিতে গিয়াছি। যদি শঙ্কর মতের ভুল ব্যাখ্যা করিয়া থাকি তাহার জন্য তাঁহারাই দায়ী, আর যদি শুদ্ধ ব্যাখ্যা করিয়া থাকি তাহার জন্যও তাঁহারাই দায়ী। তাহারা যদি আমার সমস্ত সংশয় ছেদ করিয়া "ঘোষা'র বাক্যসমূহের আর অন্য কোন রূপে সমন্বয় সাধন করেন, আমি নূতন করিয়া শুনিতে প্রস্তুত আছি"।

পগলাই প্ৰায়ে নিজক পগলা বুলি গম ধৰিব নোৱাৰে, লোকে বুজাই দিলেও অনেক সময়ত নেমানে। তথাপি কোৱা হওক,—'মশায়"! আপোনাৰ মন বিকাৰপ্ৰাপ্ত, গতিকে আপুনি আমাৰ কথা বা বেজবৰুৱা দেৱ আৰু অধিকাৰী দেৱৰ কথা সম্যক উপলব্ধি কৰিবৰ বাবে তেনেই অপাৰগ disqualified। আপুনি এই সকলোকে "গুৰু" বুলি মানিলেও তাত তেওঁলোকে তো গৌৰৱ বোধ কৰিব বা 'ভালে বেয়াই গায় গীত। গোঁসায়ে বোলে মোৰে হিত॥" বুলিব নোৱাৰেই, বৰঞ্চ এনে এজনে তেনে সম্বোধন কৰাত তেওঁলোকৰ লাজৰ ভাগেই হে সৰহ। "ঘোষা'ৰ বাক্যসমূহবো আৰু নতুন ব্যাখ্যা আৱশ্যক নকৰে।

৫৪০৪/অ:

তেওঁ এই নিচিনা মাছে-গাখীৰে একেলগে সনা যুক্তিৰেই আৰম্ভ কৰিছে—'গ্ৰন্থের ভূমিকায় ৮০ পৃষ্ঠায় উদ্ধৃত শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবরুয়া ও শ্ৰীযুক্ত অমৃতভূষণ অধিকারী মহাশয়দ্বয়ের বাক্য প্রকাশিত প্রত্যেকেই শঙ্কর মত আলোচনায় ভিত্তি স্বরূপে গ্রহণ করিয়াছি। তাহাদের বাক্যও যদি লেখকের কথা মতে "অনির্দ্দিষ্ট লোকের অনির্দ্দিষ্ট কথা" হইয়া থাকে তবে শ্ৰীযুক্ত ডিম্বেশ্বর নেওগ মহাশয়কে কিম্বা তাঁহা কর্ত্তৃক "নির্দ্দিষ্ট" যে কোন ব্যক্তিকে গুরু স্বরূপে বরণ করিতে আমি প্রস্তুত আছি। অবশ্য তাহার গুরুগণ আমাকে শাস্ত্র সিদ্ধান্তের পারিপাট্য দ্বারা—গালির পারিপাট্য দ্বারা নহে তাহাদের গুরুত্ব উপলব্ধি করাইতে হইবে।"

পাঠকসকলে অৱশ্যে সুবুজি নেথাকে যে আমি শ্ৰীযুত বেজবৰুৱা আৰু অধিকাৰী দেৱৰ কথাক "অনিৰ্দ্দিষ্ট লোকৰ অনিৰ্দ্দিষ্ট কথা" বোলা নাই, নিমানন্দৰ দৰে গোলমলীয়া লোক নহলে এনে কথা কব নোৱাৰে। তেওঁ তেওঁৰ কিতাপৰ বহুত ঠাইত "একজন মহাপুরুষীয়া বলিয়া থাকেন" ইত্যাদি বিধৰ অনেক কথা কৈছে; সেইসকলৰ নাম আদি নিৰ্দ্দেশ নকৰা বাবে হে আমি তেওঁলোকক অনিৰ্দ্দিষ্ট লোক আৰু তেওঁলোকৰ কথা অনিৰ্দ্দিষ্ট লোকৰ কথা বুলিছোঁ। তাৰ পিছত তেওঁ এঠাইত আমাক গুৰু বৰণ কৰাৰ কথা এটাও উল্লেখ কৰিছে। আমি কওঁ—হে আতা! ধীৰো ভৱ! গুৰুগিৰি নকৰাকৈ আশা কৰো আমাৰ জীৱিকা উলিয়াবৰ দিহা এটা ঈশ্বৰে

দিব ! তেওঁ আমাক এই সঙ্কটৰ পৰা সাৰিবৰ এটা উপায় বা alternative ও দিছে—আন এজন গুৰু বাছি দিয়া। কিন্তু তাৰ এটা সৰ্ত্ত আছে—'কিলনৈ বাসুদেৱে ডৰায় ।" গুৰুৱে গালিৰ পাৰিপাট্যেৰে তেওঁক শিকায় বুলি শঙ্কা কৰিছে । আমি কওঁ—মা ভৈঃ । আপোনাৰ চৈতন্যদেৱেই তো তাৰ আদৰ্শ দেখুৱাই গৈছে, অৰ্থাৎ ভক্ত অদ্বৈতই তেওঁক একোপধ্যে অৱতাৰ বুলি মানিবলৈ সম্মত নোহোৱাত তেওঁক চৈতন্যই বাস্তৱতে কিলাই সেই তথ্য তেওঁৰ মূৰত সুমাই দিয়াটো জানো বুৰঞ্জীমূলক সত্য নহয় ? যদি হয়, তেনেহলে আৰু ভয়ৰ কাৰণ কি ?

সামৰণিত আমি কওঁ, এওঁৰ এইবোৰ আওকণীয়া যুক্তিৰ স্বভাৱ দেখুৱাবলৈ গলে—"নধৰিবে 'কাকতে' তাহাৰ মত্ত কায়া।" যিমানখিনিলৈকে আমি আগবাঢ়িলোঁ, তাতেই বুজিছোঁ যে আমি Wild goose chase কৰিছোঁ—বনৰীয়া হাঁহৰ পিছ লৈছোঁ । পাঠকসকলৰ বুজিবলৈ বাকী নেথাকিব যে এওঁ, ধৰ্ম্মৰ তত্ত্ব বিচাৰি সঙ্কীৰ্ণ "গুহায়াং" বা গাতত প্ৰৱেশি তাৰ দূষিত কাৰ্ব্বনিক এছিদ্ গেছ সেৱন কৰি মানসিক বিকাৰগ্ৰস্ত হৈছে, লাভৰ ভিতৰত কথমপি "প্ৰাণৈঃ ন বিযুক্তঃ"! আমাৰ সৰল বিশ্বাস হৈছে, এওঁ আন ধৰ্ম্মৰ নাম শুনিলেই কাণত আঙুলি দিয়া বিধৰ fanatic । নিজৰ ধৰ্ম্ম আৰু মতৰ বাহিৰে আন ধৰ্ম্ম বা আন মতত যে সত্য থাকিব পাৰে, এইটো তেওঁৰ কাণৰ বাটেদি নোসোমায় ; বিন্ধা ইমান ঠেক হৈ পৰিছে ! আন কোনোবাই তেনে কৰা দেখিলেও তেওঁৰ জাত গল, ধৰ্ম্ম গল, গুৰুক অৱজ্ঞা কৰিলে, বুলি জপিয়াই উঠে । তাৰ প্ৰকৃষ্ট প্ৰমাণ চাই লওক । শ্ৰীযুত বেজবৰুৱা দেৱে লিখিছিল—"এই টোপা গহ নিমচান্দে ভাৰতপূজ্য মহাসাধু ৰামকৃষ্ণ পৰমহংস দেৱকো তেওঁৰ কিতাপত প্ৰতাৰক পৰ্য্যন্ত বুলিছে ।" তাৰ উত্তৰত এওঁ লিখিছে (১৮ ভাদ্ৰ সংখ্যা)—"ৰামকৃষ্ণদেৱ ভাৰতপূজ্য হউন ; তাতে আমাৰ কোন দুঃখ নাই । কিন্তু আমাৰ গুৰুবৰ্গ ও শাস্ত্ৰ (??) বলিতেছেন তিনি মায়াবাদী, কাজেই আমি তাহাকে শ্ৰদ্ধা কৰিতে পাৰি না । কিন্তু বেজবৰুৱা মহাশয় ৰামকৃষ্ণকে প্ৰশংসা কৰিয়া গুৰ্ব্বৱজ্ঞা ও ভক্ত নিন্দা ৰূপ (?? দুইটি নামাপৰাধে লিপ্ত হইতে যান কেন ?" "শঙ্কৰ দেৱ-দেৱীৰ প্ৰসাদ গ্ৰহণকে ভক্তিৰ ব্যভিচাৰ বলেন ; আৰ বেজবৰুৱা মহাশয় দেৱীপূজককে "ভাৰতপূজ্য" বলিয়া তাহাৰ ভক্তিৰ সুখ্যাতি কৰেন !" সঁচাকৈয়ে বেজবৰুৱা দেৱে কি ডাঙৰ অপৰাধ নকৰিলে ! যীশুখৃষ্ট আৰু মহম্মদ ক্ৰমে খৃষ্টান আৰু মুছলমান ধৰ্ম্মৰ প্ৰতিষ্ঠাতা মহাপুৰুষ ; গতিকে তুমি যদি তেওঁলোকক মহাত্মা বুলি শ্ৰদ্ধাৰ চকুৰে চোৱাঁ তেন্তে তুমি আৰু হিন্দু নোহোৱা ; তোমাৰ ধৰ্ম্ম, জাতি, সকলো ভ্ৰষ্ট হল !! সেই দেখিহে তেওঁক কৈ লৈছোঁ—মূৰ্খ গছত নেলাগে ।*

শ্ৰীডিম্বেশ্বৰ নেওগ

# বৰুৱা ছাহাবৰ আপোন কাহিনী

'আমাৰ ককা-দেউতাৰ জন্ম স্বৰ্গদেও গৌৰীনাথ সিংহৰ দিনতে । ককা-দেউতাই স্বাধীন অসমৰ তিনিজনা স্বাধীন ৰজাৰ চাউল খাই, বুটিঃশৰ দিনত হে ইহ লীলা সামৰিলে । ৰজাৰ দিনত ককা-দেউতাই বৰুৱা, ৰাজখোৱা, ফুকন তিনটা খিতাপ পাইছিল । যেতিয়া আমাৰ দেশ ইংৰাজে চলাবলৈ ললেহি, তেতিয়া ককা-দেউতাই ইংৰাজৰপৰা সদৰ আমিন বাব লৈ ৰংপুৰ জিলাত বহিলে । মোৰ দেউতাৰ জন্ম মানৰ প্ৰথম বাৰ আক্ৰমণৰ সময়ত । ইংৰাজৰ দিনত দেউতা ৰংপুৰ জিলাৰে মৌজা এটাত মৌজাদাৰ হল ।

* এই প্ৰবন্ধ ১৮৫০ শকৰ আগতে লিখা হৈছিল—লেখক ।



'তেতিয়া মোৰ বয়স ৮।৯ বছৰ হব । সেই সময়ত মোৰ মনত পৰে, আমাৰ ঘৰেই ৰংপুৰত এঘৰ লেখত লবলগীয়া মানুহ আছিল । আমাৰ ঘৰত সদায় গধূলি জিলাৰ অগ্ৰণীয়া, ৰঙালী আমোলাসকল গোট খাই, তাছপাশা খেলি, দেশৰ তাৰু ছৰ্কাৰৰ বহুতো কথাৰ গল্প কৰেহি ।

'এদিন গধূলি আমাৰ চ'ৰা ঘৰত বহুত মানুহ বহি আছে, এনেতে আমাৰ লগুৱা এটাই মোক পঢ়ি থকাৰ পৰা মাতি আনিলেগৈ । মই আহিলত, ককা-দেউতাই মোক ওচৰলৈ মাতি নি, হাতখনত ধৰি সুধিলে,—'কি কিতাপ পঢ়িছা ?' উত্তৰত কলো,—'ককা দেউতা ইংৰাজী ক খ কিতাপখন পঢ়িছোঁ ।' ককা-দেউতাই কলে ;—"সোণ অ, ইংৰাজী পঢ়িব নেলাগে । আজি মোক কৰ্ণেল ছাহাবে কৈছে আমাৰ দেশখন তেওঁবিলাকে আমাক শোধাই দিব । কেৱল মানে অত্যাচাৰ কৰি ভাঙি থৈ যোৱাৰ বাবে, কিছুদিন দেশখনৰ এটা গতি লগাবলৈকে হে, তেওঁবিলাক আমাৰ দেশত থাকিব । গতিকে, আমাৰ এতিয়া চাণক্যৰ নীতি-শ্লোক, পঞ্চতন্ত্ৰ আদিহে পঢ়িব লাগে । ইংৰাজী পঢ়িবৰ আৱশ্যক নকৰে'—ইত্যাদি ।

'ইয়াৰ পাছতো, ককা-দেউতাৰ ওচৰত বহোঁতে, সদায় শুনিবলৈ পাওঁ—'বোপাইহঁত ঐ, ইংৰাজে মোক আটাইতকৈ ডাঙৰ কাম এটা দি বৰ মান কৰি থয় । আমিও ইংৰাজক বৰ ভাল পাওঁ, আমাৰ ভগা দেশখন ইংৰাজে ৰাখিলেহি ! এনে মানৰ অত্যাচাৰৰ দিনত জানিবা ঈশ্বৰেহে দয়া কৰি ইংৰাজক আমাৰ দেশলৈ পঠালে । কিন্তু, মই ইমান সুখত থাকিও, গধূলি পুৰা চকুলো টুকিব লাগে । ৰংপুৰ, কাৰেংঘৰ আৰু তলাতলি ঘৰ কেইটাৰ অৱস্থা দেখিলে শোকে মোক খুন্দা মাৰি ধৰেহি । সেই কাৰণে সদায় ছাহাবহঁতক সোধো আমাৰ দেশখন তেওঁবিলাকে আমাৰ হাতত কেতিয়া দিব ?......

'আমি লাহে লাহে ডাঙৰ হলোহি । আমাৰ দেশ, আমাৰ ৰজা, ইংৰাজসকল কোন কেনে আমি ভালকৈয়ে জনা হলোহি । মই এতিয়া মাইনৰ স্কুলৰ প্ৰথম শ্ৰেণীত । তথাপি ককা-দেউতাই মোক কয়, 'ইংৰাজী পঢ়িব নেলাগে । আমি দেশ পাবলৈ বেছি দিন নাই ।' আমি কথাটো বুজিও, ককা-দেউতাৰ লগত উত্তৰ কাটিবলৈ আমাৰ কাৰো সাহস নাই ; আমি কেৱল ককা-দেউতাৰ কথা শলাগিহে গৈছিলো ।......

এদিন মাঘমহীয়া ককা-দেউতাৰ পানীলগা জ্বৰ দৰে হৈ টান কৰিছে বুলি শুনিলোঁ ! নগৰৰ ডাঙৰ সৰু সকলো মানুহে ককা-দেউতাক চাইছেহি । আমি লৰাবোৰো ওচৰলৈ গলোঁ । ককা-দেউতাই এবাৰ চকু মেলি সকলোকে চাই, দেউতাক কলে,—'ববোপা, মই জীয়াই থাকোঁতেই ইংৰাজে আমাৰ দেশখন আমাক নিদিলে । স্বাধীন দেশত মৰিব পৰা হলে মোৰ স্বৰ্গলাভ নিশ্চয় হলহেতেন । এতিয়া পৰাধীন দেশত মৰিলে নৰকলৈ যাবলগীয়া হয় কি নহয় হে ? তেও, কৰ্ণেল ছাহাবক মই কোৱাৰ দৰে এবাৰ কৈগৈচোন ! আজি গধূলিৰ পাছলৈ আৰু মই নেথাকিম । পাৰে যদি ইয়াৰ আগতে আমাৰ দেশখন শোধাই দিয়ক ! বৰ বোপা ! জানি-শুনি নৰকলৈ যাবলৈ বৰ টান পাইছোঁ !'... সঁচাকৈয়ে সেইদিনা গধূলি চাৰিকুৰি উনৈশ বছৰ বয়সত আমাৰ ককা-দেউতাই সংসাৰৰপৰা বিদায় ললে ।

'দেউতায়ে এতিয়া ঘৰৰ মূল । মৌজাটোৰ যি আয় হয়, তাৰেই কোনোমতে ঘৰখন চলায় । আমাৰ ৰজাদিনীয়া খাত-পাম কেইবাখনো আছিল । দেউতাই খাজনা দিব নোৱাৰি খাত-পামবোৰ তেনেই ইস্তফা দি দিলে, কেৱল দহ পুৰামান মাটি ঘৰত খেতি কৰিবলৈ থলে ।

'দেউতাই দেখিলে আমাৰ দেশৰ এতিয়া ঘাই গৰাকী ইংৰাজ বাহাদুৰ হে । ইংৰাজেই এতিয়া আমাৰ ৰজাৰ ঘৰ । ৰজা ঘৰক তুষ্ট কৰি কাম কৰিব পাৰিলে, আমাৰ ঘৰখন পূৰ্ব্বৰ দৰেই ধনী হব নোৱাৰিলেও তেও মানী হৈ বৰ পৰা হ'ব । নতু, দেশৰ আও ভাও যেনে হৈছে, মণিৰাম দেৱানৰ ঘটনাৰ দিনৰপৰা ভালকৈ চলিব

নেজানিলে কৰবাত একেবাৰে ঘৰখনৰ নাম নুমাব। তেতিয়াৰপৰা দেউতাই পুৰা গধুলি সদায় ছাহাবহঁতক দেখা কৰেগৈ। দেশৰ বা-বাতৰি য'ত যি পায়, সকলোখিনি ছাহাবহঁতৰ কাণত পেলাই থৈ আহেগৈ। গতিকে ৰজাৰ ঘৰে দেউতাক ভাল পাবলৈ ধৰিলে, আৰু প্ৰজাৰ ঘৰে দেউতাক ভয়ত ভজিবলৈ ধৰিলে, জানোবা দেউতাই সামান্ত কথাত কাৰবাক কৰবাত ফাটেকত দিয়ায়। বনৰ বাঘো দেউতাৰ নামত কঁপে বুলি কানীয়াসকলে গধুলি জুই-শালত দেউতাৰ অশেষ স্তুতি-বন্দনা কৰি মন ভাল লগায়হি। এনেতে এদিন দেউতা হঠাৎ ছৰকাৰৰ ঘৰৰপৰা ৰায় বাহাদুৰ হৈ পৰিল। দেউতাই অসমৰ প্ৰথম ৰায় বাহাদুৰ। সদিয়াৰপৰা ধুবুৰীলৈকে জনাজাত হল, অসম গৱৰ্ণমেণ্টৰ প্ৰধান মুখিয়াল মানুহ দেউতা। হোৱাৰ কথাই, ৰায় বাহাদুৰ হোৱাৰ আগেয়ে কাক কি কৰিছিল কব নোৱাৰো, কিন্তু ৰায় বাহাদুৰ হোৱাৰ পাছৰপৰা ইকাণ সিকাণকৈ শুনিবলৈ পাওঁ, অমুকৰ ঘৰৰ সকামত অমুকে দেউতাৰ মুখে মুখে তৰ্ক কৰাৰ বাবে অমুকৰ কাছাৰীৰ আমোলা কাম গল। অমুকে দেউতাক সবাহত বহিবলৈ মান নিদিয়াৰ বাবে ফাটেকত সোমাল। অমুকে এতোলা কানি, এৰ্বট গাখীৰ, এটিপা গুৰ, এদোন কোমল চাউলেৰে দেউতাক পূজা এটা দিয়াৰ বাবে অমুকৰ পুতেকে দাৰোগা কাম পালে, ইত্যাদি।

'আমাৰ এনে স্বয়-ম্ভয় ময়-ময় দিনতে, মই গুৱাহাটীত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি, কলিকতাৰ কলেজত পঢ়িছোঁহি।

'ছাহাবহঁতে দেউতাক কৈছিল, মই এতিয়াই মুন্সুপৰ কাম পাব পাৰোঁ, কিন্তু এফ-এ পাছ কৰিব পাৰিলে মোক এছিষ্টেণ্ট কমিশ্যনাৰৰ কাম দিব। দেউতাৰ ইচ্ছা মই ছাহাবহঁতৰ সমান হ'ব লাগে। সেই কাৰণে মোক দেউতাই কলিকতাত কলেজত পঢ়িবলৈ পঠাই দিলে। মোৰ বয়স তেতিয়া কুৰিৰ দেওনাত। কলিকতালৈ অহাৰ আগলৈকে মই সৎ চৰিত্ৰৰ নিভাঁজ অসমীয়া ল'ৰা আছিলোঁ। কিন্তু কলিকতাৰ বতাহ লাগিয়েই মোৰ দুটা কথালৈ বৰ ধাউতি হ'ল,—প্ৰথমটো ছাহাব হৈ চৌৰঙ্গীত সদায় গধুলি বায়ুপান কৰিবলৈ যোৱা; দ্বিতীয়টো, সপ্তাহত দুদিন অন্তত: চিৎপুৰৰ সোনাগাছিত থিয়েটাৰ চাবলৈ যোৱা। ঘৰৰ পৰা যিমান টকা খোজোঁ সিমান আহে। ৰাতি থিয়েটাৰ আদিত টোপনি খতি হোৱা বাবে প্ৰায়ে কলেজলৈ যাব নোৱাৰোঁ। এইদৰে এবছৰ গ'ল। সেইবাৰ বছেৰেকীয়া পৰীক্ষাত পাছ হ'ব নোৱাৰিলোঁ। দেউতালৈ মই লেখিলোঁ, পৰীক্ষা বৰ টান হৈছিল। কিন্তু আমাৰ কলেজৰ প্ৰিন্সিপেলজনে মনে মনে মোৰ গতি-গোত্ৰ আদি সকলো কথা দেউতালৈ লিখি পঠালে। তাৰ ঘূৰি ডাকত দেউতাৰ আৰু কমিশ্যনাৰ ছাহাবৰ চিঠি দুখন পালোঁ। দেউতাৰ চিঠিত লিখা আছিল—মই প্ৰিন্সিপেলৰ চিঠি পাইছোঁ। মোৰ প্ৰায়ে আজিকালি গা ভাল নেথাকে। তুমি পত্ৰ পায়ে গুচি আহিবা, ছৰকাৰে তোমাক ইয়াত মুন্সুপৰ কাম দিছে। হাকিম কাম লৈ ঘৰ চলোৱাঁহি"—ইত্যাদি। কমিশ্যনাৰৰ চিঠিখনত, কেৱল মোক মুন্সুপৰ কাম কৰিবলৈ দিয়া হুকুম আছিল।

বহুত ভাবিলোঁ। ভাবি ঠিক কৰিলোঁ, পঢ়িবলৈ নিদিয়ে যেতিয়া দেউতাই আৰু টকা নপঠিয়ায়, বিনা টকাৰে ইয়াত কেনেকৈ থাকোঁ গতিকে যোৱাই শ্ৰেয়। পাছদিনা জাহাজত গুৱাহাটী মুৱা হ'লো।

'নগাওঁ জিলাত মুন্সুপৰ কাম পালোঁ। নগৰৰ প্ৰায় মানুহে মোক দেখা-কৰিবলৈ আহে। দেখিলোঁ, মানুহবিলাকৰ সময়-অসময় নাই। ছাহাবৰ পোছাক নিপিন্ধা কোনো মানুহ মোৰ বঙলালৈ নাহিব বুলি চাপৰাছিক হুকুম দি দিলোঁ। তেতিয়া অসমত মোৰ বাহিৰে কেইজনে ছাহাবৰ সাজ পিন্ধিছিল ক'ব নোৱাৰো। এই হুকুমৰ পাছত আৰু অসমীয়া মানুহ মোৰ বঙলাত দেখিবলৈ নাইকিয়া হ'ল। কেৱল নগাঁৱৰ নতুন মিশ্যনেৰীৰ মেভাৰেও ব'ছ ছাহাব আৰু তেওঁৰ কন্যা Sweet Sixteen মিছ্ ব'ছ মাত্ৰ মোৰ বঙলাৰ লগৰীয়া হল।



অলপতে ৰংপুৰৰ এঘৰ বকৰাৰ ঘৰত পুৰণি পুথি বিচাৰোঁতে ওপৰৰ কথাখিনি লিখা পুৰণি কাকতৰ টোপোলা এটা পালোঁ। কাগজৰ টোপোলাটো তেনেই উয়ে খালে। যিমানখিনি পঢ়িব পৰা হল তাকে হে তুলি দিয়া হল।

শ্ৰীনকুলচন্দ্ৰ ভূঞা

---

# সন্ধিয়াৰ গান

সন্ধিয়া বেলিকা ৰূপহীৰ* বুকুতে
মাৰ গল দিনৰে খেল,
ৰূপালী ৰূপহীৰ বুকুতে পাতিলে,
সোণতে সুৱগা মেল।
আন্ধাৰো আহিছে চৌদিশে আবৰি
পোহৰো পেলাব লয়,
ৰূপহীৰ হাঁহিটি পহুমৰ মুখতে
থিতাতে পৰিব জয়।
বগলিৰ পাখিৰে কাপোৰখন উৰিব
ধুনৰো নাথাকে লেশ,
ৰূপহী কাষৰে প্ৰকৃতিৰ শোভা
সিও যে পৰিব শেষ।
হেৰ' গৰখীয়া! বাঁহী নবজাবি
গৰু তোৰ নাহেকে' খেদ,
যিদিনা সন্ধিয়া বাঁহী তোৰ হৰিব
লৈ যা তাৰে তই ভেদ।
ধনে ধনে বুলি ধনৰে বজিয়া,
ধনলৈ মেলিলি মন;
কি-নো বেহালি অ' বেপেৰুৱা
কি-নো গোটালি ধন!
"কালই সাঁচিলি জপাৰ বৰে কাপোৰ
কালৈ সাঁচিলি ধন!
কাপোৰো পচিব, ধনও হৰিব,
হাবতো গজিব বন।"
সাগৰৰ মাজৰে মাণিক বেপেৰুৱা
নাও তোৰ পৰিব বুৰি
সাগৰো শুকাব, মাণিকো লুকাব,
বেহা যাব কেনিবা উৰি।
হেৰা বাটৰুৱা! চোৰাঁ চোৰাঁ হেৰা!
লোৰাঁ এটিবাৰে চাই;
চালে চকুৰোৱা বেলি ভাগৰুৱা
সন্ধিয়া দেশলৈ যায়!
সন্ধিয়া বেলিকা চোৰাঁ চোৰাঁ হেৰা,
সকলো ভেলেকি বান!
আমাৰো সন্ধিয়া আছে, বাটৰুৱা,
আহাঁ গাওঁ তাৰে গান।

শ্ৰীফটিকচন্দ্ৰ চলিহা

---

*ৰূপহী পুৰণি ৰংপুৰৰ ওচৰৰ এখনি সৰু নৈ। এতিয়া ৰূপহী পথাৰৰ মাজত মিলি পৰিল।—লেখক

# ত্ৰিদিব

( ১ )

## এখনি পুৰণি অসমীয়া পুথিৰ পৰিচয়

১৮৪৯ শকৰ জেঠ মাহত শোৱালকুছি গাঁৱৰ শ্ৰীযুত ৰতিকান্ত শৰ্ম্মাৰ ঘৰৰপৰা লিখকে তিনিখনি অসমীয়া পুৰণি পুথি উদ্ধাৰ কৰিছে। এখনৰ নাম **উত্তৰ গোগৃহকথা,** ৰচক ৺কবি ৰাম সৰস্বতী; এখনৰ নাম **কানাই খইমেলিয়া,** ৰচক ৺কবি চন্দ্ৰভাৰতী; আৰু শেষৰ খনৰ নাম **সাবিত্ৰী সত্যবানৰ আখ্যান।** এই পুথি তিনিখনৰ এটি চমু বিৱৰণ উক্ত শকৰ ৮ আহিনৰ 'অসমীয়া'ৰ যোগে ৰাইজক জনাইছিলোঁ, আৰু লগতে আমি সদাশয় লোক সকলৈ অনুৰোধ কৰিছিলোঁ, যদি উক্ত পুথি তিনিখনৰ কোনো এখন কাৰো ওচৰত আছে তেনেহলে তাৰ বিৱৰণ যেন আমাক জানিবলৈ দিয়ে। কিন্তু আজিলৈকে আমি এই সম্পৰ্কে কাৰোপৰা একো বা-বাতৰি নাপালোঁ। পুথি কেখন কেবাজনো কৃতবিদ্যলোকক দেখুৱা হৈছে, কিন্তু কোনেও এনেকুৱা পুথি আৰু কৰবাত থকা বুলি কব নোৱাৰে। আজিলৈকে কামৰূপ অনুসন্ধান সমিতিয়ে যিবিলাক পুৰণি পুথি সংগ্ৰহ কৰিছে, তাৰ ভিতৰতো এই তিনি পুথিৰ নাম পোৱা নাযায়। এইবাৰ আমি পুথি কেখনৰ বিষয় অলপ বহলাই লিখি "বাঁহী"ৰ যোগে ৰাইজক জনাবলৈ ইচ্ছা কৰিছোঁ। এইবাৰলৈ আমি এখন পুথিৰ হে পৰিচয় দিলোঁ।

আমি পৰিচয় দিবলৈ উলিওৱা পুথিখনৰ নাম সাবিত্ৰী সত্যবানৰ আখ্যান। অসমীয়া ৰাইজৰ সুপৰিচিত, অসমীয়া পুৰণি সাহিত্যৰ অন্যতম প্ৰাণপ্ৰতিষ্ঠাতা কবি ৺ৰাম সৰস্বতী ৰচিত। ৭ ইঞ্চি দীঘল আৰু ৩ ইঞ্চি পুতলৰ ৪৪ টা সাঁচিপাতত সম্পূৰ্ণ। ছবী, লেছাৰী, পয়াৰ, পদ আদি নানা ছন্দত লিখা এখন উপাখ্যান। ইয়াৰ মূল ঘটনাটো এই:—

যেতিয়া দুষ্টমতি দুৰ্য্যোধনৰ লগত অন্যায় পাশা খেলত ঘাটি, ৰাজ্য-ধন পৰিত্যাগ কৰি পাণ্ডৱসকলে বনবাস দুখ ভোগ কৰিছিল, তেতিয়া এদিন শ্ৰীকৃষ্ণই পাণ্ডৱসকলৰ কুটিৰত আতিথ্য গ্ৰহণ কৰিছিলগৈ। যুধিষ্ঠিৰ আদি পাঁচ ভায়েক আৰু তেওঁলোকৰ সহধৰ্ম্মিণী দ্ৰৌপদীয়ে তেওঁলোকৰ বনবাস দুখ সুঁৱৰি শোক কৰিলে। শ্ৰীকৃষ্ণই পাণ্ডৱসকলক নানা কথা কৈ সান্ত্বনা দিলে, আৰু নাৰী দ্ৰৌপদীক তেওঁলোকৰ অনুগামী হৈ দুখ-কষ্ট সহ কৰিবলৈ উপদেশ দি এই সাবিত্ৰী সত্যবানৰ আখ্যানটি কৈছিল। সকলোৰে সুবিধাৰ কাৰণে সেই পুথিৰ পৰা মাজে মাজে দুই-এক খণ্ড পদ উদ্ধৃত কৰি দিলোঁ।

পুথিখনৰ আদিতে আছে—নমো গণেশায়। নমো শ্ৰীকৃষ্ণায়।

জয় নমো ৰাম পুৰুষ পুৰাণ
পৰম পুৰুষ হৰি।
ভাৰতৰ কথা প্ৰচাৰ কৰিলো,
তযু পদ অনুসৰি

পাণ্ডৱসকলৰ কুটিৰলৈ যোৱাত দ্ৰৌপদীৰ অতিথি শুশ্ৰূষা আৰু কৃষ্ণ পত্নীগণৰ সৈতে কথোপকথন—

সবাকো পূজন্ত দেৱী দ্ৰৌপদী প্ৰধান।
আপুনি ভৈলন্ত দেৱী সহস্ৰ সমান॥
হৰি দৰশনে আনন্দৰ সীমা নাই।
সেই বেলা কৃষ্ণ পত্নীগণে একে ঠাই॥
বেৰি বেৰি হাস্য কৰে দ্ৰৌপদীক মাতি।
সখি বুলি সাৱটি ধৰয় স্নেহে আতি॥
প্ৰথমতে ৰুক্মিণী দিলা সমিধান।
তোহোৰ দুখক দেখি নসহে পৰাণ॥
•   •   •
দুখত অধিক অলে শৰীৰ তোমাৰ।
সুকোমল শৰীৰ পুতলি সমসৰ॥
•   •   •



দ্ৰৌপদী বোলন্ত মোৰ ৰূপে ভৈলা কাল।
একো দুখ সুমৰিয়া লুকাও পাতাল॥
ৰূপ বিনে নাৰীক নোশোধে দুষ্ট নৰে।
সুগুনিছা মোক যি কৰিছে খটাসুৰে॥

পুথিখনৰ পদবোৰ ঠিক এনে ধৰণৰ। আখ্যান কৰি কবিয়ে পুথিখনত বহুত ভাব প্ৰকাশ কৰিছে। এবাৰ পঢ়িলে এৰিবলৈ টান হৈ পৰে। নীতি-বচনেৰেই পুথিখন ভৰপূৰ। ইয়াৰ বাহিৰেও কবিয়ে পুথিখনত ৰহস্যজনক কথা বহুতো দিছে।

তলত এটা বীভৎস ৰসৰ চানেকি তুলি দিলোঁ। সাবিত্ৰী সত্যবানৰ বিয়াৰ পাছত এদিন সত্যবান যজ্ঞ-কাঠ আনিবলৈ বনলৈ যায়। সাবিত্ৰীয়ে স্বামীৰ মৃত্যু কাল অহা দেখি নিৰাহাৰ ব্ৰত ধৰি আছিল। স্বামীক অকলে বনলৈ যাব নিদি তেৱোঁ সত্যবানৰ লগতে গ'ল। অৰণ্যৰ মাজত সত্যবানৰ মৃত্যু কাল উপস্থিত হয়। সত্যবানে মূৰত কিবা হোৱা বুলি সাবিত্ৰীৰ কোলাত মূৰটো থৈ শুই পৰিল। যমে সত্যবানৰ জীৱ নিবলৈ যমদূত পঠালে। সেই দূতৰ বৰ্ণনা—

সেই বেলা মৃত্যু কাল আহিলা তাহাৰ।
যমে পাঞ্চিলেক যম দূত পয়োসাৰ॥
শিৰত বান্ধিয়া ধূম্ৰ চৰ্ম্মৰ পাগুৰী।
কটিত বাঘৰ ছালে আছে কাছিপাৰি॥
ভেঙ্গুৰা ভেঙ্গুৰি তাৰ দেখি হাত ভৰি।
শৰীৰৰ লোম আছে উৰ্দ্ধক সিহঁৰি॥
হাতত লোহাৰ ডাঙ সঘনে লৰয়।
কৰ কৰ কৰি দন্ত চৰ্ব্বন কৰয়॥
চক্ষুৰ কোটাৰ তাৰ দেখিতে কুচান।
প্ৰহৰ পথত তাৰ গাৰ পাই ঘ্ৰাণ॥
হস্তী সম গাত্ৰ তাৰ কুলা হেন কাণ।
মুখ গোটা বেকা তাৰ পথালি নয়ন॥

সাবিত্ৰীক দেখি এই বিকটাকাৰ যমদূত পলাই যোৱাৰ কাৰণ:—

পতিব্ৰতা নাৰী আৰু নিৰাহাৰ ব্ৰত।
তাতে মাধৱৰ নাম নাচাৰে মুখত॥
ঐক্য ভাৱে হৰিৰ ৰূপক চিন্তে মনে।
স্বামী কোলে লৈয়া সতী বসে ঘোৰ বনে॥
সাবিত্ৰীৰ তপ ধ্যান দেখিয়া বিস্ময়।
তপ ধ্যান দেখিয়া দূতৰ ভৈলা ভয়॥

দূতে ভয় কৰি সত্যবানৰ জীৱ নিব নোৱাৰি উভটি গৈ যম ৰজাৰ আগত সকলো বৃত্তান্ত কলেগৈ। যম নিজে আহিও কোনো মতে সত্যবানৰ জীৱ নিব নোৱাৰে। পাছে সাবিত্ৰীক সত্যবানৰ কাষৰপৰা খেদাই যমে সত্যবানৰ জীৱ লৈ যাবলৈ ধৰিলে। সাবিত্ৰী যমৰ পাছে পাছে মৃত পতিৰ লগত যাবলৈ ধৰিলে। যমে সাবিত্ৰীক বঢ়াই-বুজাই পঠাব পাৰিব বুলি ভাবিছিল কিন্তু একোতে একো নহল। সাবিত্ৰী মৃত পতিৰ পাছে পাছে গৈ থাকিল।

যম চলি গৈলা পথে উগ্ৰ বেগে বৰ।
পুনৰপি ৰৰ নাৰী দিলেক লৰৰ॥
এই ৰূপে সাবিত্ৰীৰ দুখ যত যত।
দুনাই বসিলা ৰাজা গাৱে নাই তত॥
দুনাই পাছক যমে চাহিলন্ত ফিৰি।
দেখয় সাবিত্ৰী আসে বৰ বেগ ধৰি॥
সম্বোধিয়া যম ৰাজা বুলিলা বচন।
কি কাৰণে আসা আই যমৰ ভৱন॥

যমে যম-যাতনাৰ কথা কৈ সাবিত্ৰীক ভয় দেখুৱালে। সাবিত্ৰীয়ে ভয় কৰক ছাৰি সত্যবানৰ পৰিবৰ্ত্তে সেই শাস্তি নিজে ভোগ কৰিবলৈ আগহে বাঢ়িলে। যমে সাবিত্ৰীক এটা মনোমত বৰ দি উভটি পঠিয়াবলৈ ইচ্ছা কৰি সাবিত্ৰীক স্বামীক জীৱন দিয়া ৰবত বাহিৰে নিজৰ খুচিৰে যি বৰ লাগে তাকে লৈ উভটি যাবলৈ কলে। সাবিত্ৰীয়ে ভাবি-চিন্তি, যমক সত্য কৰাই লৈ এটা বৰ মাগিলে।

মই পতিব্ৰতা হেন খ্যাতি জুৰিবেক।
আৰ মোৰ গৰ্ভে এক শত পুত্ৰ হোক॥
সেহি হোক বুলি যম ৰাজা গৈলা চলি।
তাতে বসি সাবিত্ৰী হাসয় খলাখলি॥
বিবুদ্ধীয়া যম ৰাজাক বোলয় বাক।
ভাল পুত্ৰৱতি বৰ দিলাহা আমাক॥

কেন মতে নিয়া পতি যাতনা দুর্ঘোৰ।
পতি বিনে কেন মতে পুত্র হৈব মোৰ ॥
সাবিত্রীৰ এই কথা শুনি যম-ৰজাই—
অবধান নকৰিলা বচনত ঘাটি।
সত্যক ছাৰিয়া দিলা তৈতে বান্ধ কাটি ॥
সাবিত্রীক বোলে স্বামী নিয়াহা তোমাৰ।
আৰু এক বৰ দেক্রো ইটো হৈব সাৰ ॥
পতিব্রতা নাৰীৰ যতেক স্বামী লোক।
আজি হন্তে বোলো মোৰ অধীন গুচোক ॥

শ্রীদামোদৰদেৱ মিশ্র

(২)

## স্ত্রী-স্বাধীনতা আৰু স্ত্রী-শিক্ষা

তিৰুতাক পুৰুষে সমান অধিকাৰ নিদিয়াৰ প্রধান কাৰণ এই যে তেওঁলোকে তিৰুতাতকৈ শ্রেষ্ঠ আসন অধিকাৰ কৰি লৈছে আৰু তিৰুতাতকৈ তেওঁলোকৰ শৰীৰৰ বল সৰহ। তিৰুতাই নিজেই নিজক ৰক্ষা কৰা টান গতিকে পুৰুষৰ আশ্রয় লৈছে। পুৰুষে তিৰুতাক সমান অধিকাৰ দিয়া নাই ; পুৰুষে তেওঁলোকক সমান অধিকাৰ নিদিলে তেওঁলোকে নিজে পুৰুষৰ লৈতে সমান অধিকাৰ লব নোৱাৰে কাৰণ তিৰুতাবিলাক পুৰুষৰ অধীন। আৰু কোনো কোনো দেশত পুৰুষে তেওঁলোকতকৈ তিৰুতাক হীন বুলি ধৰে, সেই কাৰণেই আজিলৈকে সেইবিলাক দেশতে তিৰুতাই পুৰুষৰ লৈতে সমান অধিকাৰ পোৱা নাই।

তিৰুতাক পুৰুষৰ লৈতে সমান অধিকাৰ দিব লাগে, নিদিলে তিৰুতাবিলাকৰ প্রতি বৰ অন্যায় কৰা হয়। কাৰণ, তিৰুতাবিলাকে অকল ৰন্ধা-বঢ়া, বোৱা-কটা, সন্তান পালন ইত্যাদি ঘৰুৱা লেঠাত ঘৰৰ ভিতৰৰ পৰা এখোজো ওলাব নোৱাৰে। তেওঁলোকে মুকলি বতাহ পাব নোৱাৰে, গতিকে তেওঁলোকৰ নিজৰ স্বাস্থ্য দুৰ্ব্বল আৰু বেয়া হবই, তেওঁলোকৰ সন্তানবিলাকো দুৰ্ব্বল, ৰুগীয়া আৰু অসুখীয়া হৈ বংশ বংশানুক্রমে তেনেই তলপৰা আৰু নাম নাইকিয়া হৈ যায়। আজি ইংলণ্ড, তুৰ্কী ইত্যাদি ঠাই ইমান উন্নত আৰু নামজ্বলা, কাৰণ তাত তিৰুতাইও পুৰুষৰ লৈতে সমান অধিকাৰ পাইছে। তাত টেনিছ খেলা-মাত লোকোৱা, সভা-সমিতিত যোগ দিয়া, নানা তৰহৰ খেল, গান-বাজনা কৰা আনকি মন্ত্রী ইত্যাদি ৰাজনৈতিক কামো তিৰুতাই কৰে। ইংলণ্ডৰ মন্ত্রী সভাত এজনা মহিলা মন্ত্রীও আছে। তেওঁৰ নাম মিছ ব্লণ্ডফিল্ড (Miss Blondfield.) ভাৰততো এনেকুৱা মহিলাৰ নাম আমি পাওঁ, যেনে, ৺সৰোজ নলিনী দত্ত আৰু শ্রীযুক্তা সৰোজিনী নাইডু। ৺সৰোজ নলিনী দত্তৰ জীৱনী পঢ়িলে আমি জানিব পাৰোঁ যে তেওঁৰ বাপেক আছিল এজন আই, ছি, এচ, আৰু তেওঁৰ গিৰিয়েকো আছিল এজন আই, ছি, এচ। তথাচ তেওঁ সাধাৰণ তিৰুতাৰ নিচিনাকৈ সকলো ঘৰুৱা কাম কৰিও আনকি ৰন্ধা-বঢ়া কৰিও ঠায়ে ঠায়ে মহিলা সমিতি পাতি, তাত যোগ দি সকলো বঙ্গ মহিলাকে উৎসাহ দিছিল। আৰু তেওঁ বিধবা তিৰুতাসকলৰ সহায়ৰ কাৰণে বিধবা আশ্রম পাতি গৈছিল। কেনেকৈ নাৰী জাতিৰ উন্নতি হয় এই বিষয়ে তেওঁ বিশেষ যত্ন লৈছিল। তেওঁ টেনিছ আদি খেলিছিল আনকি গিৰিয়েকৰ লগত চিকাৰলৈকো গৈছিল। শ্রীযুক্তা সৰোজিনী নাইডুৱে বক্তৃতা শক্তিৰ বলত নানা দেশৰ নৰ-নাৰীকে মুগ্ধ কৰিছে। ইয়াৰ দ্বাৰাই জনা যায় যে তিৰুতাবো বাহিৰা কামত যোগ দিবলৈ শক্তি আছে।

তিৰুতাক অকল সাহিত্য বা গান-বাজনা আদি শিকালেই নহয়। সাহিত্য, গান-বাজনা আদিৰ লগে লগে বিজ্ঞান, দৰ্শন ইত্যাদি শিকালে তেওঁলোকৰ বিবেচনা শক্তি বাঢ়িব।

তিৰুতাৰ পৰ্দ্দা প্রথাটোৱেই সাহ, আত্মনিৰ্ভৰ, উদাৰতা, স্বাধীন চিন্তা এইবোৰৰ বাধা। গতিকে তিৰুতাক সমাজ-সেৱাত যোগ দিবলৈ দিয়া উচিত। কাৰণ অকল ভিতৰ সোমাই থাকিলেই সাহ নাইকিয়া হয় আৰু মন ঠেক হয়, নিজে বিবেচনা শক্তি খটাই, এখন কাম কৰিব নোৱাৰে। এইবোৰৰপৰাই তেওঁলোকৰ লৰা-ছোৱালীবোৰো এই গুণবিলাক নোহোৱা হয়, কাৰণ সিহঁতে সৰুৰেপৰাই মাকৰ লগত সৰহ



সময় থাকে, তেনে স্থলত মাকক যিহকে কৰা দেখে সন্তানেও তাকে শিকে। আমি যিমান ডাঙৰ মানুহ দেখিবলৈ পাওঁ তেওঁলোকে উন্নতি কৰাৰ প্রধান কাৰণ মাকৰ শিক্ষা। যেতিয়ালৈকে ভাৰতত বাল্য-বিবাহ আৰু পৰ্দ্দা প্রথা নুগুচে তেতিয়ালৈকে স্ত্রীশিক্ষাৰ বিশেষ বিস্তাৰ হব নোৱাৰে।

তিৰুতাৰ কৰ্ম্মক্ষেত্র ঘাইকৈ ভিতৰত আৰু পুৰুষৰ কৰ্ম্মক্ষেত্র ঘাইকৈ বাহিৰত গতিকে একে শিক্ষা প্রণালীয়ে দুয়োৰে পক্ষে উপযোগী নহয়। আমেৰিকাত ছোৱালীবিলাকক ঘৰ চলাবলৈ নিয়ম মতে শিক্ষা দিয়া হয়। বোৱা-কটা, সিঁয়া আৰু ঘৰ চলোৱাৰ বিষয়ে শিক্ষা ছোৱালীবিলাকে স্কুলতে পোৱা উচিত, আৰু এইবোৰৰ বাহিৰেও তেওঁলোকক সমাজ-সেৱা ইত্যাদিতো যোগ দিবলৈ দিয়া উচিত। তিৰুতাবিলাকে ঘৰুৱা কাম কৰিও যথেষ্ট আহৰি পায়। সেই সময় ছবি অঁকা, বা নানা তৰহৰ খেল কৰা, সমাজৰ সেৱা আদি আন কামত যোগ দিলে তেওঁলোকৰ নিজৰ মনৰো আনন্দ আৰু সময়ৰো সৎ ব্যৱহাৰ হয়। মুঠতে তিৰুতাৰ কামৰ বিশেষত্ব এইটোৱেই যে তিৰুতাই বোৱা-কটা, নানা তৰহৰ হাতৰ কাম, ঘৰ চলোৱা ইত্যাদি কামো কৰিব লাগিব। তিৰুতা জাতিক পুৰুষে সকলো প্রকাৰ সুচল দিব লাগে যাতে তেওঁলোকে নিজৰ উন্নতি কৰি পুৰুষকো বিশেষ সহায় কৰিব পাৰে।

শ্রীকিৰণবালা চৌধুৰী

(৩)

## প্রতিবাদৰ উত্তৰ

যোৱা ১৮৫০ শকৰ চ'ত মাহৰ "বাঁহী"ৰ ৫১২ পৃষ্ঠাত শ্রীমানিকচন্দ্র ডেকাই কোচ বা কচাৰি বা চুটিয়াক তল শ্রেণীৰ বোলাত অকৃতাৰ্থ হৈছে। ধৰ্ম্মতঃ আমি চুটিয়া জাতিক কেতিয়াও নিকৃষ্ট জাতি বোলা নাই আহোম জাতিৰ দৰে অসমত প্রবল প্রতাপী জাতি হে বুলিছোঁ—যেনে, শিক্ষিত, পাৰ্গত প্রতাপী, ভীষ্মকৰ বংশধৰ, এনে সম্মানজনক আখ্যা দি আহিছোঁ। শেহত কোৱা হৈছে যে কোনো কোনোৱে কয় যে বিষয়া হৈ থকা সৰু বৰ ছুকৈদৰ ভিতৰত ভূঞাসকলে কুমাৰী কন্যা বিবাহ নকৰে। আৰু ক্ষত্রোচিত কায়স্থ বৰ্ণানুক্রমে উত্তৰী গ্রহণ নকৰে। কোনো কোনো স্থলত, আচাৰভ্রষ্ট হৈ হলাকৰ্ষণ কৰি আৰু আন আন বৃত্তি ধৰি প্রবৰ্ত্তিত হৈ আজিকালি ভূঞাসকল, "কলিতা" হৈ পৰিছে। কোনো কোনো তাতোকৈ তল শ্রেণীলৈকো নামিছে। যেনেঃ—কোচ, কেওঁট, চুটিয়া ইত্যাদি। এনেকৈ এটা উদাহৰণ দিয়াত যে, চুটিয়া, কোচ, কেওঁটক তল শ্রেণীৰ, সকলোৰে তলত পৰিছে তেনে বুজা অযৌক্তিক মাত্র। কাৰণতঃ অসমীয়া সমাজত—অতীজৰপৰা বৰ্ত্তমানলৈকে—যি শ্রেণীবিভাগ, জাতিৰ আগ-পিছ আছে, তাক বোধ হয় সকলোৱে স্বীকাৰ কৰিব। আমাৰ অসমত মহাপুৰুষ শ্রীশ্রীশঙ্কৰদেৱৰ যুগৰপৰাই অসমীয়াৰ ধৰ্ম্ম-নীতি, সমাজ-নীতি, জাতিকুলাচাৰ, বৈদিক সংস্কাৰ আদি নানা তৰহৰ উন্নতিৰ সোপানত কেউফাললৈ অসমীয়াৰ মুখোজ্জ্বল হয়। তাৰ আগত কোন কি আছিল, কোন মহাপুৰুষে জন্ম গ্রহণ কৰিছিল, তাৰ ইতিবৃত্ত, অতল জলধিৰ গৰ্ভত। আমি কোচ, কেওঁট, কলিতা, কাঠ বামুণ কোনো জাতিকেই হেয় জ্ঞান নকৰোঁ। কাৰণ সকলো জাতিৰে সকলো প্রকাৰে উন্নতি বিধান কৰাই মানুহ মাত্রৰে ধৰ্ম্ম। কোনো ধৰ্ম্মতেই কোনো জাতি হিছাপে বাদ পৰি থকা নাই। অসমীয়াৰ সামাজিক নিয়মৰ নিয়ম কৰোঁতা আৰু চাল-চলনৰ ভিতৰত প্রধান খুটি-স্বৰূপ, "সত্র"বিলাকত যি সাৰ্ব্বজনীন সামাজিক নিয়মৰ উচ্চ-নীচ প্রচলিত আছে, তদনুক্রমে শিষ্য পৰম্পৰা ৰূপে, গাঁৱলীয়া সামাজিক নিয়ম-প্রণালীও, তদন্তৰ্গত চলি থাকিব লাগিছে। সমাজৰ আচাৰানুসাৰে অসম হিন্দু সমাজত ব্রাহ্মণসকলৰেই প্রথম ঠাই, তাৰ তলত কায়স্থ বা কাঠ বামুণ, মহন্ত, তাৰ তলত কলিতা। কলিতাৰ তলত কেওঁট, কেওঁটৰ তলত কোচ, কোচৰ তলত হিন্দু চুটিয়া, আহোম চুটিয়া ইত্যাদি। কিন্তু চুটিয়াসকলে নিজেই স্বীকাৰ কৰিছে যে তেওঁবিলাকতকৈয়ো উচ্চ হিন্দু আছে। "চুতীয়া" নামৰ সৰু কিতাপত চাবলগীয়াঃ—যেনে আজিকালি চুটিয়াবিলাকৰ দুটা ভাগ দেখা যায়। হিন্দু চুটিয়া আৰু আহোম চুটিয়া।

(ক) হিন্দু চুটিয়াবিলাক উজনি অঞ্চলৰ আদিম বাসী মানুহৰ সতি-সন্ততিবিলাক। তেওঁলোক অনেক শ বছৰৰ আগৰপৰাই হিন্দু বুলি পৰিচিত। আচাৰ ব্যৱহাৰ সামাজিক কাৰ্য্য-প্ৰণালী আদিও ইবিলাকৰ আন উচ্চ শ্ৰেণীৰে সৈতে একো প্ৰভেদ নাই।

(খ) আহোম চুটিয়াবিলাক হৈছে সানমিহলি তোৱা মানুহ। যিবিলাক চুটিয়াই আহোমৰ লগত বিয়া-বাৰু কৰালে বা যিবিলাক আহোমে হিন্দুৰ নীতি-নিয়ম আদি সম্পূৰ্ণে গ্ৰহণ কৰি আহোমৰ জাপৰপৰা ফাটিল, কিম্বা চুটিয়াৰে বিয়া-বাৰু কৰিবলৈ ধৰিলে তেওঁলোকেই আহোম চুটিয়া। হিন্দু চুটিয়া আৰু আহোম চুটিয়া নামত হে দুটা, আচাৰ নীতিত কোনো বেছি অমিল নাই। ইত্যাদি।

আকৌ সেই কিতাপৰ ১১ পিঠিত দ্ৰষ্টব্যঃ—যেনে কোনোৱে কব পাৰে আজিকালি আহোম আৰু চুটিয়াৰ মাজত সাধাৰণতে পাৰ্থক্য নো কিটো আছে? আমি কওঁ কাৰণ বহুত আছে। নাহৰ এজাৰ আদি একে সুকাঠি কাঠ, মানুহৰ একে উপকাৰকে সাধন কৰে তথাপি জাত সুকীয়া হৈ চলি আহিছে। আহোম আৰু চুটিয়াৰ কথাও তেনেকুৱা। সমূলঞ্চে একো প্ৰভেদ নাথাকি মিহলি হৈ এটা প্ৰকাণ্ড জাতি হব পৰা হলেতো একো কথাই নাছিল। সমাজৰ স্বাভাৱিক হেঁচা-ঠেলা বা ওখ চাপৰত এনে মিলন হৈ উঠে। ইত্যাদি, ইত্যাদি।

'প্ৰতাপেৰে ৰাজ্য শাসন কৰিলেই যে জাতিবৰ্ণ নিৰ্ব্বিশেষে উত্তম বৰ্ণ হব পাৰে, ই কোনো সমীচীন মত নহয়। কোনো ৰাজ্য শাসন নকৰিও কলিতাবিলাক আসামৰ উন্নত জাতি তাক সকলোৱে স্বীকাৰ্য্য।

"এসময়ত চড়াল বা চণ্ডালবো শাসনকৰ্ত্তা আছিল। সিবিলাকৰ প্ৰতাপৰ কথা ৰামায়ণত পোৱা যায়। সেই বুলি নিষাদবিলাক উচ্চ জাতি এনে ভবা যুক্তি নহব বোধ হয়। সিবিলাকৰ ব্যক্তিগত নিজ নিজ স্বকীয় গঠনমূলক জাতি হিছাপে উন্নত হলেও বৰ্ণানুক্ৰমে উচ্চ জাত হ'ব নোৱাৰে। সমাজ য'ত আছে ত'ত তাৰতম্য আছেই। আদিতে ভগৱানে চাৰিটি বৰ্ণহে সৃজন কৰিছে। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ। সমাজ পুৰুষৰ মুখপাত্ৰ স্বৰূপ ব্ৰাহ্মণ, বাহুস্বৰূপ ক্ষত্ৰিয়, উৰুস্বৰূপ, বৈশ্য আৰু সমাজৰ তল থাপৰ বাবে শূদ্ৰ সমাজ পুৰুষৰ পদ স্বৰূপ। তাৰ পাছত সমাজত ব্যতিক্ৰম ঘটাত পৰস্পৰে বিভিন্নৰূপে যৌন সম্বন্ধ কৰাত নানা বিধ জাতৰ উৎপত্তি হয়। সানমিহলি বৰ্ণশঙ্কৰ বুলি আখ্যাত কৰিছে। তাৰ পিছত সমাজ পুৰুষে ওপৰত কৈ অহা বামুণ, কায়স্থ, কলিতা ইত্যাদি ক্ৰমে গঠিত কৰি লয়। বৰ্ত্তমান এই অৱস্থা চলি থকা সত্বেই উচ্চ বৰ্ণৰ কায়স্থ ভূঞাবিলাকৰ ভিতৰৰ কেইঘৰমান ভূঞাই উপপ্লৱতে বা আন কোনো কাৰণতে চুটিয়া কোচ আদিৰে যৌন সম্বন্ধীয় বিবাহাদি কৰি তললৈ নামিছে বুলি চিনাকি দিয়া হৈছে। যেতিয়া কালৰ অবিৰাম গতিৰ চক্ৰৰ পাকত আকৌ (যদি কিবা গঢ়-গতি সমাজে সলায়) বৰ্ত্তমান প্ৰচলিত প্ৰণালীবিলাকক অটল জলধিৰ গৰ্ভত ডুবাই নতুন স্ৰোতত সমাজ প্ৰধাবিত হব তেতিয়া হয়তো এতিয়া আমি কোৱা যুক্তি নাথাকিব। কাৰণ তেতিয়া সকলো সমান হব। বৰ্ত্তমান বহুত বাকী। শিৰোমণি ভূঞা বংশীয় কায়স্থসকল সূৰ্য্যবংশীয় ক্ষত্ৰিয় কুলভূষণ, ইক্ষ্বাকু ৰজাৰ বংশধৰ। ইবিলাকক "পঞ্চপ্ৰভু কায়স্থ' বোলে। প্ৰাচ্যবিদ্যামহাৰ্ণব বাবু নগেন্দ্ৰনাথ বসু সিদ্ধান্তবাৰিধি প্ৰণীত কায়স্থৰ বৰ্ণনিৰ্ণয় পুস্তক দ্ৰষ্টব্য। ১৯ ঘৰ বিশুদ্ধ কায়স্থক কান্যকুব্জৰপৰা আনি মহাৰাজ গৌড়েশ্বৰে ঠায়ে ঠায়ে পাতি ৰাখে। গৌড়েশ্বৰৰপৰা কমতাৰ ৰজাই ৭ ঘৰ কায়স্থ, ৭ ঘৰ ব্ৰাহ্মণ, মোট ১৪ ঘৰ আসামলৈ আনি পাতে। এই সূৰ্য্যবংশীয় কায়স্থসকল পূৰ্ব্বে অসিজীৱী ক্ষত্ৰিয় আছিল। তাৰ কিছু কালৰ পিছৰপৰা, মসীজীৱী ক্ষত্ৰিয় কায়স্থ হয়। বিশুদ্ধ প্ৰথম শ্ৰেণীৰ কায়স্থসকলৰ সংস্কাৰী কৰ্ম্মবোৰ বামুণৰ দৰে। সেই হেতু আজি পৰ্য্যন্ত বামুণৰ পাছতেই কায়স্থৰ ঠাই। স্মাৰ্ত্তকাৰ ৰঘুনন্দনে "কায়স্থক" "সৎশূদ্ৰ" নামকৰণ কৰিছে। ভূঞা উপাধিযুক্ত নাম হে, ভূঞাসকল কায়স্থ। ভূঞা অৰ্থে ভুজ বলে "ভূ" শাসন কৰোতা। মাটিৰ গৰাকী বা আন



কোনো অৰ্থ নহয়। কায়স্থ ভাস্কৰ ১ম অধ্যায়ত দ্ৰষ্টব্য। 'কায়স্থ জাতিৰ লোক, ভাৰতবৰ্ষত প্ৰায় ৫০ লক্ষ হব। কায়স্থ দ্বিজ আৰু মসীজীৱি ক্ষত্ৰিয় জাতি। আসামৰ কায়স্থসকল, এই বিৰাট কায়স্থ জাতিৰেই এটা অঙ্গ হলেও অনেকে তেওঁলোকক "সৎশূদ্ৰ" বুলি ধাৰণা কৰে। কায়স্থ মসীজীৱী ক্ষত্ৰিয়। কাৰণ অতীতত ক্ষত্ৰিয়বিলাক সদায় যুদ্ধ কাৰ্য্যত আবদ্ধ থকাত দেশত অশান্তি আৰু আভ্যন্তৰিক অৱস্থা বিশৃঙ্খল হৈ পৰে। সেই কাৰণে কিছুমান ক্ষত্ৰিয়ই যুদ্ধ বৃত্তি এৰি লেখক বৃত্তি অৱলম্বন কৰিছিল। এই লেখক ক্ষত্ৰিয়দলক মসীজীৱী আৰু যুদ্ধ কৰোতা দলক অসিজীৱী ক্ষত্ৰিয় বোলা হৈছিল। ভূঞাসকলে যুদ্ধ এৰি মসীবৃত্তি পুথি লেখা কাৰ্য্যাৱলম্বন কৰিলে। অসিজীৱী মসীজীৱি উভয়েই ক্ষাত্ৰ কৰ্ম্ম।

"অসিনাং ৰক্ষনং ৰাজ্যাং মস্যাদি স্থাপনায়চ।
উভৌ ক্ষত্ৰিয় ধৰ্ম্মৌচ ভূমৌ খ্যাতৌ ময়াকিলঃ॥
—যজুৰ্ব্বেদীয় ব্ৰহ্মখণ্ড।

অৰ্থাৎ অসিৰ (তৰোৱাল) দ্বাৰা, ৰাজ্য ৰক্ষা হয়, মসীৰ (মহীৰ—লেখনিৰ) দ্বাৰা স্থাপিত হয়। লেখকেই কায়স্থৰ নামান্তৰ যেনে—লেখকঃ স্যাৎ লিপিকৰঃ কায়স্থোঽক্ষৰজীৱকঃ॥—হলায়ুধ ভট্টকৃত অভিধান ৰত্নমালা।

এই প্ৰমাণানুসাৰে কায়স্থ মসীজীৱী ক্ষত্ৰিয় কায়স্থ বুলি জনা গল। কিন্তু কায়স্থ কলিতা হোৱাৰ কাৰণ— কলিতাই স্বভাৱতে হাল-কোৰ বায় আৰু পুষ্পিতা কন্যা বিবাহ কৰে আৰু উপনয়ন সংস্কাৰ নকৰে। আনফালে কায়স্থৰ স্থান বামুণৰ লগত তাক কোৱা হৈছে। কলিতা কাজেই তল খাপত। যিবিলাক কায়স্থই নিজৰ জাতি কুলাচাৰ এৰিলে কিম্বা কলিতাৰ লগত সকলো চলালে তেওঁ সেই গতিকেই কায়স্থৰপৰা কলিতালৈ নামিছে।

আসামত কায়স্থ তিনি শ্ৰেণীৰ বুলিব পাৰি। ১ম শ্ৰেণীৰ নিভাঁজ কায়স্থ; যেনে:—"যাৰ উপনয়ন আছে, সকলো কৰ্ম্ম বামুণৰ দৰে। কন্যা আদান-প্ৰদানত অপুষ্পিতা কন্যা আনে দিয়ে। ২য় শ্ৰেণীৰ কায়স্থঃ—যি সংস্কাৰহীন হৈ বা নিজ ইচ্ছামতে জাতীয় প্ৰথা পৰিত্যাগ কৰি, কলিতা কেওঁটৰ লগত যৌন সম্বন্ধ স্থাপন কৰি কলিতা হৈ পৰিছে। ইবিলাকে উঢ়া কন্যা বিবাহ কৰে আৰু দিয়ে। ৩য় শ্ৰেণীৰ কায়স্থৰ সংখ্যা বেছি যেনে—পঢ়ি-শুনি সভ্য হৈ পৰিছে ইত্যাদি। অসমত কলিতা বুলি চিনাকি দিওঁতা, জাতি হেকৰা "কায়স্থ" আৰু তন্নিম্ন (কলিতাতকৈ তল শ্ৰেণীৰ) সোণাৰী নট, কমাৰ, কুমাৰ ইত্যাদি সকলে চিনাকি দিবলৈ আগবাঢ়ে। সি যোগ্য নে অযোগ্য তাক আমি কব নোৱাৰো। কিন্তু সিবিলাকে নিজক কলিতা বুলিয়েই চিনাকী দিয়ে। বিশেষ কায়স্থ জাতিটিৰ বিষয়ে লিখকে অনেক প্ৰমাণ দিবলৈ প্ৰস্তুত হব পাৰে। অসমত আগৰ দিনত কোন ক্ষত্ৰিয় আছিল বা আহোম ৰজাৰ ৰাজত্ব শাসনৰ আগতে আৰু মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ পুৰুষৰ আগতে কোনে ৰাজ্য শাসন কৰিছিল বা কোন ধৰ্ম্ম প্ৰচাৰকে, ধৰ্ম্ম প্ৰচাৰ কৰিছিল তাক আমাৰ নিচিনা নিঃকিনে নালাগে, অনেক পুৰাণতত্ত্ববিদসকলে তথ্য বিচাৰি প্ৰকৃত ঐতিহাসিক তত্ত্বত উপনীত হব পৰা নাই। নানা মুনিৰ নানা মত। তাক ধৰিবলৈ পুৰাণ, ইতিহাস, বুৰঞ্জী আদি শাস্ত্ৰবোৰ। আসাম ৰজাৰ ৰাজত্বৰ অলপ পিছৰপৰাহে বুৰঞ্জী লিখাৰ দিহা হৈছিল। তাকো আকৌ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই ঈৰ্ষাপৰবশ হৈ ভালেমান বুৰঞ্জী পুথি পুৰি ছাই কৰিলে। তথাপি পৰম্পৰ সকলোৱে জনা আছে যে ইবিলাকৰ আগত কোনো সভ্য জাতিয়ে আসাম অধিকৃত কৰা নাই। ইয়াৰ আগত ৰাজনীতি, ধৰ্ম্মনীতি প্ৰবৰ্ত্তক কোন আছিল, ৰাজনীতি, ধৰ্ম্মনীতি বা কি আছিল, কোন ক্ষত্ৰিয় আছিল, তাক প্ৰকাশ কৰা সহজ নহয়। শুনা আছে ত্ৰেতাযুগত মহীৰাৱণ, মহীৰঙ্গ দানৱ আৰু দ্বাপৰ যুগত নৰক অসুৰৰ পুত্ৰ ভগদত্তই শাসন কৰিছিল। বুঢ়ালোকে আকৌ জৰাসন্ধৰ বন্দীশাল বুলিহে কয়। ক্ষত্ৰিয়বোৰ বাৰ বছৰ বন্দী হৈ থকা অৱস্থাত ক্ষত্ৰিয়ৰ সঁচ নৈ যাব পাৰে; তেনেহলে কায়স্থই ক্ষত্ৰিয়ৰ দাবী কৰাটো ভুলও হব পাৰে।

ডেকা ডাঙৰীয়াই ইয়াৰ কিবা জানিলে তাক বিশদকৈ জনোৱা উচিত। ডেকা ডাঙৰীয়াই আমি প্ৰচলিত নিয়মত

হৈ থকা বৰ্ত্তমান সামাজিক তল ওপৰ থাপৰ অৱস্থাৰ এটা উদাহৰণ দিয়াত যে অকৃতাৰ্থ হৈছে ;—"এই মোৱামৰীয়া-বিলাকৰ অধিকাংশ জনেই সজ জাতৰ মানুহ, বড়ো, ডোম, হাবি, কছাৰি, ইত্যাদি" এনেবিলাকত চুটিয়াক বড়ো ডোম কছাৰিৰে হাবিৰে একে বোলাত কৃতাৰ্থ কিয় ইয়াকেহে বুজিব নোৱাৰিলোঁ।

(আসামৰ আঁঠোটা জাতিৰ উৎপত্তি বিৱৰণ কিতাপৰ ৭৮ পিঠি চাওক।)

১৮৫১ শকৰ বহাগৰ ১৪ তাৰিখৰ দ্বাদশ ভাগ "অসমীয়া"ৰ ১ম সংখ্যা কাকতৰ ৫ পিঠিত কছাৰি সম্মিলনীৰ সভাপতি শ্ৰীযুত বেণুধৰ ৰাজখোৱাৰ অভিভাষণত প্ৰকাশিত :—

"আহোমবিলাক ইংৰাজী ১২২৮ সনত আসামলৈ আহে। সেই সময়ত চুতীয়াবিলাকে শদিয়া আৰু তাৰ আশে-পাশে ৰাজত্ব কৰিছিল। কছাৰীৰ দৰে চুতীয়াও বড়ো জাতিৰ মানুহ। শদিয়া শব্দটো উচ্চাৰণ ভেদ বুলি সহজে বুজিব পাৰি। চুতীয়া নামটো পাছত ওলায়। আদিতে বড়ো জাতিৰ নাম কছাৰী আছিল। পোনতে যিটো জুন আহিছিল তেওঁবিলাকে লাহে লাহে ভটিয়াই গৈ হিন্দু ধৰ্ম্মাৱলম্বী হৈ ওগ ঠাই পালে অৰ্থাৎ কোচ নামেৰে পৰিচিত হল। যিবিলাক পাছত হিন্দু হল সেইবিলাকে হিন্দু চুতীয়া নাম পালে। যিবিলাক তাৰ তলৰ থাপত থাকিল সেইবিলাকক আহোমবিলাকে আহোম সমাজত সামৰি ললে। সেইসকলেই আহোম-চুতীয়া ইত্যাদি। • • ডিমাপুৰৰ কছাৰী আৰু চুতীয়া একে মানুহ। ইত্যাদি! ইত্যাদি!!

শ্ৰীউৎসৱানন্দ গোস্বামী

---

# বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি

উভতি আহিল।

কোন ?

তুমি অৰসিক। ইমানবোৰ প্ৰাণী দিনৌ যাব লাগিছে. উভতিব লাগিছে, তাত বৰবৰুৱাৰ কি হৰণ কি ভগন ? যাৰ অভাৱত বৰবৰুৱাৰ ঘৰ-সংসাৰ ভেকুৰা লাগিছিল, যাক নেদেখি বৰবৰুৱাৰ মূৰত এৰাঁ চৰিছিল আজি তেওঁ উভতি আহিল। ইমানতো নুবুজিলা যদি কওঁ—দেবী শ্ৰীমতী বৰবৰুৱানী। উভতি আহি তেওঁ বৰবৰুৱাক দেখিলে কেনে ? দেখিলে বিৰহত চেপেটা-লগা নহয় ; পানী লগাত চকু-মুখ উখহা আৰু কাহ-কফত ওফোন্দা-গলা। দেখি ঈষৎ হাস্য কৰি সতী নিগদতি,—

"এইটোৱেই নে বিৰহৰ লক্ষণ ?"

মই "মেঘৰ গম্ভীৰ ধনী দিলো সমিধান,"—

প্ৰিয়ে! "নুহিকে বিৰহ ইটো বহৰ লক্ষণ।"

"হে বৰবৰুৱানী! হে বৰাননী! তোমাৰ শুভতনি বাতৰিৰ বী-[illegible] এই প্ৰদেশত প্ৰচাৰ হলতে—

[illegible]ত বিৰহ ভিৰি পলাল লৰৰি।

হাহি হাহি বহে ঠাই ললেহি আগুৰি॥

এতিয়া বৰবৰুৱা নামক ব[illegible]ক্তিটিৰ চকু, মুখ, বুকু আৰু পিঠিত বহৰ বহ-ঘৰা। তেওঁৰ শৰীৰত এতিয়া বহৰ চালি নাচ, জুনুৰা নাচ। মুঠতে বহ নটুৱাৰ নৃত্যৰ ইমান প্ৰকোপ হৈছে যে তেওঁ প্ৰচণ্ড হাঁচি আৰু প্ৰবল কাহিও সেই উদ্দণ্ড নটুৱাক ভাবনা ঘৰৰপৰা উলিয়াই দিব পৰা নাই।'

বৰবৰুৱানীয়ে ব্যাপাৰটো "গুৰুচৰণ" (শ্ৰীবিষ্ণু,—গুৰুতৰ) দেখি ততালিকে আলুক পিপলি এৰা এই ত্ৰিকটুক মধুৰসত পৰিপ্লাত কৰি দৰৱৰ যাঠি জোঃ প্ৰস্তুত কৰি লৈ, বহৰ বিৰুদ্ধে প্ৰচণ্ড ৰণ ঘোষণা কৰি দিলে। বহ প্ৰমত্ত হস্তীবিশেষ হৈ উঠিল, আৰু সি শৰীৰৰ



পকা ধাননিখন মহতিয়াবলৈ ধৰিলে। উল্লিখিত গজেন্দ্ৰই হস্তী-হস্তিনী জাকেৰে প্ৰচণ্ড ৰাও কাঢ়ি একালে খেদা খাই আনফালে যায়, আৰু আনফালে খেদা খাই ইফাল পায়হি। ফলত পকা ধাননি খচকত জোল হল। মই বোলো হে আয়ুষ্মতি! হে বৰাননে! এই বহতকৈ মোৰ পুৰণি চিনাকী বিৰহেই মোৰ [illegible] আছিল ভাল। এতিয়া বহৰ ওপৰত বস্-পৰি মোৰ শৰীৰটো ক্ষীৰ সাগৰ হবৰ উপক্ৰম। এই প্ৰলয় পয়োধিজলৰ-পৰা বৰবৰুৱাক উদ্ধাৰ কৰিবলৈ বিষ্ণুৱে পুনৰ্ব্বাৰ মৎস্যা-ৱতাৰ ধৰিবৰ আৱশ্যক হব দেখিছোঁ। মোৰ কথা শুনি তেওঁ কিঞ্চিৎ চিন্তিত হৈ কলে,—"এইটো নো কোন মলুকৰ কাহ-কফ ঐ! ই দেখোন [illegible]ৰেই নোখোজে!" মই কলো, "ই হিন্দুস্থানৰ আৰু যাইকৈ হিন্দুৰ। ই আফগানিস্থানত নাই, বেলুচিস্থানত নাই, তুৰ্কীস্থানত নাই, আনকি আমাৰ ৰংপুৰৰ ধোদৰ আলিৰ কাষত থকা সেই অহিন্দু [illegible]লোকসকলৰ ভিতৰতো নাই।"

তেওঁ সুধিলে কিয় ?

মই উত্তৰ দিলো—হিন্দুৰ বাহিৰে আন ধৰ্ম্মাৱলম্বী-সকলৰ এইদৰে পানীলগা নঘটে। তেওঁলোকৰ যদি পানী লাগিল, চুবাৰ এবাৰ সোঁ[illegible] সোঁত্ কৰিলে ছুটা-চাইটা হাঁচি মাৰিলে, "ৰৰজোৰ" [illegible]ঢকা টুপি এটা পিন্ধি, ছুটা-চাইটা নহক-পনক খালে আৰু পানী লগা কাচুটি এৰি [illegible]। তেওঁলোকৰ পানীলগা ৰোগীৰ পৰা এই "[illegible]-চুল" আৰু গধূলি একেবাৰেই এথাল পোলাও-কোৰ্ম্মা। Vacancy থাকিলে তদুপৰি এসেৰ "গৰম জেলেপী।" আৰু আমাৰ হিন্দুৰ পানী লাগিল যদি, সি শাওণমহীয়া লেলপেল নেৰানেপেৰা বৰষুণ, অথবা লেনিৰা তিকতাৰ লেলেটীয়া কান্দোন। বুজিলানে এতিয়া ?

শুনা পাৰ্ব্বতী—(শ্ৰীবিষ্ণু!) শুনা বৰবৰুৱানী! মই মোৰ অন্তৰৰ কথাটো ভাঙি পাতি কওঁ—

"তুমি মোৰ প্ৰাণপ্ৰিয়া জায়া

তাতেসে কহিবে মোৰ দয়া॥"

তুমি পানীলগাক মোৰ গাৰপৰা একৰাবলৈ ইমান খন পৰিশ্ৰম কৰি ইমানবোৰ দৰৱ-জাতি খুৱাইছা, তথাপি সি কুৰুংকাৰাঙকে কৰা নাই ; বৰং চেলাপেটী জোক লগাদি মোৰ গাত লাগিহে ধৰিছে। কিয় জানানে ? বোলো শুৰিতে কেৰোন। সেইটো হৈছে হিন্দুৰ ধৰ্ম্ম আৰু হিন্দুৰ প্ৰেতকৰ্ম্ম। হিন্দুৰ আত্মা অমৰ আৰু পূৰ্ব্ব জন্মৰ কৰ্ম্ম ফলত তাৰ পুনৰ্জ্জন্ম আছে। গণ্ডস্যোপৰি বিস্ফোটকং - ভূতৰ ওপৰত দানহ হৈছে মৃতকৰ জলপিণ্ড। কথাটো মই বহলাই কওঁ দেই। হিন্দুৰ পো-নাতিয়ে সিহঁতৰ উপৰি পুৰুষসকলক জলপিণ্ড দিয়ে। অন্ততঃ তিনি পুৰুষলৈকে সিহঁতৰ উপৰি পুৰুষে এই "হেঙ্গামৰ' হাত এৰোপৰো সাৰিব নোৱাৰে। ময়ো সেই পিণ্ডৰ খেৰালি-জালত পৰিছোঁ। মোৰ বৰ্ত্তমান জন্মৰ আগৰ তিনি পুৰুষৰেপৰা সেই সেই জন্মৰ মোৰ পো-নাতি-বোৰে আজিলৈকে মোৰ গালৈ জলপিণ্ডৰ ছাটি মাৰিবই লাগিছে। এই জন্মৰ আগৰ জন্মত মই যিমথা লৰা-লুৰিৰ বাপেক হৈছিলোঁ, সিহঁতেতো মোক এই পুহ-মহীয়া জাৰত চেচা পানীৰ পিণ্ড দিছেই, তাৰ আগৰ জন্মৰ মথাইও মোৰ তৃপিতি সাধিবলৈ মোক পিণ্ডৰ-পুখুৰীত জুবুৰিয়াবলৈ ক্ৰটী কৰা নাই। এই কথা মই বিশেষভাৱে হৃদয়ঙ্গম কৰিব লাগিছোঁ। বোপাটিহঁতে নাজানে যে সিহঁতৰ চেনেহৰ চুমাই সিহঁতৰ আপুটিয়েকৰ নাকটি ছিঙিছে। মই থিৰাংকৈ বুজিছোঁ মই আগৰ কেইটা জনমত পুহমহীয়া স্বৰ্গীয় হৈছিলোঁ; আৰু সেই-দেখি এই পুহ মাহতে মোৰ পুত্ৰপৌত্ৰাদিবোৰে মোৰ পানীশৰাধ পাতি পিণ্ড দিছে আৰু পুৰোহিত বাপুকে প্ৰমুখ্য কৰি বাহ বামুণে মজা কৰি কোমল চাউল আৰু টেঙা দৈগাখীৰেৰে জলপান ভোজন কৰি সুখ পাইছে। তুমি নিশ্চয় মন কৰিছা যে বছৰি বছৰি মোৰ এই পুহ মাহতে পানী লাগে, আৰু সি বজ্ৰলেপ হয়। ইয়াৰ কাৰণ, ঠায়ে ঠায়ে শৰাধৰ জাউৰি আৰু চেচাপানীৰ পিণ্ডৰ কুম্ভাণ্ড। এই বুঢ়াৰ গা তো ব্ৰহ্মপুত্ৰৰ মাজৰ ছুই-মুনি শিলাৰ এক শিলা নহয়। সি সহে কেনেকৈ ? ফলত গাত বিষ আৰু পানী লাগি গাটো নেহ-নেহ-ঠেহ-ঠেহ। বেদৰ মন্ত্ৰ মাতি দিয়া পিণ্ডৰ পানীচল অথলে

কেতিয়াও নাথায় । ফলত ডাঙৰীয়া কুপাৰৰ বকৰাৰ গাত বহৰ চল । বোলোঁ, আইটাইতৰ নাক, তুমি লোক বিধে বিধে দৰৱ-জাতি মাৰি থুৱালে কি হব ? গিফালে সেই জাকক মোৰ গাত চলুৱে চলুৱে চেচা পানী দিয়াৰ পৰা একবায় কোনে ?

৫৪০৪/অ:

এইবাবে মই তোমাক কৈছোঁ যে হিন্দুৰ বাহিৰে আন জাতৰ মানুহৰ এইবোৰ আহকাল নাই । এতেকে মোৰ পাতাং উপদেশ যে কেতিয়াও হিন্দু কৈ নুপজিবা। ওপজা যদিও বিয়া নকৰাবা । বিয়া কৰালেও লৰাৰ বাপেকি নহবা । লৰাৰ বাপেকি হলেও জাৰকালি নমৰিবা । মই এই কথাৰ সম্ভেদ পাইছোঁ দেখিয়েই তোমাক বিশ্বাসতে কৈ থলোঁ । এইবাবেই তুমি দেখিছা, আগৰ জন্মবোৰত যি "আহাম্মকি" কৰিলোঁ কৰিলোঁ, এই জন্মত লৰাৰ বাপেক নহওঁ বুলি আজিলৈকে মই খুটি পুতি ৰহি আছোঁ । বঙ্গলা ফকৰাৰ সুৰতে সুৰ দি কওঁ যে বকাকৰা টপা বুঢ়া পুনৰায় বেলগছৰ তললৈ নাযায় । তোমাৰ দৰৱ-জাতিবোৰে সম্প্ৰতি গুৰু নিদিয়ে । দৰৱৰ পেৰাত সেইবোৰ সুমাই থৈ দিয়াই কৰ্ত্তব্য । যেতিয়া থাকিবা মাছ মাহ পৰিলেই, মোৰ পূৰ্ব্ব পূৰ্ব্ব জন্মাৰ্জ্জিত শৰাধৰ জাউবিৰ ওৰ পৰিব, আৰু মৃত বৰবকৰা আকৌ আনন্দৰে বাটলুগুটিটো যেন হৈ হাতত কাকতৰ টোপোলা লৈ ফ্ৰাইট্ ক্ৰোউট্ কৰি ঘূৰি ফুৰিব । ইতি

কুশাৰ্য

---

## আবাহন

সচিত্ৰ মাহেকীয়া কাকত । সম্পাদক ডাক্তৰ দীননাথ শৰ্ম্মা । বেচ ৫॥০ । প্ৰথম বছৰৰ ১ম সংখ্যা আমি বাঁহীৰ সদনি পাই পঢ়ি সন্তোষ পাইছোঁ । আজিকালি বঙ্গদেশত প্ৰচলিত প্ৰথম শ্ৰেণীৰ নাম-জলা মাহেকীয়া কাকতবোৰৰ গঢ়েৰে আবাহন উলিয়া হৈছে। নানা প্ৰবন্ধ আৰু নানা বৰণীয়া ছবিৰে আবাহন জমক্ জমক্ হৈ ওলাইছে । এনে গঢ়ৰ মাহেকীয়া কাকত অসমত এই প্ৰথম । "আবাহন"ক অসমীয়াই ঘৰে ঘৰে আহ্বান কৰি আদৰা উচিত ; তেহে "আবাহন" উলিওৱাওঁতাসকলে উলোকৰ যত্নৰ প্ৰকৃত দান-সমিধান পাব ।

সম্পাদক

---

## সন্ধিয়া

ঈষদ্ লোহিত সাজ, পিন্ধি মনোমোহা
কোন তুমি ত্ৰিলোকৰ অনিন্দ্য সুন্দৰী,—
সমাগতা আজি মোৰ চিন্তা-সমাধিত
পোহৰালা ঘৰে ঘৰে চাকি শাৰী শাৰী ?
জননী মন্দিৰ মোৰ ধূপ ধুনা গন্ধে,
আমোদিল চউদিশে ।—ভক্তিৰ সঁফুৰা,
মেলি দিলা আজি কোন দিগ্-দিগন্তত
—ব'ই গ'ল লুইতত কিনো প্ৰেমধাৰা !
হকমৰ শেষ বঙ্গে বোলাই দুগাল,
আহিছা মদিৰা ল'ই,—মধু স্মৃতি সনা
তৰা-ফুল-বছা গাত চেলেঙ পিনিৰে
এন্ধাৰত হাঁহা তুমি কোন হেমাঙ্গনা ?
সুচিকণ কেশ-গুচ্ছ পৰিছে পিছলি—
দিগন্ত মেঘৰ আজি দুৱাৰ মুকলি ॥

শ্ৰীভৱনাথ হাজৰিকা

---